




# সৃজনী

## নাৰী কথা


সুৰক্ষিত থাকক,
সুৰক্ষিত ৰাখক
এই ৰোগৰ বিৰুদ্ধে যুঁজি থকা চিকিৎসাকৰ্মী
আৰু বিভিন্ন সামাজিক অনুষ্ঠানৰ কৰ্মীসকলক
সহযোগ কৰক ।
শাৰিৰীক দুৰত্ব বজাই ৰাখক ।
প্ৰশাসনৰ নিয়ম মানি চলক ।
কোনোধৰণৰ নেতিবাচক চিন্তা মনলৈ নানিব ।
স্বাস্থ্যবিধি মানি চলক ।
দুৰ্গতজনক সহায় কৰক ।
ভয় নাখাব, বিচলিত নহ'ব ।
সাহস ৰাখক ।
আমি ধৈৰ্য্য সহকাৰে
এই বিপদৰপৰা মুক্ত হ'ব পাৰিম ।
যিকোনো ধৰণৰ সহায়ৰ বাবে আমালৈ ফোন কৰক
নৰ্থ ইষ্ট নেটৱৰ্ক, অসম – ৯৪৩৫০১৭৮২৪
গ্ৰামীণ মহিলা কেন্দ্ৰ,
নৰ্থ ইষ্ট নেটৱৰ্ক কামৰূপ (গ্ৰাম্য)- ৯৩৬৫৬৪৮৮৩২
গোলাঘাট- ৮৬৩৮৭৪৭১১০ দৰং- ৭৮৯৬৬৮২৬৭২


সুৰক্ষিত থাকক, সুৰক্ষিত ৰাখক
ৰোগ সম্পৰ্কীয়
যিকোনো অন্ধবিশ্বাসমূলক কথা আৰু
উৰাবাতৰিত বিশ্বাস নকৰিব ।
বিজ্ঞানমনষ্ক হওক ।
জাত-পাত, ধনী-দুখীয়া, ধৰ্ম, বৰ্গ, সম্প্ৰদায়
নিৰ্বিশেষে যিকোনো মানুহেই কভিদ –১৯ত
আক্ৰান্ত হ'ব পাৰে । কাকো বদনাম নিদিব,
সন্দেহ নকৰিব আৰু কোনো বিশেষ জনগোষ্ঠীৰ
ক্ষতি কৰিব পৰা আৰু সাম্প্ৰদায়িক
ঘৃণা বিয়পোৱা বাতৰি প্ৰচাৰ নকৰিব ।
কভিদ –১৯ৰ নামত যিকোনো ব্যক্তিৰ বিৰুদ্ধে
হোৱা নিৰ্যাতন, অন্যায় আৰু বৈষম্যৰ বিৰুদ্ধে
মাত মাতক আৰু তাক ৰোধ কৰক ।
মানুহৰ মৰ্যাদা সহকাৰে জীয়াই থকাৰ অধিকাৰক সন্মান কৰক ।
যিকোনো ধৰণৰ সহায়ৰ বাবে আমালৈ ফোন কৰক
নৰ্থ ইষ্ট নেটৱৰ্ক, অসম – ৯৪৩৫০১৭৮২৪
গ্ৰামীণ মহিলা কেন্দ্ৰ,নৰ্থ ইষ্ট নেটৱৰ্ক কামৰূপ (গ্ৰাম্য)- ৯৩৬৫৬৪৮৮৩২
গোলাঘাট- ৮৬৩৮৭৪৭১১০ দৰং- ৭৮৯৬৬৮২৬৭২


সুৰক্ষিত থাকক, সুৰক্ষিত ৰাখক
এই মহামাৰীৰ সময়তো মহিলাৰ মৰ্যাদা হানিকাৰক
বিভিন্ন কৌতুক ৱাটছআপ আৰু অন্যান্য চচিয়েল
মেডিয়াৰ জৰিয়তে প্ৰচাৰ হোৱা দেখা গৈছে ।
এনে অপমানজনক কৌতুক অথবা মেচেজ প্ৰচাৰৰ
পৰা বিৰত থাকক আৰু ইয়াৰ বিৰুদ্ধে মাত মাতক ।
লক ডাউনৰ সময়চোৱাত বা পিছত মহিলা আৰু
শিশুৰ ওপৰত পাৰিবাৰিক নিৰ্যাতন হোৱা বুলি
গম পালে নীৰৱে নাথাকিব ।
জিলা সমাজ কল্যাণ বিষয়াক এই বিষয়ে জনাওক ।
যিকোনো ধৰণৰ সহায়ৰ বাবে আমালৈ ফোন কৰক
নৰ্থ ইষ্ট নেটৱৰ্ক, অসম – ৯৪৩৫০১৭৮২৪, গ্ৰামীণ মহিলা কেন্দ্ৰ,নৰ্থ ইষ্ট নেটৱৰ্ক
কামৰূপ (গ্ৰাম্য)- ৯৩৬৫৬৪৮৮৩২, গোলাঘাট- ৮৬৩৮৭৪৭১১০, দৰং- ৭৮৯৬৬৮২৬৭২

# সৃজনী

## নাৰীকথা



নৰ্থ ইষ্ট নেটৱৰ্ক
জুলাই, ২০২০

# সূচী


সৃজনী- নাৰীকথাৰ দ্বিতীয় পৰ্ব/৪
একাষাৰ/ যশোময়ী দেৱী/৬
নৰ্থ ইষ্ট নেটৱৰ্ক -- পঁচিশ বছৰীয়া এক সুদীৰ্ঘ যাত্ৰা /মণীষা বেহেল/৭

**বিশেষ লেখা -- নৰ্থ ইষ্ট নেটৱৰ্ক আৰু আমাৰ যাত্ৰা**

নৰ্থ ইষ্ট নেটৱৰ্ক আৰু কিছু ব্যক্তিগত কথা/ ঊষাৰাণী দেৱী/৯
গ্ৰামীন মহিলা কেন্দ্ৰৰ দুটা বছৰ -- কিছু আশা, কিছু বাধা /মুন বৰা/১০
নেন আৰু জীৱন বাটত অতীত বৰ্তমানৰ তিতা-মিঠা অভিজ্ঞতাৰে /দিপালী বড়া/১১
নেন আৰু মোৰ মনৰ কিছু কথা /অপৰ্ণা চুতীয়া/১৩
নৰ্থ ইষ্ট নেটৱৰ্কৰ সৈতে মোৰ যাত্ৰাৰ কিছু কথা/জুনুমণি দাস/১৪
নেন আৰু মই /লিলিমণি বৰা/১৫
নেনৰ সৈতে মোৰ দিনবোৰ / নিভা দাস/১৬

**সৃজনশীল লেখা কৰ্মশালাৰ গল্প আৰু কবিতা**

এৰি অহা দিনবোৰলৈ এভূমুকি / দিপালী বড়া/১৮
সপোনৰ শেষত আন এক সপোন / নিভা সন্দিকৈ/১৯
বিষাদ /ভনিতা কুমাৰ/২০
শেৱালীৰ গল্প / কবিতা চহৰীয়া/২১
এজনী অসহায় ছোৱালী / ভানু চহৰীয়া/২৩
পোনাকণ / ইন্দুপ্ৰভা বড়া/২৪
মোৰ মৰমৰ বান্ধৱী / কৰবী নাথ/২৫

**সংযোজন**

একাকীত্ব / প্ৰণামী শৰ্মা/২৬
মোৰ চুলিকোছাৰ ৰহস্য / বিজয়েতা ৰাজকুমাৰী/২৮

**কৱিতা**

মা এবাৰ হাঁহি দিয়া / বৰ্ণালী কোঁৱৰ/৩১
ধৰ্ষিতা মই / পূৰ্ণিমা দেৱী/৩১
নাৰী এটা শব্দই নহয়/ উষাৰাণী দেৱী/৩২
মানৱতা / ভানু চহৰীয়া/৩৩
শেৱালি /গীতাঞ্জলী বৰা/৩৩
মোৰ সপোনৰ জুইকুৰা / পৰীস্মিতা বৰুৱা/৩৪
নাৰী/ লিলিমণি বৰা/৩৪
ফাগুন, কবিতা / নৰ্মদা দেৱী/৩৫
তোমাৰ বাবে / দিপালী বড়া/৩৬
হিংসা / ভনিতা কুমাৰ/৩৬

## সংযোজন

ঋতুবোৰ, অগ্নিশিখা, পাত/ অনুৰীতা পাঠক/৩৭
জীৱন মৃত্যুৰ সন্ধিক্ষণ / নীলাঞ্জু দত্ত/৪০
কুলছুমাৰ তেজ / ৰশ্মিৰেখা বৰা/৪০
খং/ ময়ুৰী ডেকা/৪২
ভাল নালাগে / ৰুবী গগৈ/৪৩
এতিয়াও মই ঘৰৰপৰা দূৰত, মই নাৰী/ উষা লকৰা/৪৪
ঐনিতম / উপানী পগাগ/৪৫

## অনুবাদ কবিতা

তুমি বলাৎকাৰী/৪৬
মৃত্যুদণ্ড আচলতে কাৰ হ'ব লাগে?/ কমলা ভাসীন/৪৭

## বিশেষ প্ৰবন্ধ

কৰ্মস্থলীৰ মৰ্যাদা- নাৰী আৰু পুৰুষৰ বাবে পৃথক কিয় ? / অনুৰীতা পাঠক/৪৯
অৰুন্ধতী স্বৰ্ণ আঁচনি ঃ আশীৰ্বাদ নে অভিশাপ / অনুৰীতা পাঠক/৫২
অসমত মহিলাৰ বিৰুদ্ধে হোৱা অপৰাধৰ ক্ষেত্ৰত ৰাষ্ট্ৰীয় অপৰাধ খতিয়ান বিভাগৰ ২০১৮ চনৰ ৰিপৰ্ট/৫৪
ফটোগ্ৰাফ /৫৬



ছবি - কৰবী নাথ



# 'সৃজনী-নাৰীকথা'ৰ দ্বিতীয় পৰ্ব

সুদীৰ্ঘ পঁচিশ বছৰে উত্তৰ-পূৰ্বাঞ্চলৰ অগ্ৰণী অনুষ্ঠান নৰ্থ ইষ্ট নেটৱৰ্কে (নেন) মহিলাৰ মানৱ অধিকাৰৰ ওপৰত কাম কৰি আহিছে। নেনে অসম, মেঘালয় আৰু নাগালেণ্ডত মহিলাসকলৰ অধিকাৰ ৰক্ষা আৰু সকলো ধৰণৰ লিংগ-ভিত্তিক বৈষম্য আৰু নাৰী নিৰ্যাতনৰ বিৰুদ্ধে, শাসন আৰু চৰকাৰৰ দায়বদ্ধতা নিশ্চিত কৰিবলৈ আৰু প্ৰাকৃতিক সম্পদৰ ব্যৱস্থাপনা আৰু বহনক্ষম জীৱিকাৰ ওপৰত নিৰবচ্ছিন্নভাৱে কাম কৰি আহিছে।

২০১৩ চনৰ জুলাই মাহত ৩০ গৰাকী তৃণমূল পৰ্যায়ৰ মহিলা নেত্ৰীক নেনে লিংগ, নাৰী নিৰ্যাতন, পাৰিবাৰিক নিৰ্যাতন, নতুন আইন আৰু নেতৃত্বৰ দক্ষতা আদি বিষয়ৰ ওপৰত এলানি প্ৰশিক্ষণ প্ৰদান কৰিছিল। তাৰপৰা আঠ গৰাকী মহিলাক নিৰ্বাচিত কৰি পাৰিবাৰিক নিৰ্যাতনৰ ওপৰত পুনৰ প্ৰশিক্ষণ দি ২০১৪ চনত নেনে অসমত পাৰিবাৰিক নিৰ্যাতনৰ ধৰণ আৰু মাত্ৰা বুজিবলৈ কেইবাখনো জিলাত এটা ক্ষেত্ৰভিত্তিক অধ্যয়ন কৰিছিল। এই অধ্যয়নৰপৰা অসমত মহিলাসকলে ভুগি থকা পাৰিবাৰিক নিৰ্যাতনৰ এখন ভয়াবহ ছবি প্ৰকাশ পাইছিল। তেতিয়াৰেপৰা মহিলাসকলৰ জীৱন নিৰ্যাতন মুক্ত কৰাৰ লগতে তেওঁলোকক আৰ্থিকভাৱে স্বাৱলম্বী কৰি অধিকাৰ আৰু মৰ্যাদাপূৰ্ণ জীৱন এটা জীয়াই থাকিবলৈ নেনে তৃণমূল পৰ্যায়ৰ প্ৰশিক্ষিত মহিলা নেত্ৰীসকলৰ যোগেদি চেষ্টা অব্যাহত ৰাখিছে।


সেই প্ৰচেষ্টাৰ অংশ হিচাপে ২০১৮ চনত নেনে অসমৰ তিনিখন জিলা ক্ৰমে কামৰূপ, দৰং আৰু গোলাঘাটত পাৰিবাৰিক নিৰ্যাতনত ভুক্তভোগী মহিলাসকলক মনো-সামাজিক আৰু আইনী পৰামৰ্শ প্ৰদান কৰিবৰ বাবে একোটাকৈ গ্ৰামীণ মহিলা কেন্দ্ৰ স্থাপন কৰে। এই কেন্দ্ৰসমূহৰ জৰিয়তে প্ৰশিক্ষণপ্ৰাপ্ত বেয়াৰফুট কাউন্সেলৰসকলে নিৰ্যাতিতা মহিলাসকলক পৰামৰ্শ সেৱা আগবঢ়াই আহিছে। এই কেন্দ্ৰসমূহে মহিলাসকলক নিৰাপদ, সুচল আৰু সহমৰ্মিতাৰে ভৰা এখন মঞ্চ প্ৰদান কৰিবলৈ যত্ন কৰিছে য'ত তেওঁলোকে নিৰ্ভয়ে নিসংকোচে মনৰ কথা পাতিব পাৰে আৰু সৃষ্টিশীল কামকাজ কৰি কিছু সময় কটাব পাৰে। লগতে যুৱক-যুৱতী আৰু কিশোৰ-কিশোৰীকো এক আনন্দদায়ক পৰিৱেশৰ মাজেৰে বিভিন্ন সৃষ্টিশীল মাধ্যমেৰে নতুন কথা শিকাবলৈ কেন্দ্ৰসমূহৰ দ্বাৰা চেষ্টা অব্যাহত আছে। ইয়াৰ উপৰিও গাঁৱত পাৰিবাৰিক নিৰ্যাতনৰ বিষয়ে সজাগতা সৃষ্টি কৰিবৰ কাৰণে নিয়মিত ৰাজহুৱা সভা, গাঁৱৰ ঘৰে ঘৰে গৈ কথা পতা আৰু পাৰিবাৰিক নিৰ্যাতন সম্পৰ্কে পুস্তিকা বিতৰণ, চুবুৰীয়ে চুবুৰীয়ে মহিলাৰ চাপৰ্ট গোট বা চুবুৰী কমিটি গঠন, বিদ্যালয়, মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীক লিংগ-সমতাৰ বিষয়ে সজাগ কৰিবলৈ প্ৰশিক্ষণ, চৰকাৰী বিভাগ সমূহৰ সৈতে সভা, বিভিন্ন অংশীদাৰ যেনে, পুলিচ, স্বাস্থ্য বিভাগ আৰু পাৰিবাৰিক নিৰ্যাতনৰপৰা মহিলাৰ সুৰক্ষা আইন, ২০০৫-ৰ অধীনত থকা সেৱা প্ৰদানকাৰীসকলৰ দক্ষতা বৃদ্ধিৰ বাবে প্ৰশিক্ষণ কৰ্মশালা আদিৰ আয়োজন কৰি আহিছে।

সুদীৰ্ঘ সময় ধৰি পাৰিবাৰিক নিৰ্যাতনত ভুগি থকা মহিলাসকলে বহু সময়ত আত্মবিশ্বাস হেৰুৱাই পেলায়। আমাৰ সমাজে যিহেতু সকলো দোষৰ বোজা মহিলাগৰাকীৰ ওপৰতেই জাপি দিয়ে, লাহে লাহে তেওঁলোকে এই বোজাৰ ভৰত নিজৰ পৰিচয়েই পাহৰি যায়। মনো-সামাজিক আৰু আইনী সেৱা প্ৰদানৰ উপৰিও নেনে এই মহিলাসকলক বিভিন্ন কাৰ্যসূচীত ভাগ ল'বলৈ উৎসাহিত কৰিছিল যাতে তেওঁলোকে যন্ত্ৰণাই কোঙা কৰা জীৱনটোৰপৰা ওলাই আহি মুকলিভাৱে কথা পাতিব পাৰে, নিৰ্যাতনৰপৰা মুক্ত হ'ব পাৰে আৰু স্বস্তিৰ উশাহ ল'ব পাৰে। এই উদ্দেশ্যে নেনে মহিলাসকলৰ মাজত সভা-সমিতিৰ উপৰিও গীত-মাত, খেল-ধেমালি, বাটৰ নাট, চিনেমা প্ৰদৰ্শন আদিৰ আয়োজন কৰি আহিছে।

২০১৫ চনত নেনে প্ৰথমবাৰৰ বাবে সৃজনশীল লেখাৰ কৰ্মশালাৰ আয়োজন কৰিছিল। এই কৰ্মশালাত প্ৰশিক্ষিত মহিলা নেত্ৰীসকলক সৃষ্টিশীল চিন্তাৰ এক পৰিৱেশ প্ৰদান কৰিবলৈ চেষ্টা কৰা হৈছিল যাতে তেওঁলোকে নিজৰ চিন্তা, অনুভৱ আদি সাহিত্য বা ছবিৰ ৰূপত প্ৰকাশ কৰিব পাৰে। তেওঁলোকৰ লেখাসমূহ লৈ 'সৃজনী - নাৰীকথা' প্ৰকাশ কৰা হৈছিল। প্ৰায় পাঁচ বছৰ পাছত এই মহিলা নেত্ৰীসকলৰ লগতে পাৰিবাৰিক নিৰ্যাতনৰ উত্তৰজীৱী কেইবাগৰাকীও মহিলাক লৈ দৰং আৰু গোলাঘাট জিলাত দুটা সৃজনশীল লেখাৰ কৰ্মশালা আয়োজন কৰা হয়। দৰং, ওদালগুৰি, গোলাঘাট আৰু ধেমাজি জিলাৰ কেইবাগৰাকী মহিলাই অংশগ্ৰহণ কৰা এই কৰ্মশালাৰ উদ্দেশ্য আছিল মহিলাসকলক এক পৰিৱেশ প্ৰদান কৰা য'ত তেওঁলোকে নিজকে দ্বিধাহীনভাৱে প্ৰকাশ কৰিব পাৰিব, নিজৰ আশা-আকাংখ্যা, সপোন, আনন্দ, দুখ-বেদনা, সংগ্ৰাম, প্ৰতিবাদ আদিক গল্প-কবিতাৰ মাজেৰে প্ৰকাশ কৰিব পাৰিব। লগতে হেৰাই যোৱা প্ৰতিভাক পুনৰ ৰূপ দি হেৰোৱা আত্মবিশ্বাস ঘূৰাই আনিব পাৰিব।

কৰ্মশালাটোত ভাগ লোৱা মহিলাসকলৰ বাবে হাতত কলম তুলি লোৱাটো আছিল পুনৰ আখৰ লিখিবলৈ শিকাৰ দৰে। ই তেওঁলোকক নিজৰ গভীৰলৈ সোমাই যাবলৈ, নিজৰ হেৰোৱা সপোন তথা সত্বাটোক বিচাৰি পাবলৈ সহায় কৰিছিল। তাক শব্দেৰে, ছবিৰে প্ৰকাশ কৰোঁতে কোনো সময়ত তেওঁলোকে কান্দিও পেলাইছিল।

'সৃজনী - নাৰীকথা'ৰ এই সংখ্যাটোত কৰ্মশালা দুটাত অংশগ্ৰহণকাৰীসকলৰ দ্বাৰা ৰচিত কিছু নিৰ্বাচিত গল্প আৰু কবিতাৰ লগতে অন্যান্য কেইটামান লেখাও সংযোগ কৰা হৈছে। আমি আশা কৰিছোঁ 'সৃজনী-নাৰীকথা'ই আমাৰ মহিলাসকলক লেখনিৰ মাজেৰে নিজকে প্ৰকাশ কৰিবলৈ, নিজকে বুজি পাবলৈ, দুখ-কষ্টৰপৰা ওলাই আহি নিজকে বিচাৰি পাবলৈ আৰু লগতে অধিকাৰ আৰু মৰ্যাদাৰে জীয়াই থকাৰ অনুশীলন কৰিবলৈ এখন অভিনৱ ঠাই প্ৰদান কৰিব। ❑



# একাষাৰ
## যশোময়ী দেৱী



কোৱা হয় নাৰী কোমলতাৰ প্ৰতীক। কিন্তু মমতা বা কোমলতাৰ অৰ্থ বাস্তৱিকতে কেতিয়াও দুৰ্বলতা নহয়। পানীৰ সমান কোমল আন একোৱেই নাই। কিন্তু সেই সুকোমল সলিল ধাৰাৰ শক্তিয়ে মহাবলী প্ৰকাণ্ড শিলাখণ্ডক ভাঙি চূৰমাৰ কৰি দিব পাৰে। তেনেকৈয়ে, মমতা আৰু কোমলতাৰ প্ৰতিমূৰ্তি নাৰীৰ অন্তৰ্নিহিত শক্তিয়ে ইচ্ছা কৰিলে নিজৰ, পৰিয়ালৰ, আৰু সমাজৰ কাৰণে যুগান্তকাৰী বৈপ্লৱিক পৰিৱৰ্তনৰ সূচনা কৰিব পাৰে।

নাৰী বা ব্যক্তি হিচাবে আমি জীৱনত কি বিচাৰোঁ, কিহে আমাক পৰিপূৰ্ণতা আৰু প্ৰাপ্তিৰ অনাবিল আনন্দ তথা সুখানুভূতি আনি দিব পাৰে, সেইকথা কোৱা টান। কুহেলিকাময় এই জটিল প্ৰশ্নটোৰ সমাধান বিচাৰি যুগে যুগে মানুহে সাধনা কৰি আহিছে আৰু অনুধাৱন কৰিছে ইন্দ্ৰিয়জনিতৰপৰা ইন্দ্ৰিয়াতীত অতিন্দ্ৰিয়লৈ, পাৰ্থিৱৰপৰা পৰমাৰ্থিকলৈ, দৰ্শনলৈ। গণমানসত জীৱনৰ পৰিপূৰ্ণতাই ব্যক্তিৰ আনন্দ তথা সুখানুভূতিৰ কাৰক বুলি সাধাৰণতে ধৰি লোৱা হয় যদিও, জীৱনৰ পৰিপূৰ্ণতাৰ ধাৰণাটো একান্ত আপেক্ষিক হোৱাৰ কাৰণে ই কেতিয়াও পৰ্যাপ্ত নহয় যাৰ ফলত ক্ষণভংগুৰ আনন্দ-অনুভূতিৰ ফাঁকে ফাঁকে সুখৰ অনুধাৱন মৰিচীকা হৈ লুকা-ভাকু খেলে।

এফালৰপৰা চাবলৈ গ'লে, সহজ সৰল এক নৈসৰ্গিক জীৱনত, কবি নৱকান্ত বৰুৱাদেৱে কোৱাৰ দৰে 'সুখ আছে /সুখ আছে/ মানুহৰ মহামূঢ়তাত/ আইতাৰ পিকসনা জধলা চুমাত'। কিন্তু উত্তৰণ পিপাসী মননশীল মানৱ দৃষ্টিত নিভাঁজ আদৰৰ এই সুখ একপ্ৰকাৰে চাবলৈ গ'লে পলৰীয়া বুলিয়ে ক'ব পাৰি। কাৰণ, সুখৰ এই সংজ্ঞাই মানুহৰ নৈসৰ্গিক জীৱনৰ উৰ্ধত থকা সহায়কাৰী, স্ব-স্বীকৃতি, উৎকৰ্ষ আৰু উত্তৰণ, আদি উচ্চমাত্ৰাৰ প্ৰয়োজন বা তাগিদাবোৰৰ প্ৰত্যাহ্বান অগ্ৰাহ্য কৰি ব্যক্তিৰ জীৱনক ন্যূনতম এক স্তৰত সীমিত কৰি ৰাখে।

নৈসৰ্গিকতাৰ গতানুগতিক পৰিধি অতিক্ৰম কৰি গৈ ব্যক্তিবিশেষে জীৱনৰ পৰিপূৰ্ণতা তথা সুখৰ অনুধাৱন কৰে যদিও, সমাজৰ লিংগভিত্তিক বৈষম্যমূলক স্থিতিয়ে এই ক্ষেত্ৰত নাৰীৰ কাৰণে অনেক প্ৰতিবন্ধকতাৰ সৃষ্টি কৰে। সেয়েহে, পাৰিবাৰিক, সামাজিক আৰু ব্যক্তিগত বাধা-বিঘিনি অতিক্ৰম কৰি স্বকীয় বৈশিষ্ট্যৰে সমাজত নিজৰ এক সুকীয়া পৰিচয় গঢ়ি তোলাৰ প্ৰত্যাহ্বান নাৰীৰ কাৰণে অসম্ভৱ নহয় যদিও একান্ত কষ্টসাধ্য আৰু চাবলৈ গ'লে একপ্ৰকাৰ ব্যতিক্ৰমী। নৰ্থ ইষ্ট নেটৱৰ্কে জিলাভিত্তিত তৃণমূল স্তৰৰ পৰামৰ্শদাতা কাৰ্যসূচীৰ আৰু লগতে অন্যান্য কাৰ্যক্ৰমৰ মাধ্যমেৰে আগবঢ়োৱা সেৱা আৰু যোগাত্মক পটভূমিৰ গইনা লৈ তৃণমূল স্তৰৰ পৰামৰ্শদাতা, কৰ্মীবৃন্দ আৰু গ্ৰামীণ মহিলাসকলে তেখেতসকলৰ সুপ্ত প্ৰতিভাৰাজি গঢ়ি তোলা উত্তৰণ তথা আত্মবিকাশৰ এই সৃজনীশীল নিদৰ্শন সঁচাকৈয়ে একান্ত প্ৰশংসনীয়। তেখেতসকলৰ এই প্ৰচেষ্টাক মোৰ অভিনন্দন জনোৱাৰ লগতে নৰ্থ ইষ্ট নেটৱৰ্কৰ সংশ্লিষ্ট কৰ্মীসকলকো মোৰ আন্তৰিক শলাগ জনালোঁ। ❑

অধ্যক্ষা, পৰিচালনা সমিতি
নৰ্থ ইষ্ট নেটৱৰ্ক

# নৰ্থ ইষ্ট নেটৱৰ্ক – পঁচিশ বছৰীয়া এক সুদীৰ্ঘ যাত্ৰা

## মণীষা বেহেল



সৰু হৈ থকা সময়ত সপোনবোৰ সঁচা যেন লাগে। সৰুকালটো ইমান স্পষ্ট, ইমান উত্তেজক। জীৱনত যেন সকলোৱেই সম্ভৱ -- সেই অনুভৱ লৈয়েই মই জীৱনৰ বাটত খোজ দিছিলোঁ।

পিছলৈ উভতি চালে দেখা পাওঁ, জীৱনৰ প্ৰতি মোৰ যি ধাৰণা সেয়া গঢ়ি উঠাত মোৰ শৈশৱৰ ঠাই তেজপুৰে অশেষ অবদান আগবঢ়াইছে। শক্তিশালী সামাজিক একতাবোধেৰে সমৃদ্ধ তেজপুৰ এখন খুবেই ধুনীয়া আৰু শান্তিপূৰ্ণ চহৰ। ১৯৫৯ চনত চীনৰপৰা পলাই অহা তিব্বতৰ মানুহখিনিক আগবঢ়াই আনিবলৈ মা আৰু তেজপুৰৰ অন্য মহিলাসকলৰ এটা দলৰ লগত ময়ো সহযোগ কৰাটো মোৰ ভালদৰে মনত আছে। আৰু মনত আছে ১৯৬২ চনৰ যুদ্ধত আমাৰ গোটেই ঘৰখনৰ এটা বৃহৎ অংশত নাৰ্চসকলে আশ্ৰয় লোৱা। আমাৰ ঘৰৰ পিছচোতালত ঘূৰি ফুৰা গৰুবোৰ, চৰাই-চিৰিকতিবোৰ আৰু বিশেষকৈ মই ভালপোৱা কুকুৰবোৰৰ কথাও মোৰ ভালদৰে মনত আছে।

মোৰ শৈশৱকালৰ বহুখিনি সময় মই এই জীৱ-জন্তুবোৰৰ চোৱাচিতা কৰি কটাইছিলোঁ আৰু প্ৰায়েই চাইকেল চলাই গোটেই চহৰখন ঘূৰি ফুৰিছিলোঁ। কেতিয়াবা বন্ধুবৰ্গৰ লগত, কেতিয়াবা সম্পৰ্কীয় মানুহখিনিৰ লগত। সৌভাগ্যবশতঃ মোৰ মা-দেউতা খুবেই উদাৰ আৰু সহিষ্ণু আছিল। তেওঁলোকে মোক মোৰ নিজৰ ইচ্ছামতে ক'ৰবালৈ যোৱাত বা কিবা এটা কৰাত কেতিয়াও বাধা দিয়া নাছিল। তেওঁলোকৰ মোৰ ওপৰত থকা এই বিশ্বাসৰ কাৰণে মই নিজকে এগৰাকী শক্তিশালী, মুক্ত চিন্তাৰ আৰু দৃঢ় নাৰী হিচাপে গঢ় দিবলৈ সক্ষম হৈছিলোঁ। গাঁৱলীয়া জীৱনৰ প্ৰতি মোৰ আগ্ৰহো তেতিয়াই জন্ম হৈছিল। ১৯৭৪ চনৰপৰা ১৯৯০ চনলৈ গোটেই দেশৰ গাঁও-ভুইবোৰ মই ভ্ৰমণ কৰিছিলোঁ, যদিও মোৰ প্ৰধান আগ্ৰহ আছিল দেশৰ উত্তৰ-পূব অঞ্চল। সেইখিনি সময়তে গোটেই বিশ্বতেই এক পৰিৱৰ্তন আহিছিল। নাৰীৰ সংজ্ঞা আনকি গাঁৱৰ নাৰীৰ সংজ্ঞাও মাথোঁ মাতৃ, পত্নী, অথবা গৃহিনী হিচাপে সীমাবদ্ধ হৈ থকা নাছিল। তেওঁলোকে নিজৰ পৰিচয় নিজেই দিবলৈ সক্ষম হৈছিল।

সেই সময়তে মই তেজপুৰ জিলা মহিলা সমিতিৰ সৈতে কাম কৰিবলৈ আৰম্ভ কৰিলোঁ। ইয়াৰ জৰিয়তে মই অসমৰ গাঁওবোৰত কাম কৰিলোঁ। তেতিয়াই মই অনুভৱ কৰিছিলোঁ আমাৰ সমাজখনৰ বহু কথা। নামঘৰ আৰু জনজাতীয় সমাজখনৰ দৃষ্টিৰে আমাৰ উদাৰ সামাজিক ব্যৱস্থাটোৰ বিষয়ে মই বহু কথাই বুজি পাইছিলোঁ। অৱশ্যে কোনো সমাজেই দমননীতিৰপৰা মুক্ত নহয়। অসমত আমি মহিলাৰ পৰাধীনতা দেখিছিলোঁ। সেইকাৰণেই মই গাঁও-ভুইৰ লগতে চহৰৰ নাৰীসকলৰ লগতো নাৰীৰ অধিকাৰৰ কাৰণে কাম আৰম্ভ কৰিলোঁ। পিতৃতন্ত্ৰৰ ফলত জন্ম হোৱা বিভিন্ন বৈষম্য আৰু সমাজত নাৰীৰ অৱস্থান লৈ হোৱা সমস্যাবোৰ গভীৰভাৱে চালি-জাৰি চাবলৈ সক্ষম হ'লোঁ।

নৰ্থ ইষ্ট নেটৱৰ্কৰ (নেন) জন্ম হৈছিল ১৯৯৪ চনত, যাৰ মূল লক্ষ্য আছিল আমাৰ কামখিনি গোটেই উত্তৰ পূৰ্বাঞ্চললৈ বিয়পাই দিয়াটো। ১৯৯৫ চনৰ ২২ মাৰ্চত আমি এখন চচাইটি হিচাপে পঞ্জীয়ন কৰিলোঁ। তৃণমূল পৰ্যায়ত প্ৰসাৰ কৰা মূল্যবোধৰ বাবে নেন আজি গৌৰবান্বিত। এয়া কিন্তু এদিনতেই গঢ়ি উঠা নাই। নেনৰ লগত জড়িত প্ৰতিগৰাকী মহিলাই ভিতৰুৱা অঞ্চললৈ গৈ কাম কৰিছে, ৰাইজৰ আগত মুখামুখিকৈ কথা পাতিবলৈ শিকিছে আৰু ইয়াৰ ফলত জন্ম হোৱা আত্মবিশ্বাসেৰে চৰকাৰী অনুষ্ঠানৰ লগতো নিজৰ মতামত বিনিময় কৰিবলৈ সক্ষম হৈছে। সম্পূৰ্ণ ২৫ বছৰ লাগিল গোটেই বিশ্বক উত্তৰ-পূবৰ মহিলাসকলৰ লগত চিনাকি কৰি দিওঁতে আৰু একেখিনি সময়তে মহিলাসকলেও নিজৰ সম্প্ৰদায়টোৰ সমুখত নিজৰ মূল্য আৰু মৰ্যাদা প্ৰতিষ্ঠা কৰিলে। ❑

মুখ্য কাৰ্যবাহী বিষয়া,
নৰ্থ ইষ্ট নেটৱৰ্ক

# বিশেষ লেখা

## নৰ্থ ইষ্ট নেটৱৰ্ক আৰু আমাৰ যাত্ৰা



ছবি - উষা লকৰা

# নৰ্থ ইষ্ট নেটৱৰ্ক আৰু কিছু ব্যক্তিগত কথা

## ঊষাৰাণী দেৱী, দৰং



২০১৩ চনত নেনৰ সৈতে জড়িত হৈছিলোঁ। তাৰ আগতে মই দৰং জিলাৰ 'ছত্ৰ' নামৰ সংগঠন এটাৰ লগত কাম কৰিছিলোঁ। বহুত ইচ্ছা আছিল মহিলাৰ হৈ কিছু কাম কৰাৰ। শেষত যেতিয়া নেনৰ লগত কাম কৰাৰ সুযোগ পালোঁ মোৰ খুব ভাল লাগিছিল। লাহে লাহে নেনৰ সৈতে মোৰ কাম আৰম্ভ হ'ল। অনুৰীতা বাইদেৱে প্ৰথম দিনা কৈছিল, "আমাৰ লগত কাম কৰিলে অন্ততঃ বহু মহিলা, বহু ব্যক্তিৰ লগত কাম কৰিব পাৰিবা আৰু মাজে মাজে বেলেগ ঠাইলৈ যোৱাৰ সুযোগ হ'বও পাৰে। পিছে ঘৰ এৰিব পাৰিবা নে নাই ?" মই অলপ তভক মাৰি ৰৈছিলোঁ আৰু এটা সেপ ঢুকি লৈ বাইদেউক সমৰ্থন জনাই "অ' হ'ব পাৰিম দিয়ক, চেষ্টা কৰিম" বুলি ফোনতে বাইদেউক উত্তৰ দিছিলোঁ। আৰু তেতিয়াৰপৰাই আৰম্ভ হয় মোৰ জীৱনৰ 'ইউ টাৰ্ণ'।

মোৰ জীৱনক লৈ মই অতিষ্ঠ হৈ পৰিছিলোঁ। জীয়াই থকাৰ হেঁপাহ হেৰুৱাই পেলাইছিলোঁ। কিন্তু নেন যেন মোৰ প্ৰাণ। মোক পুনৰ জনম দি সমাজত মানৱ সেৱাৰ যি সুবিধা দিলে তাৰবাবে মই কৃতজ্ঞ।

এনেকৈয়ে কাম আৰম্ভ কৰাৰ পাছত আমাক 'বেয়াৰফুট কাউন্সেলিঙ'ৰ প্ৰশিক্ষণ দিয়া হ'ল। পাৰিবাৰিক নিৰ্যাতনৰ বলি হোৱা মহিলাসকলক পৰামৰ্শদানৰ জৰিয়তে তেওঁলোকক এক নিৰ্যাতনমুক্ত জীৱন যাপন কৰাত সহায় কৰিলোঁ। ভাঙোনমুখী হোৱা বহু ঘৰত পুনৰ হাঁহি বিৰিঙাবলৈ সক্ষম হ'লোঁ।

আটাইতকৈ ডাঙৰ কথাটো আছিল, নিজেও মূৰ তুলি কথা কোৱাৰ সাহসখিনি পালোঁ। প্ৰতিবাদ কৰিব পৰা হ'লোঁ। জীয়াই থকাৰ ইচ্ছা হেৰুওৱা মানুহজনীয়ে মহিলাৰ অধিকাৰৰ ওপৰত কথা কৈ দপদপাই উঠিব পৰা হ'লোঁ। যি গৰাকী ব্যক্তিয়ে সৰু সৰু কথাতে গালি-গালাজ কৰি মৰি নোযোৱা কিয় বুলিও ক'বলৈ সংকোচ নকৰিছিল সেইজনেও এতিয়া কিবা এটা কোৱাৰ আগতে ভাবি চাব লগীয়া হৈছে। দুজনী ছোৱালী জন্ম হোৱাৰ পাছত একো দুখ নাই বুলি কোৱাৰ পাছতো কথাই কামে যে তেওঁৰ পৰিয়ালে কিবা এটাৰ অভাৱ অনুভৱ কৰিছিল সেয়া মই বুজিছিলোঁ। সেইকাৰণেই মোৰ ছোৱালী দুজনীক সমাজত মানুহ হিচাপে থিয় কৰোৱাৰ দৃঢ় সংকল্প মনতে পুহি ৰাখি সিহঁতক ডাঙৰ কৰিলোঁ। এই মানসিক সাহস নেনৰপৰা পোৱা। নেনে অকল মোকেই জ্ঞান দিয়া নাই, মোৰ পৰিয়ালৰ লগতে ওচৰ-চুবুৰীয়া সকলোৱে যেন এই জ্ঞানৰ পোহৰেৰে আজি আলোকময়।

আমি এতিয়া দৰং জিলাৰ আঁঠখন গাঁও পঞ্চায়তৰ আঠত্ৰিশখন গাঁৱত কাম কৰি আছোঁ। পাৰিবাৰিক নিৰ্যাতনত ভোগা মহিলাসকল বা আমাৰ সমাজৰ সকলো মহিলা লাঞ্ছিতা, বঞ্চিতা আদি শব্দৰে অলংকৃত। সেই সকলো মহিলাক লৈ বোৱা-কটাৰ কামত নিয়োজিত কৰি সকলোকে অৰ্থনৈতিকভাৱে স্বাৱলম্বী কৰিবলৈ চেষ্টা কৰি থকা হৈছে। বহু কেইগৰাকী শিপিনীয়ে ঘৰখন চলোৱাৰ উপৰিও নিজ সন্তানৰ শিক্ষাৰ ক্ষেত্ৰত অৰিহণা যোগাব পাৰিছে। আমাৰ গ্ৰামীণ মহিলা কেন্দ্ৰই মহিলাসকলৰ বাবে সদায়েই এখন মঞ্চ দিয়াৰ বাবে চেষ্টা কৰি আহিছে য'ত তেওঁলোকে নিজৰ অধিকাৰ ৰক্ষাৰ যুঁজখন আগুৱাই নিব পাৰিব। ❑

# গ্ৰামীণ মহিলা কেন্দ্ৰৰ দুটা বছৰ – কিছু আশা, কিছু বাধা

**মুন বৰা, গোলাঘাট**



গোলাঘাট জিলাৰ দৈগ্ৰোঙত গ্ৰামীণ মহিলা কেন্দ্ৰ স্থাপনৰ দুবছৰ হ'ল। এই দুবছৰে পাৰিবাৰিক নিৰ্যাতনত ভোগা মহিলাসকলক বিভিন্ন পৰামৰ্শ সেৱা আগবঢ়োৱাৰ উপৰিও সামাজিক, অৰ্থনৈতিক দিশত সজাগ কৰি তোলাৰ উদ্দেশ্যে সজাগতা সভা, প্ৰশিক্ষণ আদিৰে মহিলা তথা যুৱক-যুৱতীসকলৰ দক্ষতা বিকাশৰ কাৰণে চেষ্টা কৰি অহা হৈছে। গ্ৰামীণ মহিলা কেন্দ্ৰৰ লগত প্ৰায় দুশ মহিলা সক্ৰিয়ভাৱে জড়িত হৈ অঞ্চলটোত পাৰিবাৰিক নিৰ্যাতন প্ৰতিৰোধ কৰাৰ বাবে চেষ্টা চলাই আহিছে। প্ৰতিখন গাঁৱত সমৰ্থন গোট গঠন কৰা হৈছে। এই গোটসমূহে নিজৰ নিজৰ গাঁৱত কোনো মহিলা পাৰিবাৰিক হিংসা আৰু যিকোনো ধৰণৰ নিৰ্যাতনৰ বলি হ'লে তাৎক্ষণিকভাৱে প্ৰতিৰোধ কৰাৰ চেষ্টা চলায়।

আগৰ তুলনাত অঞ্চলটোত পাৰিবাৰিক নিৰ্যাতন হ্ৰাস পাইছে। আগতে নিৰ্যাতিতাসকলে নীৰৱে সকলো সহ্য কৰিছিল। বৰ্তমান মাত মাতিবলৈ তেওঁলোকে সাহস পাইছে। মনৰ কথাবোৰ মুকলিকৈ ক'বলৈ তেওঁলোক গ্ৰামীণ মহিলা কেন্দ্ৰলৈ আহে, আমাৰ পৰামৰ্শ গ্ৰহণ কৰে। বহুতো মহিলা আমাৰ পৰামৰ্শৰ দ্বাৰা উপকৃত হোৱা বুলি আমাক জানিবলৈ দিছে। আইনী পৰামৰ্শ পোৱাৰ পিছত বহু মহিলাই আইনৰ সুবিধাও গ্ৰহণ কৰিছে। লিংগ বৈষম্য আঁতৰাবৰ বাবে গাঁৱে গাঁৱে ৰাইজৰ মাজত সজাগতা সভা পতাৰ ফলত ল'ৰা-ছোৱালীৰ মাজত থকা ভেদভাব ক্ৰমান্বয়ে কমি আহিছে। মহিলাসকলে নিজৰ অধিকাৰ সাব্যস্ত কৰিবলৈ একেলগে ওলাই আহিবলৈ সাহস কৰিছে। চৰকাৰী আঁচনিৰ সুবিধা গ্ৰহণ কৰিবৰ কাৰণে ব্লক, পঞ্চায়ত সকলোতে অংশগ্ৰহণ কৰিবপৰা হৈছে।

পৰামৰ্শ দানৰ ক্ষেত্ৰত কিছুমান পৰিয়ালৰ সদস্যই আমাক কেতিয়াবা টানকৈও কয়। কাৰণ আমি নিৰ্যাতিতাৰ পক্ষত থিয় দিওঁ আৰু তেওঁৰ অধিকাৰৰ কথা কওঁ। পাৰিবাৰিক নিৰ্যাতনত ভোগা মহিলাক আমাৰ সমাজে সকলো সহ্য কৰি থাকিবলৈ বাধ্য কৰে আৰু এইবোৰ ঘৰৰ ভিতৰৰ কথা, পৰিয়ালৰ সন্মানৰ কথা বুলি লুকুৱাই ৰাখিবলৈ কয়। বহুসময়ত এনে নিৰ্যাতন স্বাভাৱিক বুলিয়েই ধৰা হয়। যিহেতু আমি ইয়াৰ বিপৰীতে কথা কওঁ, পাৰিবাৰিক নিৰ্যাতনক অপৰাধ বুলি ৰাইজক বুজাওঁ, আৰু মহিলাগৰাকীক নিজৰ অধিকাৰৰ বিষয়ে সচেতন কৰোঁ, কিছুমান মানুহে আমাক বেয়া পায়। আমি মহিলাসকলক বেয়া কাম কৰিবলৈ উদগনি দিওঁ বুলি মন্তব্য কৰে।

আজি কেইমাহমানৰপৰা অন্য এটা সমস্যাই দেখা দিছে। ৰাজনৈতিক দল-সংগঠনে মহিলাসকলক প্ৰলোভন দি বিভেদৰ নীতি প্ৰয়োগ কৰাৰ ফলত ক্ৰমান্বয়ে মহিলাসকল ভাগ ভাগ হৈ পৰিছে। আত্মসহায়ক গোটৰ সভা, চাবচিডি, ক্ষুদ্ৰ ঋণৰ সভা আদি এশ এখন সভাত মহিলাসকল ব্যস্ত হৈ পৰিছে। ফলত আগৰ দৰে আমাৰ সভাত মহিলাৰ অংশগ্ৰহণ নাথাকে। গ্ৰামীণ কেন্দ্ৰৰ লগত সক্ৰিয়ভাৱে জড়িত হৈ কাম কৰা মহিলাসকলক চৰকাৰী দায়িত্ব দিয়া হৈছে। লগতে তেওঁলোকে পাৰিশ্ৰমিকো লাভ কৰে। লাহে লাহে তেওঁলোক আমাৰ অনুষ্ঠানৰপৰা আঁতৰি থাকিবলৈ লৈছে।

গাঁওবোৰত সমস্যাৰ সৃষ্টি কৰা আন এক কাৰণ হল মাইক্ৰ'ফাইনেন্স প্ৰতিষ্ঠানবোৰ। এই প্ৰতিষ্ঠানবোৰে সহজতে ঋণ দিয়াৰ বাবে মহিলাসকলে কেইবাটাও গোটৰপৰা ঋণ লৈ কিস্তি ঘূৰাবৰ বাবে কেৱল টকাৰ চিন্তা কৰি কাম কৰিব লগা হোৱাত সমাজৰ কাৰণে বা কোনো মহিলাৰ সুখ-দুখৰ সমভাগী হ'বৰ বাবে বা লগ দিবৰ বাবে সময় নাইকিয়া হৈছে। খৰচৰ অনুপাতে পৰিয়ালবোৰত আয়ৰ পৰিমাণ কমিছে। কাম কৰিবলৈ বিচাৰি নাপাই বৰ্তমান মহিলাসকলেও ৰাজ্যৰ বাহিৰত কোম্পানীৰ কাম কৰিবলৈ যাবলগা হৈছে। মহিলা কৃষকসকলে প্ৰকৃতিৰ ওপৰত নিৰ্ভৰ কৰি খেতি কৰে ফলত আবতৰীয়া বানপানী আৰু খৰাং বতৰে খেতি-বাতি নষ্ট কৰে। খাদ্য-বস্ত্ৰ-বাসস্থানৰ চিন্তা কৰিবলগা হোৱা মহিলাসকলৰ অন্য কথা ভাবিবলৈ সময়েই বা ক'ত। তদুপৰি যোৱা বছৰ নীপকোৱে পানী এৰি দিয়াৰ ফলত হোৱা বানপানীয়ে আমাৰ অঞ্চলটোৰ অৰ্থনৈতিক ভেটি দুৰ্বল কৰি থৈ গৈছে। ফলত আমাৰ সভা-সমিতিবোৰত মহিলাৰ উপস্থিতি হ্ৰাস পাই আহিছে। সেয়ে এইবাৰ নেনৰ ফালৰপৰা মহিলা কৃষকসকলক অৰ্থনৈতিকভাৱে স্বাৱলম্বী কৰিবলৈ পদক্ষেপ গ্ৰহণ কৰা হৈছে। অৰ্থনৈতিকভাৱে স্বাৱলম্বী হ'লেহে আমাৰ অধিকাৰ ৰক্ষাৰ যুঁজখন আৰু বেছি শক্তিশালী হৈ উঠিব। ❑

# নেন আৰু জীৱন বাটত অতীত বৰ্তমানৰ তিতা-মিঠা অভিজ্ঞতাৰে

**দিপালী বড়া, ওদালগুৰি**



সময়ে কাৰ জীৱনলৈ কেতিয়া কি কঢ়িয়াই আনে, ক'লৈ উটুৱাই লৈ যায় কোনেও ক'ব নোৱাৰে। ভবা নাছিলোঁ জীৱনটোলৈও যে এনেকুৱা কেতিয়াবা পৰিৱৰ্তন আহিব। দুৰ্বাৰ হেঁপাহ সৰুৰেপৰা কিবা এটা কৰি আত্মনিৰ্ভৰশীল হোৱাৰ।

একে বাৰে পিছপৰা এখন গ্ৰাম্য অঞ্চললৈ বিয়া হৈ আহিছিলোঁ। বিয়াৰ পিছত এটা গতানুগতিক জীৱন আৰম্ভ কৰিছিলোঁ। মাছ মৰা, পথাৰত ভুঁই ৰোৱা, ভাত ৰন্ধা এইবোৰেই আছিল মোৰ জীৱনৰ দৈনন্দিন কামৰ তালিকা।

অখিল গগৈৰ নেতৃত্বত ওদালগুৰিত নাৰী মুক্তি সংগ্ৰাম সমিতিৰ স্থানীয় গোট এটা গঠন কৰা হৈছিল। এই গোটৰ মই সম্পাদিকা আছিলোঁ। সদৌ অসম নাৰী মুক্তি সংগ্ৰাম সমিতিৰ কেন্দ্ৰীয় সম্পাদিকা আছিল যোৰহাটৰ মৃদুলা কলিতা। তেওঁৰ জৰিয়তে প্ৰথম নেনৰ সৈতে মোৰ যোগাযোগ হয়। লিংগ বৈষম্যৰ ওপৰত গুৱাহাটীত চাৰি দিনীয়া কৰ্মশালা এখন হয়। প্ৰথম দিনা মই যাব পৰা নাছিলোঁ। কাৰণ ঘৰত বাধা। তিৰী মানুহ গুৱাহাটীলৈ অকলে নাযায়। খাটাং কথা। ৰাতি মৃদুলাই ফোন কৰিছিল, বৌ নাহিল দেখোন, কাইলৈ যেনেতেনে আহক। অহা-যোৱা, থকা, খোৱা-লোৱা সকলোবোৰ এওঁলোকে বহন কৰিব। ৰাতিয়েই নিজৰ সিদ্ধান্ত নিজেই ল'লোঁ। মনটো ভাল লাগিল। অহা-যোৱা পইচাও দিব। খাবলৈও দিব। তাৰ মানে নিজৰ একো খৰচ নহয়। ভাল লগাৰ এইটোৱে কাৰণ আছিল। তেতিয়া ১০ টকা এটা খৰচ কৰিবলৈও মই অপাৰগ আছিলোঁ।

অময়া ৰাভা নামৰ ছোৱালীজনীৰ সৈতে ৰাতিপুৱা গুচি গ'লোঁ। দৰঙৰপৰা ফৰজিনা বেগম নামৰ মহিলা এগৰাকীও আমাৰ লগতে গ'ল। আমি তিমিওজনী একেলগে গুচি গ'লোঁ। সেয়াই আৰম্ভণি।

প্ৰথমে নেনে আমাক কাম দিছিল ভি চি ডি চিৰ চেয়াৰমেনক লগ কৰি সেই গাঁওখনত নিৰ্যাতিতা মহিলা আছেনে নাই এইবোৰ বুজ লোৱা। আৰু ইয়াৰে তথ্য আমি নেনক দিব লাগে। নেনে আমাক কিছুমান প্ৰ-পত্ৰ দিছিল আমি সেইবোৰ পূৰণ কৰি নিৰ্দিষ্ট সময়ত নেনক জমা দিব লাগে। পাৰিশ্ৰমিক আমাক কিবা এটা দিছিল। যান্ত্ৰিক যুগৰ আধুনিক আহিলা বুলি আমাৰ ঘৰখনত একোৱেই নাছিল। সেয়ে প্ৰথম দৰমহাৰে এখন চিলিং ফেন কিনিছিলোঁ। যিখন ফেনেৰে আজিও মোৰ পৰিয়ালে বতাহ লয়। গাঁওখনত মানে চুবুৰীটোত প্ৰথম ফেন কিনা মানুহ ময়েইআছিলোঁ। আমাৰ গাঁওখনৰ মানুহবোৰৰ এনেকুৱা অৱস্থা আছিল যে অহৰহ সংগ্ৰাম কৰিয়েই জীয়াই থাকিব লগা হৈছিল। সেইবোৰ স্মৃতি আজিও মোৰ মানস পটত সজীৱ হৈ আছে আৰু থাকিব।

কি যে অভং আছিলোঁ। নেনে হাতত ধৰি সকলো কাম শিকাইছে বুলি ক'ব পাৰোঁ। সৰু সৰু কিছুমান শিষ্টাচাৰৰ কথাও জনা নাছিলোঁ। এটা অনুষ্ঠান চলি থাকোঁতে বুট দিছিল খাবলৈ। বুট খাই বাকলিবোৰ কোঠাৰ মজিয়াতে পেলাইছিলোঁ। অনুৰীতা বাই কৈছিল, এইবোৰ ইয়াতে নেপেলায়, ইহঁতে বেয়া পাব নহয়। পৰিস্কাৰ কৰি বুটলি পেলোৱা। এনেকুৱা সৰু সুৰা কথা মনত আজিও পৰে। মনে মনে হাঁহোঁ।

এনেকৈয়ে লাহে লাহে নেনে তেওঁলোকৰ মাজেৰে আমাকো একোজন বুলি ধৰি ল'লে। আমাৰো কাম বাঢ়িল গাঁওখনত, অঞ্চলটোত। ঘৰখনৰপৰাও সম্পূৰ্ণ সমৰ্থন পালোঁ। আত্মনিৰ্ভৰশীল হ'বলৈ আৰু সমাজখনৰ কাৰণে কিবা এটা কৰিবলৈ সকাহ পালোঁ।

মোৰ এলেকাত থকা মহিলাসকলক সজাগ কৰি কিছুমান অন্ধবিশ্বাস, কু-সংস্কাৰৰ পৰা মুক্ত কৰিব পাৰিছোঁ। অন্যায়ৰ বিৰুদ্ধে মাত মতাৰ সাহস পাইছোঁ। চানেকি বয়ন প্ৰকল্পটোৰ জৰিয়তে বোৱা-কটাৰ পৰাও মহিলাখিনি যথেষ্ট উপকৃত হৈছে। পৰনির্ভৰশীল মহিলাই আজি নিজে দুপইচা হ'লেও উপাৰ্জন কৰিবলৈ সক্ষম হৈছে। গাঁৱৰ মহিলাসকলৰ ব্যস্ততা বাঢ়িছে। এটা চুবুৰীৰ লগত অন্য এটা চুবুৰীৰ ঘনিষ্ঠতা বাঢ়িছে য'ত আগতে অহা-যোৱাই নাছিল। বিয়া-সবাহ আদিতো অহা-যোৱা, খোৱা-বোৱা কৰা হ'ল। আগতে বিয়া-সবাহলৈ গ'লেও ভোজ-ভাত খোৱা হোৱা নাছিল। মহিলাৰ মাজত আন্তৰিকতাবোৰ ইমানেই বাঢ়ি আহিব ধৰিছে যে কেইদিনমান লগ নাপালে মহিলাখিনিয়ে নিজে আহি খবৰ লয়। বহুদিন লগ পোৱা নাই বুলি কয়। নেনৰপৰা কোনোবা আহিব নেকি বুলি সোধে।

যিদিনা নিজৰ প্ৰথম উপাৰ্জনেৰে আটাই কেইজনীয়ে লগ হৈ পৰিয়ালটোৰ কাৰণে বা নিজৰ কাৰণে বজাৰ কৰিম বুলি হাঁহি-মাতি ওলাই গৈছিল মই বৰ গৌৰৱ অনুভৱ কৰিছিলোঁ। একেথৰে সিহঁতলৈ চাই আছিলোঁ। সিহঁতে সদায় এনেকৈয়ে সুখী হৈ থাকক।

মোৰ জীৱনলৈও পৰিৱৰ্তন নাই অহা বুলি ক'লে ভুল হ'ব। গাঁৱৰ বোৱাৰী জীৱন সকলোৱে জানে। বৰজনাকক সেৱা কৰিব লাগে, ওৰণি ল'ব লাগে, ডাঙৰক হাত চুই বস্তু দিব নাপায়, বোৱাৰীয়ে চকীত বহিব নাপায়, গিৰিয়েকে নোখোৱালৈকে ভাত খাব নাপায়। মহিলাগৰাকীৰ ডাঙৰতকৈ আগত খোৱা হ'লে মাটিত এডাল আঁক টানি উঠি আহিব লাগে যাতে তেওঁৰ ভাত খোৱা চুৱাটো আনৰ গালৈ নাযায়। এই অন্ধবিশ্বাসবিলাকৰ পৰা ময়ো ব্যতিক্ৰম নাছিলোঁ। এই আৱেষ্টনীৰ পৰা মই সম্পূৰ্ণ ভাৱে ওলাই আহিলোঁ। ইয়াৰ মূল গুৰিতে আছিল নেন। কাৰণ আমাক নেনে যিবোৰ প্ৰশিক্ষণ দিছে তাৰপৰা আমি বহুত কিবা কিবি শিকিছোঁ। কিছু জ্ঞান আহৰণ কৰিছোঁ। কাৰণ আমাৰ প্ৰশিক্ষণবোৰ অকল গুৱাহাটীতে সীমাবদ্ধ নাৰাখি অসমৰ বিভিন্ন ঠাইৰ লগতে অসমৰ বাহিৰলৈও আমাক লৈ যোৱা হৈছিল শিকিবৰ বাবে, জানিবৰ বাবে। কিছুমান ভ্ৰান্ত ধাৰণা মচিমূৰ কৰি আমি যাতে সমাজখনক আগুৱাই নিব পাৰোঁ।

পোছাক-পাতিৰ কথা ক'বই নালাগে। এইটো মোৰ বাবে এক আমুল পৰিৱৰ্তন। আমি সৰুৰেপৰা শিকি আহিছিলোঁ বিয়াৰ পিছত মেখেলা-চাদৰ পিন্ধিব লাগে। চুৰিদাৰ, ফ্ৰক এইবোৰ কোনো কাৰণতে পিন্ধিব নাপায়। নেনৰ লগত জড়িত হৈ ভাবিলোঁ সময় সাপেক্ষে আমি যি কোনো কাপোৰ পিন্ধিব পাৰোঁ। অৱশ্যে নেনে আমাক কোনোদিন জোৰ কৰা নাই আমি কি পিন্ধিম বা কি নিপিন্ধিম।

কপালখন এসোপামান সেন্দুৰেৰে আঁকি-মেলি সদায় ওলাই যাওঁ। কিন্তু এতিয়া ভাবিছোঁ এসোপা সেন্দুৰেৰে দগমগীয়া হৈ ওলাই গ'লেই পুৰুষৰ আয়ুস নাবাঢ়ে। নহ'লে দেখোন সমাজত বিধৱা মহিলা নাথাকিলেইহেঁতেন। ঘৰ এখন সুন্দৰ আৰু শান্তিময় হয় নাৰী-পুৰুষৰ মাজৰ মৰম-চেনেহ আৰু ইজনে সিজনক কৰা সন্মানৰ দ্বাৰা, পুৰণিকলীয়া নাৰী-বিদ্বেষী নীতিসমূহৰ দ্বাৰা নহয়। নিজকে কিছুক্ষেত্ৰত ধন্য মানিছোঁ। ঘৰৰ চাৰিবেৰৰ মাজত আৱদ্ধ হৈ নাথাকি বাহিৰলৈ ওলাই যাব পাৰিছোঁ। নেনৰ এই অবদানে মোক সফলৰূপে পৰিৱৰ্তন কৰিছে বুলি মই ক'ব পাৰোঁ। ❑

# নেন আৰু মোৰ মনৰ কিছু কথা

অপৰ্ণা চুতীয়া, ধেমাজি



জীৱনত স্ব-নিৰ্ভৰশীল হ'বলৈ আৰু সাহসেৰে কথা ক'বলে আমি শিকিলোঁ নেনৰপৰা। কিছুমান মানুহৰ ভিতৰ আৰু বাহিৰৰ বহুত চৰিত্ৰ ভালকৈ বুজি পোৱা হ'লোঁ। নিজকে ডাঙৰ হোৱা যেন অনুভৱ হয়। পাহৰি যাওঁ দুখ লগা সেই সময়বোৰ। যেতিয়া পাৰিবাৰিক নিৰ্যাতনৰ বিষয়ে মানুহক সজাগ কৰিবলৈ ওলাই যাওঁ তেতিয়া পাহৰি থাকোঁ নিজৰ ঘৰৰ সমস্যাবোৰ। পাৰিবাৰিক নিৰ্যাতনৰ ওপৰত নেনৰ প্ৰচাৰ-পত্ৰখন মহিলাসকলৰ মাজত বিলাই দি মই দেখিছোঁ আমাৰ লগতে চুবুৰীৰ সদস্যাসকল আৰু সমাজৰ কিছুসংখ্যক মানুহ সলনি হৈছে। মহিলাসকলক বান্ধি ৰখা পুৰুষতন্ত্ৰৰ গাঁঠিবোৰ আমি এটা-এটাকৈ সোলকাবলৈ যত্ন কৰি আছোঁ আৰু কৰি যাম। ইয়াৰ ফল হিচাপে আমাৰ চুবুৰী সমিতিৰ সদস্যাক পঞ্চায়ত নিৰ্বাচনত ভাগ লোৱাব পাৰিছোঁ আৰু তেওঁক জয়ীও কৰালোঁ। এয়া হৈ উঠিছে একমাত্ৰ নেনৰ কামৰ ফলত। গাঁৱৰ সমাজত ওলাই গৈ দুটা কথা ক'ব পাৰিছে আমাৰ মহিলাই।

গাঁৱৰ মহিলাসকলৰ ওপৰত আমাৰ কামৰ প্ৰভাৱ অতি ইতিবাচক আৰু উৎসাহজনক। হাতীগড় চুবুৰী সমিতিৰ সদস্যা বৰ্ণালীয়ে প্ৰথমতে সভাবোৰলে ওলাই আহি কথাবোৰ ক'বলে অলপ লাজ কৰিছিল। প্ৰথম প্ৰশিক্ষণটো পোৱাৰ পাছত তাই স্ব-নিৰ্ভৰশীল হ'বলে শিকিলে। তাই নিজে এখন দোকান দিছে আৰু দোকানৰ বস্তু নিজেই গৈ টাউনৰ পৰা আনেগৈ। পুৰুষৰ সমানে তাই কাম কৰিব পৰা হ'ল একমাত্ৰ নেনৰ কাৰণে। ৰেখা বৰা শইকীয়াই ওচৰৰ মহিলাক লগত লৈ ধেমাজি খণ্ড উন্নয়ন কাৰ্যালয়লৈ গৈ PMAY ঘৰৰ অনিয়মৰ অভিযোগ দিব পাৰিছে। প্ৰতিটো ৱাৰ্ডৰ কমিটিত আমাৰ সদস্যা আছে। মহিলাসকলে নিজৰ অধিকাৰৰ কথাবোৰ জানিব পাৰিলে একমাত্ৰ মহিলা গাঁওসভা পতাৰ পাছৰ পৰা। আগতে কেতিয়াও মহিলা গাঁওসভা হোৱা নাছিল। নেনৰ উদ্যোগতে প্ৰথম আমাৰ অঞ্চলত মহিলাৰ গাঁওসভা পতা হ'ল। গাঁওসভাৰ দৰে পুৰুষে নিয়ন্ত্ৰণ কৰি থকা মঞ্চ এখনত মহিলাই নিজৰ সমস্যা সমূহৰ কথা ক'ব পৰাটো আমাৰ বাবে এক ডাঙৰ সফলতা।

ৰাস্তাত দেখিলে কেতিয়াবা মহিলাই কয়, 'অ' বাইদেউ আমাৰ মিটিং কেতিয়া হ'ব? আমাৰ বহুত কথা ক'বলে আছে।' তেতিয়া মনটো বৰ ভাল লাগে। কাম কৰি যোৱাৰ সাহস বাঢ়ে। কেতিয়াবা আমাক কয়, 'আমাক আপোনালোকৰ গুৱাহাটীৰ প্ৰশিক্ষণলৈ নিবচোন আমি আৰু কথা জানিব পাৰিম লগতে ঘৰখনৰপৰা অকণমান মুকলি মনে থাকিব পাৰিম...'। এইদৰেই নেনে আমাক এখন ঠাই দিছে য'ত আমি আমাৰ কথাবোৰ পাতিব পাৰোঁ, ঘৰৰ পৰা অকমান মুকলি মনেৰে ওলাই আহি নিজৰ কথা ভাবিব পাৰোঁ আৰু মানুহ হিচাপে নিজৰ গুৰুত্ব নিজে উপলব্ধি কৰিব পাৰোঁ।

বৰ্ণালী এবাৰ নাগালেণ্ডলৈ গৈছিল তাৰ মহিলা কৃষকসকলৰ কাম-কাজ চাবলৈ। নাগালেণ্ডৰ মহিলাখিনিয়ে খেতি কৰা দেখি আহি হাতীগড়ৰ মহিলাসকলক চুবুৰী সমিতিৰ বৈঠকত মহিলা সকলেও যে খেতি কৰিব পাৰে এই কথাবিলাক কয়। বৰ্ণালীৰ কথা শুনি নমিতাই তাইৰ বাৰীৰ এনেই থকা মাটিখিনিত গিৰিয়েকৰ দ্বাৰা কোৰ মৰাই লাই, পালেং, ধনীয়া আৰু বহুত ধৰণৰ শাকৰ খেতি কৰিছে। তাইৰ ঘৰৰ পৰাই মানুহে কিনি লৈ যায়।

প্ৰথম অৱস্থাত আমাৰ কাম কৰিবলৈ অলপ অসুবিধা হৈছিল। কাৰণ নেনৰ বিষয়ে মানুহবোৰে জনা নাছিল। এতিয়া কাম কৰিবলৈ বহুত ভাল লাগিছে। ইয়াৰ কাৰণ আমাৰ অঞ্চলৰপৰা নিৰ্বাচিত কেইগৰাকীমান মহিলাক নেনে দিয়া প্ৰশিক্ষণ। এই প্ৰশিক্ষণবোৰ পাই মহিলাসকল বিভিন্ন বিষয়ত পাৰদৰ্শী হৈ উঠিছে। সমাজখনত মহিলাসকল ঠন ধৰি উঠিছে। লগতে নেনজনী গাভৰু হৈছে। এতিয়া দুহাত মেলি আকাশখন চুবৰ মন যায়। চকুহাল মুদি নেনৰ সকলোলৈকে মনত পেলাই জীৱনৰ মাদকতা ল'বলৈ মন যায়। নেন যেন সদায় থাকে আমাৰ লগত ঠিক এইদৰেই। ❑

# নৰ্থ ইষ্ট নেটৱৰ্কৰ সৈতে মোৰ যাত্ৰাৰ কিছু কথা

জুনুমণি দাস, কামৰূপ



প্ৰত্যেক মানুহৰ জীৱনৰ প্ৰতিটো মুহূৰ্তই অভিজ্ঞতাৰে পূৰ্ণ। সৰু-বৰ সকলো কথাই আমাক কিবা নহয় কিবা শিকাই থৈ যায়। দৈনন্দিন জীৱনটো পাৰ কৰোঁতে মনে নিবিচৰা, মানিবই নোৱাৰা পৰিৱেশ বা পৰিস্থিতিত পৰিলেও আমি আমাক তাতেই মিলাই দিবলগীয়া হয়। আমাৰ সমাজত মহিলাৰ যি অৱস্থা, সেই পৰিস্থিতিত প্ৰায়বোৰ মহিলাই বিভিন্ন ধৰণৰ নিৰ্যাতনৰ বলি হয়। নিৰ্যাতন সহি সহি এসময়ত তেওঁলোক মানসিকভাৱে ভাগি পৰে। সেইসময়ত তেওঁলোকৰ প্ৰয়োজন হয় কাৰোবাৰ এষাৰ মৰমৰ মাত বা সঠিক পৰামৰ্শৰ।

মই যোৱা কেইবাবছৰো ধৰি নাৰীৰ ওপৰত ঘৰুৱা নিৰ্যাতন প্ৰতিৰোধ কৰিবলৈ নৰ্থ ইষ্ট নেটৱৰ্কৰ উদ্যোগত কামৰূপ জিলাৰ ২৬ নং সৰপাৰা গাঁও পঞ্চায়ত, কোচপাৰা পঞ্চায়ত আৰু নহিৰা গাঁও পঞ্চায়তৰ গাঁওবাসীৰ সহযোগত কিছুমান কাম কৰি আছোঁ। এইখিনি কৰিবলৈ যাওঁতে কিছুমানে বেয়া পায় কাৰণ মহিলাসকলক আমি বিভিন্ন আইনৰ জ্ঞান, আৰু লগতে নিৰ্যাতনত ভাৰাক্ৰান্ত হোৱা অৱস্থাৰ সন্মুখীন হ'বলৈ বা তাৰপৰা ওলাই আহিবলৈ মানসিক শক্তিৰ যোগান ধৰিছোঁ। তেওঁলোকৰ প্ৰাপ্য আদায় কৰিবলৈ একেলগে খোজ দিছোঁ। আজিকালি প্ৰায়বোৰ মহিলাই মুখ ফুটাই কথা কয়। তেওঁলোকৰ মাতষাৰত আমি হেনো শক্তি যোগান ধৰিছোঁ।

কিছুমান মহিলাই আমাক ভাল পায়। কাৰণ আমাৰ দৰে কাম কৰা মানুহৰ কাৰণে নিৰ্যাতনত ভুগি থকা মহিলাসকলৰ সুবিধা হৈছে। তেওঁলোক নিৰ্যাতন মুক্ত হৈছে, আইনসমূহৰ বিষয়ে জনা হৈছে, চৰকাৰী আঁচনিৰ সুবিধা গ্ৰহণ কৰিব পাৰিছে, আৰু লগতে মহিলাসকলেও নিজে ভাল-বেয়া বুজি পদক্ষেপ ল'ব পৰা হৈছে। মহিলাসকলে পঞ্চায়ত, ব্লক বা গাঁওসভাত গৈ মাত মাতিব পাৰিছে। কিন্তু ইয়াৰ পিছতো অতি দুখেৰে ক'ব লাগিব যে এগৰাকী নাৰীৰ স্থান আমাৰ সমাজত বহুত পিছপৰা। খেলাৰ পুতলা, হাতিয়াৰ, অইনৰ ঘৰৰ সম্পত্তি, ব্যৱহাৰৰ বস্তু, সম্ভোগৰ সামগ্ৰী আদি শব্দৰ পৰা ওলাই আহিবলৈ নাৰীসকল সমৰ্থ হোৱা নাই। যিজনী ছোৱালীক মাকে দহমাহ দহদিন পেটত লৈ জন্ম দিয়ে, ডাঙৰ কৰে সেইজনী ছোৱালীয়ে বিয়াৰ পিছত মাকক চাবলৈ যাবৰ বাবে অনুমতি নাপায়, ইচ্ছা কৰিলেও এটা মিঠাই কিনি খুৱাব নোৱাৰে। আমাৰ সমাজত এয়াই নাৰীৰ জীৱন।

মহিলাসকলে মানসিকভাৱে নিজকে শক্তিশালী কৰি নিজৰ প্ৰাপ্যৰ হকে মাত মাতিব পাৰিলেহে নিৰ্যাতনৰ পৰা মুক্ত হ'ব আৰু সেই মানসিক শক্তি যোগান ধৰাটোৱেই আমাৰ কাম। আমাৰ প্ৰাপ্য অধিকাৰ কাঢ়ি অনাৰ এই যুঁজ আৰু দৃঢ় হওক। ❑

# নেন আৰু মই

## লিলিমণি বৰা, গোলাঘাট



গোলাঘাট জিলাৰ মৰঙি মৌজাৰ দৈগ্ৰোঙৰ এটা সৰু পৰিয়ালত মোৰ জন্ম। মই নৱম শ্ৰেণীৰ পৰা টিউচন কৰিছিলোঁ। কিয়নো আমাৰ পৰিয়ালটি আৰ্থিকভাৱে অলপ দুৰ্বল আছিল। মোক মায়ে ৬ বছৰ বয়সৰপৰা সমন্ধীয় বৰমা এগৰাকীৰ ঘৰত ৰাখিছিল আৰু তেওঁলোকক মোৰ পঢ়াৰ দায়িত্ব ল'বলৈ অনুৰোধ জনাইছিল। আৰু মই তাৰপৰাই শিক্ষা আৰম্ভ কৰিলোঁ। কিন্তু নিজৰ ঘৰখনলৈ সদায় মনত পৰি থাকিল।

নৱম শ্ৰেণী পোৱাত মই ঘৰলৈ উভতি গ'লোঁ। ঘৰত থাকি পঢ়াশুনা কৰাৰ মাজতে মই নিজৰ খৰচ উলিয়াবলৈ টিউচন কৰিবলৈ ধৰিলোঁ আৰু তাৰপাছত ২০১০ চনত মেট্ৰিক পাচ কৰোঁ। কলেজত নামভৰ্তি কৰাৰ পাছত কলেজৰপৰা আহি টিউচন কৰোঁ, কলেজলৈ যোৱাৰ আগতো টিউচন কৰোঁ। কলেজৰপৰা আহি আন এখন গাঁৱলৈ পঢ়াবলৈ যাওঁ। আমাৰ গাঁৱৰ এচাম চকু চৰহাৰ চকু পৰিল মোৰ ওপৰত। মই নথকাত মা-দেউতা-দাদাহঁতক মোৰ কথা কয় "বোলোঁ ছোৱালী গাভৰু হ'ল, এনেকৈ সেন্দালি নেমেলিবি, কি ঠিক ক'ত কি কৰিছে। টিউচন কৰে নে বেলেগ কিবা কিবি কৰেগৈ। ছোৱালী মানুহ দৰা এটা চাই বিয়া পাতি দে। ল'ৰাৰ দৰে ঘুৰি ফুৰা বন্ধ হ'ব।"

মই সন্ধিয়া চাৰে ছয় মান বজাত টিউচনৰ পৰা ঘৰ সোমাওহি। ঘৰত সোমায়ে হুলস্থুল। মা, দেউতা, দাদাৰ প্ৰশ্ন — মোৰ অহাত কিয় পলম হ'ল ? মই উত্তৰ দিওঁ যদিও তেওঁলোকে কথাবোৰ মানি ল'বলৈ অমান্তি হয় আৰু মোৰ বাবে দৰা চোৱা আৰম্ভ কৰে। এনেতে আমাৰ গাঁৱৰ মুন বাইদেউৱে তেওঁৰ ঘৰলৈ মাতি পঠালে। মই অলপো পলম নকৰি বাইদেউৰ ঘৰ পালোঁগৈ। মুন বাইদেৱে মোক সুধিলে, এতিয়া বিয়া হোৱাৰ মন আছে নে তেওঁৰ লগত নেন নামৰ সংস্থাটোত কাম কৰাৰ মন আছে। মই অলপো পলম নকৰি সংস্থাটোত কাম কৰিম বুলি ক'লোঁ। কি কাম কৰিব লাগিব সোধাত ক'লে, প্ৰথমে গুৱাহাটীত এটা প্ৰশিক্ষণ ল'ব লাগিব। মই বাইদেউক মা-দেউতাক সুধিবলৈ ক'লোঁ। বাইদেৱে সোধাত তেওঁলোকে অনুমতি দিলে। কিন্তু তাৰ পাছত মোক গুৱাহাটীলৈ যাব নোৱাৰ বুলি বাধা দিলে। তেওঁলোকৰ যুক্তি হ'ল মই ছোৱালী মানুহ। মোৰ তেতিয়া নিজৰ ওচৰত প্ৰশ্ন — মই কিয় ছোৱালী হ'লোঁ, ছোৱালী কাৰণেই মই কিয় বিচৰা কামটো কৰিব নোৱাৰোঁ ? আমাৰ সমাজত ছোৱালীৰ একো মূল্য নাই নেকি ? মই বাৰে বাৰে মা-দেউতাক অনুৰোধ কৰি থাকিলোঁ আৰু জনালোঁ যে মই তেওঁলোকে লাজত পৰা কাম একো নকৰোঁ। কাতৰ অনুৰোধৰ পাছত তেওঁলোকে মোক বাইদেউৰ লগত গুৱাহাটীৰ প্ৰশিক্ষণলৈ যাবলৈ দিলে।

২০১৬ চন নে ২০১৭ চন মই পাহৰিছোঁ। গুৱাহাটী চহৰলৈ মোৰ প্ৰথম যাত্ৰা। প্ৰশিক্ষণত বহোঁ। প্ৰথমে নেনৰ অনুৰীতা বাইদেউৱে সকলোৰে লগত চিনাকি হয় আৰু লিংগ-বৈষম্য আৰু মহিলাৰ অধিকাৰৰ ওপৰত কয়। কথাবোৰ মই আগ্ৰহ আৰু মন দি শুনো। কিয়নো বাইদেউৱে মহিলাৰ অধিকাৰৰ কথা কৈছে। মই সেই কথাবোৰ শুনাৰপৰা নিজক সাহস অলপ দিব পাৰিলোঁ, কিয়নো এতিয়া মই নিজৰ অধিকাৰৰ কথা গম পালোঁ।

মই নেনত থাকি বহুত নতুন কথা শিকিব পাৰিছোঁ। বিশেষকৈ মহিলাৰ অধিকাৰ, পাৰিবাৰিক নিৰ্যাতন, লিংগ সমতা, আৰু আইন-কানুনৰ বিষয়ে জানি মই বহু উপকৃত হ'লোঁ। নেনৰ যোগে নিজক শুধৰাব পাৰিলোঁ। আগতে পুৰুষতান্ত্ৰিক মানসিকতা মোৰো আছিল। এতিয়া এনে মানসিকতা মোৰ নাইকীয়া হ'ল বুলি মই ভাবিছোঁ। এতিয়া মোৰ ঘৰখনৰ উপৰিও সমাজখনকো সমতা, আৰু অধিকাৰৰ কথা কওঁ। সঁচাকৈ মোৰ ঘৰখনে মোক বুজি পোৱা হৈছে। মোৰ মতামত লৈহে কিবা সিদ্ধান্ত ল'বলৈ ঘৰৰ পৰিয়াল আগবাঢ়ে। দাদা আৰু মোক মা-দেউতাই সমান চকুৰে চায়। ঘৰখনৰ এনে আচৰণ দেখি গাঁৱৰ মানুহবোৰো এতিয়া সলনি হোৱা দেখা পাইছোঁ। আমি যেনেদৰে চলা-ফুৰা কৰোঁ, ঠিক তেনেদৰে আমাৰ অঞ্চলৰ বহু ছোৱালীয়ে নিজে কিবা এটা কাম কৰাৰ আশা মনত লৈ ঘৰৰ বাহিৰ হৈছে। সঁচাকৈ নেনত থাকি মই মোৰ সপোন পূৰ কৰিব পাৰিছোঁ। নেনৰ সজাগতা সভাবোৰৰপৰা আমাৰ অঞ্চলৰ কিছু পৰিয়ালৰ পুৰুষতান্ত্ৰিক মানসিকতা নাইকীয়া হোৱা দেখা গৈছে। ❑

# নেনৰ সৈতে মোৰ দিনবোৰ

নিভা দাস, কামৰূপ



২০১৬ চনৰ চেপ্তেম্বৰ মাহৰ ১ তাৰিখে নেনৰ লগত জড়িত হৈছিলোঁ। নেনত কাম আৰম্ভ হোৱাৰ আগত Barefoot counselling ৰ প্ৰথম প্ৰশিক্ষণ ল'বলৈ গুৱাহাটীলৈ যোৱা হয়। ঘৰৰপৰা প্ৰথম গুৱাহাটীত ৰাতি থকাকে গৈছিলোঁ। মন বহুত খেলিমেলি। তাত গৈ বা কি পৰীক্ষা দিব লাগে তাকে ভাবি মনত বহুত ভয়। কিন্তু তালৈ যোৱাৰ পিছত গম পালোঁ কোনো পৰীক্ষা লোৱা নহয়। অন্য কিছুমান কথা শিকোৱাৰ বাবেহে আমাক তালৈ নিয়া হৈছে।

প্ৰথমতে আমি মহিলাৰ ওপৰত হোৱা নিৰ্যাতন ৰোধ কৰাৰ কাম কৰিবলৈ লওঁ, কিন্তু নিৰ্যাতন মানেনো কি মই ভালকৈ বুজিয়ে নাপাইছিলোঁ। লাহে লাহে নেনৰ প্ৰশিক্ষণবোৰৰপৰা কথাবোৰ বুজি পোৱা হ'লোঁ। Mind India -ত Barefoot Counselling-ৰ প্ৰশিক্ষণৰ সময়ত বুজি পালোঁ নিৰ্যাতনৰ ভুক্তভোগী মহিলা এগৰাকীৰ লগত কিদৰে কথা পাতিব লাগে, তেওঁৰ ভাগি যোৱা মনৰ অৱস্থা কেনেকৈ ভাল কৰিব লাগে। লগতে মহিলাৰ বাবে আৰু শিশুৰ বাবে থকা আইনসমূহৰ বিষয়েও জানিব পাৰিলোঁ। মোৰ তেতিয়া অনুভৱ হৈছিল যে মোৰ মা, মই -- আমিবোৰ সকলো আচলতে নিৰ্যাতনৰ বলি। প্ৰথমে মই নিজৰ মাজতে পৰিৱৰ্তন ঘটোৱাৰ চেষ্টা কৰিলোঁ। মুখ খুলি কথা কোৱা, কোনোবাই অন্যায় কৰিলে তাৰ বিৰুদ্ধে মাত মতা আদি।

মই সমাজৰ বাবে কাম কৰিম বুলি ঠিক কৰিলোঁ, নেনত বহুত নজনা কথা জানিলোঁ যাৰ ফলত মই নিজৰ লগতে ঘৰখনৰ পৰিৰ্বতন ঘটাব পাৰিলোঁ। মোৰ ঘৰত প্ৰথম দেউতা সলনি হ'ল তেখেতে মদ খোৱা বাদ দিলে আৰু মাক গালি নিদিয়া হ'ল। মানুহবোৰে মোৰ বিষয়ে প্ৰথমতে বেয়াকৈ আলোচনা কৰিছিল। কাৰণ ৰাতি থকাকে গুৱাহাটীলৈ যাওঁ, অকলে কামত ঘূৰি ফুৰোঁ। সময় যোৱাৰ লগে লগে মানুহবোৰে মোৰ কামক স্বীকৃতি দিলে। যিবোৰ মানুহে মোৰ দেউতাক নামাতে সেইবোৰ মানুহে এতিয়া মোক আগত মাত দিয়ে। লাহে লাহে আমাৰ ঘৰৰ পৰিৱেশ সলনি হ'ল। মই শিকা কথাবোৰ সকলোকে ক'বলৈ ধৰিলোঁ। আগতে পৰিয়ালৰ সকলো একেলগে বহা বা কথা পতা অভ্যাস নাছিল। বহু কথা দেউতাক ক'ব পৰা নাছিলোঁ। কিন্তু আজিকালি সকলো কথা আলোচনা কৰোঁ। মোক নোসোধাকৈ দেউতাহঁতেও একো সিদ্ধান্ত নলয়। নেনে মোৰ আত্মবিশ্বাস বঢ়োৱাত সহায় কৰিছে। পঢ়া-শুনাৰ ক্ষেত্ৰতো উৎসাহ দি আহিছে। নেনৰ কাৰণেই কাম কৰি থকাৰ পিছতো মই বি এ পঢ়িব পাৰিছোঁ। আগতে কিবা ভুল কৰাৰ সময়ত মা-দেউতাৰ সন্মানৰ কথা ভাবিছিলোঁ, এতিয়া নেনৰ সন্মানৰ কথা ভাবোঁ। নিজৰ মাজৰ বেয়াবোৰ আঁতৰাই ভালখিনি আদৰিবলৈ নেনে সদায় বাট দেখুৱাই আহিছে। ❑



# ‘সৃজনশীল লেখা’ কৰ্মশালাৰ গল্প আৰু কবিতা



# এৰি অহা দিনবোৰলৈ এভূমুকি

**দিপালী বড়া, ওদালগুৰি**

এক ৰঙীণ সপোন কলিতে মৰহি গ'ল। জীৱন বাটত কিমান ঘাত-প্ৰতিঘাতৰ সন্মুখীন হ'লোঁ। জীৱনটোক এক প্ৰত্যাহ্বান বুলিয়েই আগবাঢ়িলোঁ। ঘৰৰ কথামতে বিয়াত সন্মতি দিলোঁ আৰু অজানা অচিনা মানুহ এজনৰ সৈতে এখন নতুন ঘৰলৈ গুচি আহিলোঁ।

দৰিদ্ৰতাই পংগু কৰা সেই ঘৰখনত ভৰি দি কিমান যে কান্দিছিলোঁ। ভাগ্যক বিশ্বাস কৰিছিলোঁ। মোৰ ভাগ্যত হয়তো সেয়াই লিখা আছিল। আমাৰ ঘৰটো আছিল খেৰৰ এটা উৰুখা পঁজা। বৰষুণ দিলে এফালৰপৰা আনফাললৈ যাব লাগে। বিচনাখনো ইফালৰ পৰা সিফাললৈ টানি নিওঁ। ওৰে নিশা বৰষুণ দি থাকিলে আমাৰো উজাগৰী নিশা পাৰ হয়। নৱ-দম্পত্তি হ'লেও আৰম্ভণীৰ পৰাই তেওঁক গালি পৰিছিলোঁ। এটা পৰিপক্ক বয়স নাছিল বাবেই বহুত কিবাকিবি বিচাৰিছিলোঁ।

এটা কথাই ভাল লাগিছিল। গাঁওখনৰ মানুহবোৰ বৰ সহজ-সৰল আছিল। তেওঁলোকৰ মনত কোনো কৃত্ৰিমতা নাছিল। দ্ৰুতগতিত দৌৰা যান্ত্ৰিক যুগৰ পৃথিৱীখনৰ বিষয়েও তেওঁলোক আছিল একেবাৰে অনভিজ্ঞ। টকা-পইচা, ধন-সম্পত্তিৰে জীৱনটোক জুখিব নজনা এই মানুহবোৰ সঁচাকে চাগে সুখী আছিল। কেৱল মইহে সুখী নাছিলোঁ। মনটো মোৰ চটফটাই থাকিছিল। এই জীৱন যেন মোৰ নাছিল।

ফোনৰ যোগাযোগ নাছিল বাবেই বন্ধু-বান্ধৱীৰ লগতো কথাবোৰ ভগাই ল'ব নোৱাৰিছিলোঁ। মই অকলে অকলে জ্বলিপুৰি মৰিছিলোঁ খঙত, দুখত। কাক ক'ম কথাবোৰ, কোনো যেন নাছিল কাষত।

অতীত অবিহনে বৰ্তমানৰ অস্তিত্ব ক'ত? সেয়ে মাজে সময়ে অতীতে আমনি কৰিছিল। মাৰ ঘৰখনলৈ ঘূৰি যাবলৈ মনটো উত্ৰাৱল হৈ থাকিছিল। কিন্তু সেয়াটো সম্ভৱ নাছিল। নতুন ঘৰখনৰ সৈতে খাপ খাওঁতে মোৰ সময় লাগিছিল।

তেনেকৈয়ে দিনবোৰ গৈ আছিল। এটা ল'ৰা সন্তানৰ মাক হৈছিলোঁ। মোৰ সপোনবোৰ তাৰ ওপৰত জাপিব খুজিছিলোঁ। ভাবিছিলোঁ সি এদিন মোৰ অভাৱবোৰ পূৰণ কৰিব। সি সৰুৰেপৰাই বুজন আছিল। যিদিনাখন খাহী ছাগলীটো বিক্ৰী কৰি টিন আনি ঘৰটোত লগোৱা হৈছিল, ল'ৰাটোৱে কৈছিল 'মা— আজিৰপৰা যিমান বৰষুণ দিয়ে দি থাকক।'

সন্ধিয়াৰ তৰাভৰা আকাশখনলৈ চাই চাই ময়ো যেন হেৰোৱা বিশ্বাস ঘূৰাই পাইছিলোঁ। ❑

# সপোনৰ শেষত আন এক সপোন

**নিভা সন্দিকৈ, ধেমাজি**



সেইদিনা পুৱাৰেপৰা ধাৰাষাৰে বৰষুণ দি আছিল। বতৰ সেমেকা আছিল বাবে শুই উঠা পলম হৈছিল। ঘড়ীটোলৈ চাই দেখিলোঁ তেতিয়া ৮ বাজিছে। বতৰটোও যে নহয় আজিহে বেয়া হ'বলৈ পালে। ল'ৰা-লৰিকৈ উঠি গাটো ধুই কাপোৰ সাজ পিন্ধি ওলাই আহিলোঁ বাহিৰলৈ। বাৰান্দাৰপৰা দেখিলোঁ বৰষুণ কমাই নাই। কি কৰোঁ ভাবি ভিতৰলৈ সোমাই গৈ ৰেইনকোটটো পিন্ধি ল'লোঁ আৰু খৰ-ধৰকৈ ওলাই গ'লোঁ। ন বজাত তেওঁ মোৰ বাবে মন্দিৰত অপেক্ষা কৰাৰ কথা আছিল। বেয়া বতৰৰ বাবে গৈ পোৱাত কিছু পলম হোৱাৰ বাবে তেওঁৰ খং উঠিছিল। তেওঁৰ খং কমক বুলি মই মিচিকিয়াই হাঁহি মাত দিছিলোঁ। তেতিয়া তেওঁ অভিমান কৰি ঠেহ পাতি আছিল। অভিমান আৰু ঠেহ ভাঙিবৰ বাবেই মই হঠাতে বিয়াৰ প্ৰস্তাৱ দি দিলোঁ। তেওঁ বুজি পাই ক'লে, 'ক'বলৈ আৰু একো নাপালা?' ঠিক তেনেতে মন্দিৰৰ ঘণ্টা বাজিল । গোটেইখন ৰজনজনাই গ'ল আৰু আমি দুয়ো মন্দিৰৰ ভিতৰলৈ সোমাই গ'লোঁ সেৱা কৰিবলৈ।

চকুমেলি তাই অনুভৱ কৰিলে, ইমান পৰে এটা সপোনহে দেখি আছিল। তাই বিচনাখনত উঠি বহিল। ভালেই হ'ল সেয়া এটা সপোনহে আছিল। তাইৰ বাস্তৱ এতিয়া যেন এটা সাধুকথাহে। পঢ়া শেষ কৰি চাকৰিৰ পিছত ঘূৰি ঘূৰি তাই জীৱনৰ ৰঙীণ সময়বোৰৰ আধা পাৰ কৰি দিছিল। তাইৰ দেউতাক এজন নিষ্ঠাবান কৃষক। তেওঁৰ এখন সেউজীয়া পৃথিৱী আছে। এখন ঘৰ সজোৱাৰ দৰে, ভিন্ন ভিন্ন কোঠালিৰ দৰে, এটা পুখুৰী, এখন পথাৰ আৰু এখন বাৰীৰে সুসজ্জিত কৰি তুলিছে তেওঁ এই পৃথিৱী। দেউতাকৰ এটা সপোন আছিল। এই পৃথিৱীখন চিৰস্থায়ী কৰিবলৈ।

সেইকাৰণে দেউতাকৰ সপোনবোৰ ধৰি ৰাখিবলৈ তাই আগবাঢ়ি আহিল দেউতাকৰ কাষলৈ আৰু লাহে লাহে পুখুৰীত মাছৰ লগতে হাঁহো পালন কৰিবলৈ ল'লে। আৰু এনেকৈয়ে দেউতাকৰ সপোনবোৰ জোৰা লাগিব ধৰিলে; লাহে লাহে এধাৰি ফুলৰ মালাৰ দৰে এপাহি দুপাহি ফুলৰ গতিৰে। পুখুৰীৰ পাৰে পাৰে কিছুমান এৰা গছ লগাই দি মুগাও পালন কৰিবলৈ ধৰিলে। তাইৰ এই কামত অনুপ্ৰাণিত হৈ ঘৰৰ আনবোৰেও আগবাঢ়ি আহিল, দেউতাক আৰু তাইক সহযোগ কৰিবলৈ। নিজৰ ঘৰখন পোহপাল দিয়াৰ ওপৰিও গাঁৱৰ কেইবাটাও পৰিয়ালে তাইৰ ফাৰ্মত কাম কৰি জীৱিকা মোকলাই আছে। কেইবাজনী ছোৱালীক তাই আত্মনিৰ্ভৰশীল হ'বলৈ শিকাইছে। এতিয়া এই সকলোবোৰৰ সৈতে তাইৰ সুখৰ সংসাৰ। যাৰসৈতে এদিন ঘৰ কৰিম বুলি ভাবিছিল তেওঁ এতিয়া ক'ৰবাত। তাই মাজে মাজে ভাবে, হ'ব কোনো কথা নাই। জীৱনটো তাই নিজৰ মতে জীয়াই থাকিব পাৰিছে, নিজৰ ভৰিত থিয় দি। গাঁৱৰ দহজনে তাইক সন্মান কৰে। তাইক আৰু একো নালাগে। তথাপিও বুকুৰ ক'ৰবাত অকমান বিষ এটা কেতিয়াবা বাজে। উপায় নাই। তাই নিজকে বুজায়। এদিন নিশ্চয় আন কোনোবা এজন আহিব। আহিলে আহিব, নাহিলেও নাই। কথাটো ভাবি তাইৰ ওঁঠত মিচিকিয়া হাঁহি এটা ওলাই গ'ল। পুখুৰীৰপৰা হাঁহজাকে চিঞৰি উঠিল। তাই বিচনাৰ পৰা উঠিল। বহু কাম পৰি আছে। খিৰিকীখন খুলি তাই দেখিলে পুৱাৰ কোমল ৰ'দজাকে চোতালখন ৰঙাই তুলিছে। তাইৰ মনটো ভাল লাগি গ'ল। ❑

# বিষাদ

## ভনিতা কুমাৰ, ওদালগুৰি



বহুত আশাৰে আগবাঢ়ি গৈছিল শেৱালি। আশাৰে মানে প্ৰেমৰ আশা। প্ৰেম যে এক সুন্দৰ অনুভূতি যৌৱনত ভৰি দিয়েই শেৱালিয়ে অনুভৱ কৰিছিল। একে গাঁৱৰে যুৱক অপৰাহ্নক তাই হিয়া উজাৰি ভাল পাইছিল। লাহে লাহে তাইৰ মনত প্ৰশ্ন হৈছিল কেনে হ'ব অসীমলৈ বৈ গ'লে সিহঁতৰ মাজৰ প্ৰেমৰ নৈখন? কোনো চিন্তা নকৰাকৈয়ে হেৰাই গৈছিল তাই প্ৰেমৰ সোঁতত। অপৰাহ্নৰ দুচকুত তাই দেখিবলৈ পাইছিল ৰাতিপুৱাৰ ৰাঙলী সুৰুযৰ কিৰণ।

প্ৰেম হ'লে প্ৰতাৰণা থাকেই। এয়া সকলো প্ৰেমিক-প্ৰেমিকাৰ মাজত নহ'লেও কিছুমান দুৰ্ভগীয়াৰ মাজত দেখা যায়। শেৱালিৰ ক্ষেত্ৰতো ঠিক তেনেকুৱাই হৈছিল। তাই অপৰাহ্নৰ সান্নিধ্যলৈ যেতিয়া আহিল ছাবিশটা বসন্তৰ যৌৱনৰ মাদকতা কিমান মিঠা তেতিয়াহে বুজিলে। গতিকে তাইৰ আৰু কৌতুহল উপজিল তাৰ গভীৰতম হৃদয়ত সোমাই জীৱনৰ চূড়ান্ত মৰম বুটলি আনিবলৈ।

কিন্তু বিধিৰ কি বিধান। তাইচোন আকস্মিকভাৱে উজুটি খালে জীৱনৰ প্ৰথম প্ৰেমত। শেৱালিয়ে এদিন গম পালে তাই গৰ্ভধাৰণ কৰিছে। আঃ এতিয়া কি হ'ব, কাক ক'ব তাইৰ মনৰ কথাবোৰ খুলি। একমাত্ৰ মাককেই ক'ব লাগিব। সত্যক কেতিয়াও বেছি সময় ঢাকি ৰাখিব নোৱাৰি। কথাবোৰ ভাবিলেই তাই ধৈৰ্যহীন হৈ যায়। মাকক কোৱাৰ আগতে তাই কথাবোৰ অপৰাহ্নক ক'লে। সি তাইক নিজৰ কৰি ল'বলৈ অস্বীকাৰ কৰিলে। সি মানি ল'ব নোখোঁজে সিহঁতৰ প্ৰেমক। তাৰ কথা শুনি শব্দ হেৰাই গৈছিল তাইৰ। ইমান নিষ্ঠুৰ কেনেকৈ হ'ব পাৰে কোনোবা? এই অমানৱীয়তা আৰু মানসিক নিৰ্যাতন যে অসহ্যকৰ। তাই ভাবিলে যুগে যুগে নাৰীক কিয় ইমান অৱহেলা কৰে পুৰুষ প্ৰধান সমাজখনে। এই অৱহেলাৰ উত্তৰ নাৰীয়ে দিব পাৰিবনে? তাইৰ তীব্ৰ খং উঠিছিল যদিও সাহসেৰে আগবাঢ়ি গ'ল। ইমান দূৰ আগবাঢ়ি আৰু তাই পিছুৱাই যাব নোখোজে। মনটো ডাঠ কৰি তাই এটা সিদ্ধান্ত ল'লে। তাই সন্তানটো জন্ম দিব। তাই ঘৰতেই হ'ব অবিবাহিতা মাতৃ। সামাজিকভাৱে বিবাহো নকৰায়। তাই সকলোকে চিঞৰি চিঞৰি কৈ দিব যে তাইৰ সন্তানৰ কোনো পিতৃ পৰিচয়ৰ প্ৰয়োজন নাই। সাহস নথকা মানুহ এটাৰ পৰিচয়েৰে তাই নিজৰ সন্তানৰ পৰিচয় দিব নোখোজে।

তাই ভাবিলে সেয়া তেনেহ'লে অপৰাহ্নই তাইক প্ৰেমৰ ৰূপত ধৰ্ষণহে কৰিছিল নেকি? প্ৰেমৰ নামত সি বাৰু তাইক লুণ্ঠনহে কৰিলে নেকি? বহুতো কষ্ট আৰু অপমান এফলীয়া কৰি তাই সিদ্ধান্ত ল'লে যে তাইৰ তাৰ প্ৰতি থকা প্ৰেমৰ পৰিচয় দিব তাইৰ সেই নিষ্পাপ শিশুটিৰ জন্ম হ'বলৈ দি। আৰু সেই শিশু ডাঙৰ হ'ব মাকৰ পৰিচয়েৰে। পাৰিব, তাই নিশ্চয় পাৰিব। মাকেও তাইক সাহস দিছে। তাই পাৰিবই লাগিব। ❑



# শেৱালিৰ গল্প

**কবিতা চহৰীয়া, দৰং**



সিদিনা আছিল মংগলবাৰ। আমাৰ ঘৰৰপৰা প্ৰায় দুই কিলোমিটাৰমান আঁতৰত এখন সাপ্তাহিক বজাৰ বহে। বজাৰত নানা ধৰণৰ বস্তু বেচা-কিনা হয়। সেইদিনা ময়ো বজাৰলৈ বুলি ওলাই গৈছিলোঁ। মই সাধাৰণতে সৰুৰেপৰা অলপ ভয়াতুৰ আছিলোঁ। তথাপি বুকুত সাহস বান্ধি ওলাই গৈছিলোঁ। বজাৰত ওলোৱা বস্তুৰ দৰ-দামৰ মাজত মই নিজকে বিচাৰি চাব ধৰিলোঁ। মনতে ভাব হ'ল, মাইকী মানুহৰ জীৱনটোও বজাৰৰ বস্তুৰ দৰেই। দৰদাম কৰি কৰি এচামে যেন আমাক কিনা-বেচা কৰি আহিছে এনেদৰে। আৰু এইখন বজাৰতে মানুহৰ আৱেগ-অনুভূতিৰো বেচা-কিনা চলি আহিছে।

ক্ৰমে ক্ৰমে অপৰাহ্ন নামি আহিল। অলপ পিছতে সন্ধিয়া হ'ব। ময়ো বজাৰৰপৰা ঘৰলৈ বুলি খোজ ল'লোঁ। ঠিক সেই সময়তে মোৰ বহুদিনৰ বান্ধৱী এজনীক লগ পালোঁ। দুয়ো কথাপাতি থাকোঁতে কেতিয়া যে সন্ধিয়া নামি আহিল গমকে নাপালোঁ। ঘৰলৈ সোনকালে উভতি যাব লাগিব। দুয়ো দুয়োৰে পৰা বিদায় লৈ পুনৰ ঘৰমুৱা হ'লোঁ। আমাৰ ঘৰলৈ এছোৱা বাট নিজান। অকলে যাবলৈ ভয় লাগে। কোনে জানে কোনে বাটতে চোপ লৈ থাকে।

বাটত খোজ কাঢ়ি আহি থাকোঁতে বহুতো প্ৰশ্নই মোক আমনি দিলে। কিয় বাৰু নাৰীসকল সন্ধিয়া হোৱাৰ আগতেই ঘৰ সোমাব লাগে? বা কিয় ৰাতি ঘৰৰ বাহিৰলৈ ওলাব নোৱাৰে। আমাৰ প্ৰতিটো খোজতে বাধা কিয়? সৰুৰেপৰাই কেৱল অ'লৈ নাযাবি, ত'লৈ নাযাবি, ইটো নকৰিবি, সিটো নকৰিবি — এইবোৰ শুনি শুনিয়েই ডাঙৰ হ'লোঁ। কিন্তু দাদা-ভাইটিহঁতৰ ক্ষেত্ৰত কোনো বাধা-নিষেধ নাই। সিহঁতে ভুল কৰিলেও কোনো শাস্তি নাই। কিন্তু আমি আনে কৰা ভুলৰ শাস্তি পাই থাকোঁতেই যায়।

ভাবি ভাবি মই খৰকৈ খোজ দিবলৈ ধৰিলোঁ। তেনেতে দূৰৰপৰা এটা শব্দ ভাহি আহি মোৰ কাণত পৰিল। শব্দটোৰ উৎস বিচাৰি মই ইফালে সিফালে চালোঁ। দেখিলোঁ যে এজন ল'ৰাই এজনী ছোৱালীৰ হাতত ধৰি টনা-আঁজোৰা কৰি আছে। মই ল'ৰালৰিকৈ সেইপিনে আগুৱাই গৈ সিহঁতক মাত দিলোঁ আৰু তেনে কৰাৰ কাৰণ সুধিলোঁ। ল'ৰাটোৱে ক'লে যে সি হেনো সেই ছোৱালীজনীৰ লগত বহুদিনৰে পৰা প্ৰেম কৰি আছিল। আৰু তাই বিয়া হ'ম বুলিও প্ৰতিশ্ৰুতি দিছিল। কিন্তু তাই সেই প্ৰতিশ্ৰুতি অসাৰ কৰি তাক প্ৰতাৰণা কৰিলে। সেইকাৰণে সি তাইক জোৰ কৰি হ'লেও লৈ যাব।


ছোৱালীজনীৰ নাম শেৱালি। তাই কলেজত পঢ়ি আছে। দেউতাকৰ অৰ্থনৈতিক অৱস্থা বৰ ভাল নহয়। তাই গাঁৱৰে ল'ৰাছোৱালী পঢ়ুৱাই নিজৰ খৰচ উলিয়ায়। শেৱালিক মই সুধিলোঁ, 'কথাবোৰ সঁচানে বাৰু?' তাই ক'লে, 'বাইদেউ, মই তাক ভাল পাওঁ সঁচা আৰু বিয়া হ'ম বুলি প্ৰতিশ্ৰুতি দিয়াটোও সঁচা। কিন্তু বাইদেউ মই তালৈ বিয়া হ'ব নোৱাৰোঁ।'

তাই বিয়া হ'ব নোৱাৰাৰ কাৰণ সোধাত শেৱালিয়ে ক'লে দৰাঘৰে মুখখুলি নক'লেও যৌতুক বিচাৰিছে। ল'ৰাক হেনো বাইক এখন দিব লাগে, লগতে আৰু বহুত কিবাকিবি। দিন হাজিৰা কৰা দেউতাকে তাইক এগালমান যৌতুক দি বিয়া দিব নোৱাৰে। তাই ঘৰখনক বিপদত পেলাই ক'লৈকো যাব নোৱাৰে। তাই পঢ়ি-শুনি কিবা এটা কৰি বাপেকক সহায় কৰিব খোজে, লগতে নিজৰ ভৱিষ্যত নিজে থিয় দি জীৱনৰ সিদ্ধান্ত নিজে ল'ব খোজে। সেয়ে তাই তাৰ লগত বিয়া নহয়। তাই যৌতুকৰ বিৰুদ্ধে যুঁজ দিব বিচাৰে।

শেৱালিৰ কথা শুনি মোৰ খুব ভাল লাগিল। মই এইবাৰ ল'ৰাটোৰ মুখলৈ চালোঁ। লাজত তাৰ মুখখন ক'লা

পৰিছে। এইবাৰ আমি দুয়োজনীয়ে তাক সুধিলোঁ তাৰ ক'বলগীয়া কি? অলপপৰ মনে মনে থাকি সি ক'লে, শেৱালিয়ে যেনেকৈ বিচাৰে তেনেকৈয়ে হ'ব। সি দেউতাকক বুজাব। যৌতুক নলয় বুলি সি স্পষ্টকৈ ঘৰত কৈ দিব। শেৱালিয়ে পঢ়া শেষ কৰক। তাৰপিছত দুয়োটাই কাম কৰি সংসাৰ চলাব।

এইবাৰ শেৱালিৰ মুখত হাঁহি বিৰিঙিল। ল'ৰাটোৱেও তাইক ক্ষমা খুজিলে। দুয়োটাই মোৰপৰা বিদায় লৈ পোণ বাটটোৱেদি আগবাঢ়ি গ'ল। মই দুয়োটালৈ চাই ৰ'লোঁ। এৰা, অকমান সাহস থাকিলে পুৰণিকলীয়া ৰীতি-নীতিবোৰৰ বিৰুদ্ধে যুঁজিব পাৰি। আমাৰ জীৱন বজাৰৰ বস্তু নহয় যে তাৰ দৰ-দাম চলি থাকিব । মোৰ মনটো বৰ মুকলি মুকলি লাগিল। ক্ৰমে আন্ধাৰ হৈ আহিল। আজি আৰু এই আন্ধাৰ জাকলৈ মোৰ ভয় নাই। এই আন্ধাৰবোৰ শেৱালিহঁতৰ নিচিনা ছোৱালীবোৰে আঁতৰাই ৰাখিব। মই খুব দৃঢ়তাৰে খোজ ল'লোঁ। ❑



ছবি - প্ৰিয়ঙ্কা ডেকা

# এজনী অসহায় ছোৱালী

ভানু চহৰীয়া, ওদালগুৰি



সেইদিনা আছিল কিনকিনিয়া বৰষুণ। আকাশখন ক'লা মেঘে আবৰি আছিল। পৃথিৱীলৈ নামি আহিল ঘোৰ অন্ধকাৰ। সকলো নিদ্ৰাদেৱীৰ কোলাত শুই পৰিছে। হঠাৎ এন্ধাৰৰ ফাকেৰে ভাহি আহিল কোনোবা নাৰীৰ হিয়া ভগা কান্দোন। দুখৰ বিননি শুনি মোৰো হিয়াখন কঁপি উঠিল। চাকিটো হাতত লৈ তাইৰ ফালে আগবাঢ়িলোঁ। তাইৰ দুচকু অসহায় । শুনিবলৈ হেঁপাহ জাগিল তাইৰ অতীত জীৱনৰ কৰুণ কাহিনী। উভতি গ'ল তাই অতীত জীৱনলৈ।

এটি দুখীয়া পৰিয়ালত তাইৰ জন্ম হৈছিল। তাইৰ দেউতাক এজন খেতিয়ক। খেতি কৰিয়েই জীৱিকা নিৰ্বাহ কৰিছিল। গাঁৱতে থকা প্ৰাইমাৰী স্কুলতে এই শিক্ষা জীৱনৰ পাতনি মেলিছিল। কিন্তু উচ্চতৰ মাধ্যমিক পৰীক্ষা পাছ কৰিয়েই শিক্ষা জীৱনটো সামৰণি মাৰিব লগা হৈছিল। তাইৰ সপোন আছিল উচ্চশিক্ষা লৈ স্বাৱলম্বী হ'ব আৰু ঘৰখনৰ সৰু-সুৰা অভাৱ পুৰণ কৰিব। হাইস্কুলত পঢ়ি থাকোঁতে তাই এজন ল'ৰাৰ প্ৰেমত পৰিছিল। কিন্তু সেই সময়ত লাজ আৰু ভয়ে তাইক বাধা দিছিল। তাইৰ সপোনবোৰ সপোন হৈয়ে ৰ'ল। তাই কল্পনা কৰিছিল এখন সুখৰ সংসাৰ কৰাৰ।

পিছে সেয়াও সম্ভৱ নহ'ল। মাক-দেউতাক ঢুকোৱাৰ পিছত তাই যেন তেনেই অকলশৰীয়া হ'ল। বায়েক ককায়েক বিয়া বাৰু হৈ নিজৰ সংসাৰক লৈ ব্যস্ত। তাইৰ লগত কথা পাতিবলৈ, এষাৰ মৰমৰ মাত দিবলৈ কাৰো সময় নাই। দিনৰ পোহৰো যেন তাইৰ কাৰণে এন্ধাৰ হ'ল। তেতিয়াৰ পৰাই তাই দুখৰ বোজাটো মূৰত লৈ ফুৰিছে। কাক দিব তাইৰ দুখৰ বোজাটো। কোনে শুনিব তাইৰ হিয়াৰ কান্দোন। সকলো থাকিও যেন আজি একো নাই। সঁচাকৈয়ে তাই দুৰ্বল নাৰী নেকি? তাইৰ দুখবোৰ ভগাই ল'বলৈ কোনো নাই, সুখখিনিও ভগাই ল'বলৈ কোনো নাই। তাই বিচাৰি ফুৰিছিল সাহস আৰু জীয়াই থকাৰ প্ৰেৰণা। এই দুৰ্বলতাৰ সুযোগ লৈ সমাজৰ এচাম লোকে তাইক লৈ খেলা কৰিব খোজে। কিন্তু তাই অকলে পাৰিব জানো যুঁজিব? তাই জানে জীয়াই থাকিবলৈ টকা-পইচা, ধন-সম্পত্তি আৰু ৰূপ-যৌৱনতকৈ সাহসৰ বেছি প্ৰয়োজন।

মোক দেখি তাই হাতেৰে স্বৰ্গখন ঢুকি পোৱা যেন পালে। তাই দুৰ্বল নহয়। তাই ভাবে মানৱতা বোলা বস্তুটো বাৰু ক'ত হেৰাল? কোনেও কাকো নুবুজে, কোনেও কাকো চিনি নপায়। নিজৰ স্বাৰ্থৰ কাৰণে যিকোনো কাম কৰিব পাৰে। তাই এবাৰ হ'লেও যুঁজিব, কাৰণ তাই হাৰি গ'লে তাইৰ দৰে অসহায় নাৰী আৰু বহুত জন্ম হ'ব আৰু সমাজখনক এনেকৈ ধ্বংস হ'বলৈ দিব নোৱাৰি। তাই অন্ধকাৰ পৃথিৱীখনত পোহৰ বিলাব। ঠিক সময়তে এটি ভোমোৰাই তাইক জগাই দিলে। পূব আকাশত ক'লা ডাৱৰৰ ফাকেৰে ৰঙা বেলিটিয়েও তাইৰ ফালে চাই হাঁহিলে।❑

# পোনাকণ

ইন্দুপ্ৰভা বড়া, ওদালগুৰি



সেইদিনা দোকমোকালিতে মোৰ টোপনি ভাগিল। সপোনত মোৰ পোনাকণ, তুমি আহিছিলা। চকু মোহাৰি খিৰিকিখন খুলি চালোঁ, তোমাক দেখা পাওঁ বুলি।

সেই সময়ত চোতালৰ সন্মুখতে থকা শেৱালি জোপাৰ তলত ফুলবোৰ নিয়ৰত তিতি আছিল। বকুলীৰ কণমানিজনীয়ে খৰাহীত এটি এটিকৈ ফুলবোৰ বুটলি আছিল। শেৱালিৰ গোন্ধে আমোলমোলাই আছিল। কুঁৱলীৰ ফাকেৰে বেলিটিয়েও ভূমুকি মাৰিছিল। তোমাক দেখা পাম বুলি মনটো ইমান ভাল লাগিছিল। মনটো অতীতলৈ উৰা মাৰিছিল।

তুমি যে মোক সান্ত্বনা দিছিলা পোনা, যিদিনা তোমাৰ দেউতাই তোমাক আৰু মোক এই সংসাৰত অকলে এৰি থৈ গুচি গৈছিল। আমাৰ দেশৰ ভয়ংকৰ দিন আছিল সেইবোৰ। তোমাৰ দেউতাৰাই আন্দোলনৰ কামত দিন-ৰাতি একাকাৰ কৰি আছিল। তেওঁ কৈছিল এদিন সঁচাকৈয়ে মানুহৰ মুক্তি হ'ব। মানুহে এখন সমতাৰ পৃথিৱীত সকলো অধিকাৰেৰে জীয়াই থাকিব পাৰিব। আৰু সেই মুক্তিৰ বাবেই তেওঁ কাম কৰি আছে। তেওঁ বেছিভাগ দিন ঘৰত নাথাকিছিলেই। গাঁৱে গাঁৱে সভা পাতি ঘূৰি ফুৰিছিল মানুহটো। এনেকুৱা এখন সভাতে মই তেওঁক লগ পাইছিলোঁ। আৰু তাৰপিছতে তেওঁৰ ওচৰলৈ গুচি আহিছিলোঁ। তেওঁ দেখা সপোনটো ময়ো দেখিবলৈ লৈছিলোঁ পোনা। তাৰপিছতে আমাৰ জীৱনলৈ তুমি আহিছিলা। পিছে পোনা, তেওঁৰ কামেই যে তেওঁৰ বাবে কাল হ'ল। কেনি গুচি গ'ল তেওঁ, মই গমেই নাপালোঁ। তুমি যে কৈছিলা, 'মা, তুমি নাকান্দিবা মই দেউতাক বিচাৰি আনিম।' পোনা, সঁচাই তুমি দেউতাৰাক বিচাৰি গৈছা নেকি?

তুমি কিয় অকলে গ'লা? মই জানো তোমাৰ লগত যাব নোৱাৰিলোঁহেঁতেন? পোনা তুমি কিয় এবাৰো নাভাবিলা মই কাৰ লগত থাকিম? তুমি সোনকালে ঘূৰি আহিবা বুলি জ্বলাই থৈ দিয়া চাকিগছি নুমুৱাই নাই। বহু ৰাতিলৈকে তোমালৈ বাট চাই থাকিলোঁ। তুমি যে সপোনত আহিছা দিঠকত আহিব নোৱাৰা নেকি? দেউতাৰাক জানো লগ পাইছা? আৰু কিমানদিন পোনা? মোক এৰি কিমান দিন থাকিবা? দিন, মাহ, বছৰ? মই তোমালৈ বাট চাই চাই ভাগৰি পৰিছোঁ। বহুদিন বিনিদ্ৰ ৰজনী কটাইছোঁ। বিছনাৰপৰা উঠিয়েই দৌৰা-দৌৰিকৈ ওলাই যাওঁ, জানোচা তোমাক দেখা পাওঁ। তুমিও দেউতাৰাৰ পথেদিয়েই গুচি গ'লা নেকি? নতুন সমাজ এখনৰ সপোন লৈ? সপোনত তোমাক দেখা পোৱাৰ পিছত টোপনি ভাগে আৰু তেতিয়াই সপোনত দেখা কথাবোৰ মনৰ মাজতে পাগুলিয়াই থাকোঁ। পোনা, তোমাৰ অবিহনে মই জীয়াই থাকিব পাৰিম বুলি তুমি ভাবিলা কেনেকৈ? তুমি জানানে? তোমাৰ স্কুললৈ যোৱা কাপোৰযোৰ লৈ ৯ বজাৰ লগে লগে খেলি থকা ল'ৰাবোৰৰ মাজত তোমাক বিচাৰি ফুৰোঁ। তুমি তাতো নাথাকা। দৌৰা-দৌৰিকৈ আকৌ স্কুললৈ গৈ থকা ল'ৰা-ছোৱালীৰ মাজত বিচাৰি যাওঁ। পোনা তুমি ক'ত আছা বাৰু? খেল পথাৰতো নাই, স্কুললৈও যোৱা নাই? মই তোমাক বহুদিন বিচাৰিলোঁ। তুমি মোক দেখা নিদিয়া কিয় পোনা? তোমাৰ ইমান অভিমান দেখি মই হতাশ হৈ পৰিছোঁ। যেনিয়ে চাওঁ, তোমাকে দেখা পাওঁ। সপোনত আহি তুমি মোক বহু সান্ত্বনা দিয়া, তোমাক এৰি মই এখন্তেকো থাকিব নোৱাৰো বুলি। তুমি য'তেই নাথাকা কিয় মোক ধৰা দিয়া, মোক দেখা দিয়া পোনা, মই তোমাক এতিয়াও বুকুৰ মাজত জীয়াই ৰাখিছোঁ। তুমি দেউতাৰাৰ দৰে নঠগাবা, ঘূৰি আহা, মই তোমালৈ বাট চাই আছোঁ। পোনা তুমি সপোনত নহয় দিঠকত আহা। ❑

# মোৰ মৰমৰ বান্ধৱী

**কৰবী নাথ, দৰং**



শেষত এদিন মাক-দেউতাক সকলোকে এৰি তাই গুচি আহিল তাইৰ মৰমৰ মানুহটোৰ কাষলৈ। সকলো ত্যাগ কৰিলে তাৰ কাৰণে। তাইৰ বহুত সপোন আছিল তাক লৈ। কিমান যে ভাল পাইছিল মানুহটোক। সেই ভালপোৱাৰ জোৱাৰত তাই উটি গ'ল। এতিয়া পিছলৈ উভতি চাই তাই নিজকে সোধে, তাই জানো সুখী? তাই বিচৰাবোৰ মানুহটোৰপৰা পালে জানো? মানুহটোৱে বাৰু তাইক সঁচা অন্তৰেৰে ভাল পাইছিল নে? নে ভালপোৱাৰ অভিনয় কৰি তাইক পলুৱাই আনিছিল?

নানান প্ৰশ্নই তাইক আবৰি ধৰিছিল। জীৱনটো ঠিক কোনফালে যাব ধৰিছিল তাই লাহে লাহে ধৰিব নোৱৰা হৈ পৰিছিল। তাই মোৰ প্ৰিয় বান্ধৱী। পঢ়াত বহু ভাল আছিল। মেট্ৰিক, হায়াৰ ছেকেণ্ডাৰীত ভাল ৰিজাল্ট কৰি পাছ কৰিছিল। তেতিয়াই তাই জীৱনত প্ৰথমবাৰৰ কাৰণে প্ৰেমত পৰিছিল মানুহটোৰ। ঘৰৰ মানুহে তাইক নাৰ্চৰ ট্ৰেইনিঙলৈ পঠাইছিল। ভাবিছিল ভাল নাৰ্চ এগৰাকী হৈ ৰাইজৰ সেৱা কৰিব। পিছে ঘৰৰ মানুহক ফাঁকি দি এদিন তাই ট্ৰেইনিঙৰ পৰা মানুহটোৰ লগত পলাই আহিল, এখন সোণৰ সংসাৰ গঢ়িবলৈ। প্ৰথমতে সকলো ঠিকেই আছিল। কেইবছৰমানৰ পিছত সকলো ওলট-পালট হৈ গ'ল। লাহে লাহে তাইৰ ওপৰত নিৰ্যাতন আৰম্ভ হ'ল। সদায় মদ খাই গিৰিয়েকে আহি মাৰধৰ কৰে। শাহু আৰু ভাই শহুৰেক সকলোৱে তাইক মৰম কৰে। কিন্তু গিৰিয়েকটো যেন সম্পূৰ্ণ সলনি হৈ গ'ল। তাৰ মাজতে সিহঁতৰ মাজলৈ এটা ল'ৰা সন্তান আহিল। লগতে তাইৰ ওপৰত নিৰ্যাতনো বাঢ়ি আহিল। প্ৰথমে গালি-শপনি, তাৰ পিছত মাৰ-পিট। কোনো কাৰণ নোহোৱাকৈ প্ৰতিদিনে অত্যাচাৰ চলিল। তাইৰ চলন-ফুৰণ, মানুহৰ সৈতে মিলা-মিচা সকলো গিৰিয়েকে বন্ধ কৰি দিলে। তেনেকৈয়ে এদিন সিহঁতৰ দ্বিতীয় ল'ৰাটোৰো জন্ম হ'ল। দুয়োটা পঢ়াত বেচ ভাল। ডাঙৰ ল'ৰাটোৱে বিজ্ঞান বিভাগত সুখ্যাতিৰে পাছ কৰিলে। কিন্তু অত্যন্ত দুখ আৰু লাজৰ কথা যে গিৰিয়েকে ল'ৰা দুটাক কোনো গুৰুত্ব নিদিয়ে। সিহঁতৰ সন্মুখতে তাইক সদায় ৰাতি মাৰধৰ কৰে। গিৰিয়েকৰ বহুত তিৰোতাৰ লগতো সম্পৰ্ক। ৰাতিপুৱা ৯ বজাত কামলৈ গৈ ৰাতি ১ বজাত ঘৰ আহি পায়। আজি বহুত দিন ধৰি সিহঁতৰ মাজত মাতবোল নাই। কোনো শাৰীৰিক সম্পৰ্ক নাই। কি কৰিব তাই? মাকৰ ঘৰলৈ যোৱা তাইৰ বন্ধ। বাই-ভনীৰ লগতো কোনো সম্পৰ্ক নাই। আগতে কেতিয়াবা ফোন কৰি সকলোৰে লগত কথা পাতিছিল। দুখবোৰ কিছু পৰিমাণে পাতল কৰিব পাৰিছিল। মাজে সময়ে মোৰ লগতো দুখবোৰৰ কথা পাতিছিল। গিৰিয়েক ইমান নিষ্ঠুৰ যে তাই কাৰো লগত কথাও পাতিব নোৱাৰে। গুৱাহাটীৰপৰা ডাঙৰ ল'ৰাজন আহিলে তাই মোৰ লগত কথা পাতে, তাৰ ফোনটো লৈ নাইবা ওচৰৰ কাৰোবাৰ তাত গৈ আনৰ ফোনৰপৰা মোৰ লগত কথা পাতে, কান্দে। মই বহুত বুজাওঁ। কিন্তু তাইৰ দুখ বাঢ়িহে যায়।

মই তাইক বহুত দিন গ্ৰামীণ মহিলা কেন্দ্ৰলৈ অহাৰ কথা কৈছোঁ। এই কেন্দ্ৰই ঘৰুৱা নিৰ্যাতনৰ বলি হোৱা মহিলাসকলক সহায় কৰি আহিছে। কিন্তু তাই গিৰিয়েকক ইমান ভয় কৰে যে ঘৰৰপৰা ওলাবলৈ সাহস কৰিব নোৱাৰে। ল'ৰা দুটাৰ ভৱিষ্যত চিন্তা কৰি মৰিবও নোৱাৰে। কিমান যে দুখ কষ্টৰ মাজেৰে তাই জীয়াই আছে। মই সদায় ভগৱানৰ ওচৰত প্ৰাৰ্থনা কৰোঁ তাইক যেন জীয়াই থাকিবলৈ শক্তি দিয়ে। তাই জানো সঁচাকৈ কেতিয়াবা সুখ পাব? আচলতে সেই মানুহটোক বিয়া কৰোৱাটোৱেই তাইৰ ভুল আছিল নেকি? কি হ'ব নাজানো, এনেকৈ তাই আৰু কিমান দিন জীয়াই থাকিব। কেতিয়া তাইক গিৰিয়েকে বুজি পাব। তাইৰ কাৰণে কিবা এটা সহায় কৰিব বিচাৰিও যেন মই সফল হ'ব পৰা নাই। নাজানো মোৰ ভুল ক'তহৈ আছে। আমাৰ সমাজখন কেতিয়া সলনি হ'ব, কেতিয়া এজনী মহিলাই সন্মানেৰে জীয়াই থাকিব পাৰিব? ভাবি থাকিলে মনটো গধুৰ হৈ যায়। আমি সকলোৱেই ক'ৰবাত নহয় ক'ৰবাত নিৰ্যাতিত। এই নিৰ্যাতনৰ অন্ত ক'ত? ❑

# একাকীত্ব

প্ৰণামী শৰ্মা



অফিচৰ ঘড়ীটোৱে পাঁচ বজাৰ সংকেত দিলে। কাম সামৰিব হ'ল বৈষ্ণৱীৰ। ঢেৰ কাম আছিল আজি তাইৰ। এসপ্তাহৰ মূৰত অফিচলৈ আহি যেন কামবোৰ আকৌ আৰম্ভণিৰ পৰা কৰিছে। কিবাকে কাম সামৰি ৫.৩০ বজাত ওলালে তাই। এতিয়াহে অকণমান মুকলি লাগিছে। এই বতাহজাক তাইৰ বৰ প্ৰিয়। বাছষ্টপেজলৈ খোজ ল'লে তাই ক্ষীপ্ৰ গতিৰে। নহ'লে ঘৰ গৈ পায় মানে আঠটা বাজিব। তাতে আকৌ ট্ৰেফিক জাম আছেই।

"পাঞ্জাবাৰী, পাঞ্জাবাৰী,"! বাচ এখন আহি ৰ'লহি।

আঠ নম্বৰ দেখিয়ে তাই উঠি দিলে। বহিবলৈ জেগা আছেনে নাচালেই। পিছে ভাগ্য ভাল আজি। পছন্দৰ ঠাইকণ পাই বৰ ভাল পালে তাই। এতিয়া কাণত হেডফোন লগাই গান শুনাৰ সময়। এই সময়খিনি তাইৰ একান্ত নিজৰ। কেতিয়াবা তাই ভাবে এনেকৈ গৈ থাকক বাছখন, ক'তো নোৰোৱাকে। হঠাতে ফোনটো বাজি উঠিল। মোবাইলৰ স্ক্ৰিনত "মা কলিং"। কিমান যে চিন্তা মাকৰ তাইক লৈ। তাতে তাইৰ গাটো সিমান এটা ভাল নহয়। তাইৰ সৰু অপাৰেচনটো হৈ যোৱাৰ আজি দহ দিন হ'ল। সেইকাৰণে মাকৰ চিন্তা বেছি হৈছে। ঘৰলৈ গৈ ভালকৈ কথা পাতিম বুলি কৈ বৈষ্ণৱীয়ে ফোনটো থৈ দিলে। তাইৰ সন্মুখৰ চিটটোত অকণমানি কেঁচুৱা এটা। তাইৰ ফালে মৰম লগাকৈ চাই হাঁহি আছে। গালদুখন চুই মৰম কৰিবলৈ তাইৰ বৰ মন গ'ল। মাকজনীৰ মুখলৈ চালে তাই। মাতৃত্বৰ গৌৰৱ তেওঁৰ মুখত উজলি উঠিছে। আস! তাইও এনেকৈ উমলাব পৰা হ'লে। কথাবোৰ যেন ক'ৰবাত আউল লাগি গ'ল। আজি তাইৰ বাছৰ খিৰীকিৰে সন্ধিয়াৰ গুৱাহাটীখন চাই ভাল লগা নাই। তাইৰ মনটো বিষাদেৰে গধুৰ হৈ পৰিল।

সদায় মনটো বেয়া কৰি থাকে কাৰণে ঋষভে তাইক এদিন তাৰ চিনাকি ডাক্তৰৰ ওচৰলৈ লৈ গ'ল। সেইদিনা সিহঁতৰ বিবাহৰ চতুৰ্থ বাৰ্ষিকী আছিল। বৈষ্ণৱীক অফিচৰপৰা ঋষভে লৈ আহিলগৈ। তাৰপিছত দুয়ো ডাক্তৰৰ ওচৰলৈ গ'ল। গাড়ী গৈ ডাক্তৰৰ ফ্লেটৰ ওচৰত ৰ'লগৈ।

— "বৈষু, ৰিপ'ৰ্টবোৰ ল'লানে? লৈ লোৱা ভালকৈ। মই গাড়ীখন পাৰ্ক কৰি আহি আছোঁ।"

তাই ঠিক আছে বুলি শলাগি থ'লে। নুশুনিলে আচলতে ঋষভে কি ক'লে। আজিকালি তাইৰ মনটো ক'ৰবাত থাকে। ঋষভে কথাটো মন নকৰা নহয়। তেওঁলোক দুয়ো ফ্লেটটোৰ ভিতৰলৈ সোমাই গ'ল। দুৱাৰখন খোল খালে। কোঠাটোত পৰিপাটিকৈ থোৱা আছে প্ৰতিটো বস্তু। ডাক্তৰে খুব আগ্ৰহেৰে সিহঁতক বহিবলৈ দিলে। বৈষ্ণৱীয়ে ৰিপৰ্টবোৰ দিলে। এটা এটাকৈ তেওঁ চাই গ'ল। তাই খুব যত্ন কৰিলে ডাক্তৰৰ মুখখন পঢ়িবলৈ। তেওঁ আৰম্ভ কৰিলে — "ফ্ৰেঙ্কলী আপোনালোকক কথা কেইটামান কওঁ। ..."

আৰু শুনি থাকিব নোৱাৰিলে তাই। ঋষভৰ মুখখনলৈ চোৱাৰ সাহস নহ'ল। চলচলিয়া হোৱা চকুকেইটাৰ পৰা কোনোমতে পানীখিনি পৰিব নিদিলে তাই। এটা সময়ত সিহঁত তাৰপৰা ওলাল। পিছৰ চিটত ফাইলবোৰ থৈ তাই আগপিনে বহিলে।

"বৈষু, ঐ, কি হ'ল তোৰ? মাতবোল নাইকিয়া যে? টোপনিয়াইছ নেকি? কিবা কছোন। গালিকে দে মোক।"

বৈষ্ণৱী মনে মনে থাকিল। ঋষভে বুজিছে তাইৰ অৱস্থাটো। তাইক সেই পৰিস্থিতিটোৰপৰা উলিয়াই আনিবলৈ সি বৰকৈ চেষ্টা কৰিলে। কিন্তু তাইৰ মুখৰপৰা এটাও মাত উলিয়াব নোৱাৰিলে সি। ঘৰ পালেহি সিহঁত। তলা খুলি

চিধা বাথৰুমলৈ গ'ল তাই। টেপটো খুলি আইনাত নিজৰ মুখখন চালে। তাই চকুপানী আৰু ৰখাব নোৱাৰিলে। তাই হুকহুকাই কান্দিলে। ইমান দিনে সামৰিয়ে থৈছিল চকু পানীবোৰ। আজি নৰখালে। কাণত কেৱল ডাক্তৰৰ কথা কেইটা বাজি থাকিল "আপুনি মাক হ'ব নোৱাৰিব। আশা বেছি নাই।"

এই দিনটোৰ পিছত সিহঁতৰ জীৱনটো সলনি হৈ গ'ল। ঋষভ ভাবুক হৈ পৰিল। সিহঁতৰ সম্পৰ্কটো আগৰ দৰে যেন নাথাকিল। বৈষ্ণৱীৰ ভাব হয় তেনেকুৱা। ক'ত ভুল আছিল তাইৰ। জীৱনৰ এই অধ্যায়টোৰ কাৰণে তাই একেবাৰেই প্ৰস্তুত নাছিল। তথাপিও ক'ৰবাত যেন তাই হাৰ মনা নাছিল। আশা এটা তেতিয়াও আছিল। কিজানি ক'ৰবাত এটা প'জিটিভ ৰিজাল্ট পাই যায়। ঋষভক কৈ কৈ তাই আকৌ এজন বেলেগ ডাক্তৰৰ ওচৰ পালেগৈ। আৰম্ভ হ'ল ডাক্তৰৰ এপইণ্টমেণ্ট, টেষ্ট। চলি থাকিল তাইৰ দেহটোৰ ওপৰত চিকিৎসা বিজ্ঞানৰ ন ন পৰীক্ষা-নিৰীক্ষা। দৰববোৰটো আছেই। কঠিন সময়খিনিতো আশা এটাই জীয়াই ৰাখিছিল তাইক। সেইকাৰণে চাগে কেতিয়াও ভাগৰ অনুভৱ নকৰিলে।

কেতিয়াবা অফিচ, ঘৰ, হস্পিতাল মিলাব নোৱাৰা হৈ যায় বৈষ্ণৱীয়ে। তথাপিও দৌৰি আছিল। বহু মাহ গ'ল এনেকৈ। কিন্তু একো ফলাফল নাপালে সিহঁতে। যিয়ে যি কয় সকলো কৰি গ'ল। কিন্তু ...। অৱশেষত দুয়োটাই তেনেকৈ থকাৰ সিদ্ধান্ত ল'লে। আকৌ আৰম্ভ হ'ল একেই জীৱন এটাৰ। অফিচ-ঘৰ, ঘৰ-অফিচ। তাৰ মাজতে যিকণ সময় পায় কেতিয়াবা ওলাই যায়। চ'চিয়েল গেদাৰিং যিমান সম্ভৱ তাই এৰি চলে। মানুহৰ অযথা কৌতুহল বৈষ্ণৱীৰ ভাল নালাগে। প্ৰশ্নবোৰে বৰ আঘাত দিয়ে মনত। পৰিয়ালৰ মানুহৰ আশা, সম্বন্ধীয় মানুহৰ কথাৰ বাণবোৰ -- "কেৰিয়াৰ বনাব। পইচা ঘটিব। ল'ৰা-ছোৱালী কিয় লাগে?" আঘাত দিবলৈ কাৰো যেন অলপো কষ্ট নহয়।

ভাবুক হৈ পৰে তাই আজিকালি খুব সোনকালে। কেতিয়ানো আহি ছয়মাইলত বাছখন ৰ'লহি ক'বই নোৱাৰিলে তাই। ঘৰলৈ যাবলৈ মন নাযায় কেতিয়াবা। খালী খালী লাগে ঘৰটোত। অফিচতে দেৰিলৈকে বহি থাকে কাম উলিয়ায়। কাম, সহকৰ্মীৰ লগত হাঁহি-ধেমালি এইবোৰে মনৰ দুখবোৰ কমাই ৰাখে। ঋষভ আজিকালি ঘৰত প্ৰায়ে নাথাকে। ব্যৱসায়ৰ কামত বেছিভাগ গুৱাহাটীৰ বাহিৰতে। অকলশৰীয়া হৈ গ'ল বৈষ্ণৱী। এনেকৈ থকাৰ অভ্যাস নাছিল তাইৰ আগতে। এজাক মানুহৰ মাজত ডাঙৰ দীঘল হোৱা ছোৱালী। আলহীক আপ্যায়ন কৰি ভাগৰি নপৰা মাকৰ ঘৰখনত অনবৰতে মানুহ ভৰি আছিল। এতিয়া তাই এই প্ৰকাণ্ড ঘৰটোত অকলে বৰ অসহায় অনুভৱ কৰে। একাকীত্বই ক্ৰমান্বয়ে তাইক গ্ৰাস কৰি পেলাইছে। ঋষভে এই ধুমুহা জাকৰ উমান পাবলৈ বহুত দেৰি। সি গম পোৱালৈকে দেৰি হ'ব বহুত। ঘৰ পালেহি তাই। কঁপা কঁপা হাতেৰে দৰ্জাখন খুলিব ল'লৈ, ভাগৰত... হতাশাত.. ।❏



ছবি - উযা লকৰা

# মোৰ চুলিকোছাৰ ৰহস্য

## বিজয়েতা ৰাজকুমাৰী



দীঘল দাপোনখনৰ সন্মুখত থিয় হৈ মই লিপিষ্টিকখিনি বৰ সাৱধানে লগাবলৈ চেষ্টা কৰিছিলোঁ, যাতে ই ওঁঠযুৰিৰ চাৰিওকাষে বিয়পি নাযায়। সেই মূহুৰ্তত মোৰ হাতখন স্থিৰ কৰি ৰখাটো বৰ কষ্টকৰ আছিল। সুৰাৰ নিচাৰ লগত মোৰ অবচেতন মনটোৰ তেতিয়া এখন যুঁজ চলি আছিল। আৰু সঁচাকৈয়ে এনেকুৱা সময়ত এটা খালী বাথৰুম পোৱাটোৱেই সৌভাগ্যৰ কথা আছিল।

ঠিক সেই সময়তে এগৰাকী মহিলা সোমাই আহি মোৰ কাষত থিয় হ'ল। মহিলাৰ গাত এসাজ মসৃণ সোণালী কাপোৰ। তেওঁ নিজৰ বেগটোৰ ভিতৰত কিবা বিচাৰি আছিল। মই ভেবা লাগি তেওঁৰ প্ৰতিবিম্ব দাপোনখনত চাই ৰ'লোঁ। অৱশ্যেই মোৰ চাৱনিয়ে তেওঁক সচকিত কৰি তুলিলে। লগে লগে মই তেওঁৰ পৰা চকু আঁতৰাই নিজৰ ওঁঠযুৰিৰ পিনে নিলোঁ। মোৰ ওঁঠযুৰি নিচেই পাতল। পিছে মই সদায়েই বিচাৰিছিলোঁ এযোৰ পুৰঠ ওঁঠ।

তেওঁ বেগটোৰ ভিতৰত ফণী এখন বিচাৰি আছিল। তেতিয়াহে মই লক্ষ্য কৰিলোঁ তেওঁৰ ঈৰ্ষণীয়ভাৱে দীঘল অতি সুন্দৰ চুলিকোছা। কি লয়লাসভাৱে তেওঁ ফণিয়াই আছে। মই তেওঁক তাতেই এৰি ঘূৰি আহিলোঁ পানশালাখনৰ কাণ তাল মাৰি ধৰা হুলস্থুলৰ মাজলৈ।

সিদিনাখন ৰাতি ঘৰ আহি সোমোৱাৰ পিছতো বাৰে বাৰে মোৰ সেই মহিলা গৰাকীৰ লগত হোৱা সৰু ঘটনাটো মনলৈ অহা-যোৱা কৰিবলৈ ধৰিলে। নিজৰ মেকআপখিনি আঁতৰাই থকাৰ সময়ত তেওঁৰ চুলিখিনি মোৰ চকুৰ আগত ভাহি থাকিল। এক নিশ্চিত প্ৰাচীন আঘাতৰ কোবত মই ছটফটাই উঠিলোঁ। নিজৰ চুটি চুলিখিনিলৈ বাৰে বাৰে চালোঁ।

সেইদিনাখন ৰাতি বিচনাত পৰিও মোৰ টোপনি নাহিল।

এসময়ত মোৰো একোচা দীঘল চুলি আছিল। মোৰ মায়ে সদায় অতি যত্নৰে মোৰ দীঘল চুলিকোচা বেণী গুঠি দিছিল। আন সকলো মধ্যবিত্ত শ্ৰেণীৰ সন্তানৰ দৰেই এদিন ময়ো মোৰ আইক বহু দূৰত এৰি থৈ আহিলোঁ, এক সপোনৰ পম খেদি। আইৰ হাতৰ সেই মন জুৰোৱা স্পৰ্শ বিচাৰি এতিয়াও মই হাবাথুৰি খাই থাকোঁ।

মানুহে এতিয়াও কয় মোৰ সেই ঘন, চিধা ক'লা চুলিকোচা সকলোৰে ঈৰ্ষাৰ পাত্ৰ আছিল।

কেইমাহমানৰ আগতে যেতিয়া মই মোৰ কঁকালত পৰা দীঘল সেই চুলিকোচা কাকো নজনোৱাকৈ, ঘপহকৈ চুটি কৰি পেলালোঁ, সকলোৰে চকু কঁপালত উঠিল। তেওঁলোকৰ প্ৰশ্নবোৰৰ সন্মুখত মোৰ অজুহাতবোৰ কমি কমি আহিছিল।

"তোমাৰ চুলিকোচা ইমান চুটিকৈ কাটি পেলালা, কিমান যে ধুনীয়া আছিল"

"হয় আৰু যত্ন লোৱাটোও খুব খৰচী আছিল", মই প্ৰায়েই কৈছিলোঁ।

তেওঁলোকে মন কৰিছিল মোৰ ধুনীয়া চুলিকোচা নাইকীয়া হোৱাটো। আনকি কেতিয়াও এষাৰি বাক্য বিনিময় কৰি নোপোৱা সকলেও মোৰ দীঘল চুলিকোচাৰ অনুপস্থিতিত মন্তব্য কৰিছিল।

কিন্তু আচৰিত তেওঁলোক কোনেও লক্ষ্যই কৰা নাছিল, যেতিয়া মই কামলৈ এসপ্তাহ অহা নাছিলোঁ।

তেওঁলোক কোনেও লক্ষ্য কৰা নাছিল, গভীৰ মেকআপৰ আঁৰত লুকাই থকা মোৰ ক'লা আঘাতপ্ৰাপ্ত চকুটো। তেওঁলোক কোনেও লক্ষ্যই কৰা নাছিল, মোৰ হাতৰ ক্ষতচিহ্নবোৰ, যিবোৰ আছিল সি খঙত উত্ৰাৱল হৈ পাগলৰ দৰে মোৰ হাতখনত গচকি থকাৰ প্ৰমাণ। তাৰপিছত সি মোৰ দীঘল চুলিকোচা টানি মোক দাঙি ধৰিছিল আৰু চকুত সজোৰে এটা ভুকু মাৰিছিল। মোক অকথ্য শব্দবোৰেৰে গালি পাৰি থকা সময়খিনিতো সি মোৰ চুলিকোচা টানি ধৰি আছিল। বহু দেৰিলৈকে সি একেখিনি কামেই কৰি আছিল আৰু এটা সময়ত মই কিবা অনুভৱ কৰিবলৈ এৰি দিছিলোঁ, চকুপানীও ইতিমধ্যেই শুকাই গৈছিল।

তেনেকৈয়ে সি মোক মজিয়াত পেলাই থৈ গ'ল। মই বহু দেৰিলৈকে ভাবলেশহীন হৈ তাত পৰি ৰ'লোঁ। খুব সম্ভৱতঃ গোটেই ৰাতি। অৱশেষত যেতিয়া মই উঠিলোঁ একোচা একোচাকৈ জোঁট বন্ধা মোৰ চুলিবোৰ মজিয়াত সৰি সৰি পৰিল। মোৰ মূৰটো আগনিশাৰ তীব্ৰ আঘাতবোৰৰপৰা হোৱা বিষত জৰ্জৰিত হৈ আছিল। মজিয়াত সিঁচৰতি হৈ থকা চুলিৰ সৰু সৰু কোচাবোৰে সামৰি মই বেগত থলোঁ আৰু টেক্‌চি এখন ভাড়া কৰি পুলিচ থানালৈ বুলি ওলাই আহিলোঁ।

সেই গোটেই সপ্তাহ মই দাপোণত নিজৰ মুখ চাব পৰা নাছিলোঁ।

মোৰ চুলিকোচাৰ ওজন হঠাতে অসহজভাৱে যেন বাঢ়ি গৈছিল। আৰু মই সেই ভৰ সহ্য কৰিব পৰা নাছিলোঁ। মোৰ গৌৰৱৰ মৰমৰ চুলিকোচা এতিয়া মোৰ হতাশাৰ এটা অন্যতম কাৰণ হৈ উঠিল। চুলিকোচা দেখিলেই মোৰ মনটো কোঁচ খাই আহিবলৈ ধৰিলে। চুলিকোচাই বাৰু মোৰ লগত বিশ্বাসঘাতকতা কৰিলে নেকি?

পিছলৈ এদিনাখন সেই সপ্তাহটোতেই, পাৰ্লাৰৰ মহিলাগৰাকীয়েও মোৰ চুলিকোচা কাটিবলৈ হেঁহো নেঁহো কৰিলে।

"মেডাম, আপুনি বাৰু সঁচাকৈয়ে চুলিখিনি কাটিব বিচাৰিছে নেকি?"

এইটো এটা আচৰিত কথা যে মূল্যবান বস্তু এটাও এদিন অৰ্থহীন হৈ পৰে, যেতিয়া আমি তাক আমাৰ জীৱনৰ পৰা আঁতৰাই পঠাওঁ। সেইদিনা পাৰ্লাৰখন এৰি অহাৰ পিছত মই মোৰ চুলিকোচাৰ কথা সম্পূৰ্ণৰূপে পাহৰি গৈছিলোঁ। কিন্তু সিদিনা সোণালী মসৃণ কাপোৰৰ সাজ পিন্ধা মহিলাগৰাকীৰ চুলিখিনি দেখি মোৰ নিজৰ চুলিকোচালৈ মনত পৰি গ'ল।

আজিও যেতিয়া কোনোবাই মোক মোৰ চুলিকোচাৰ কথা সোধে, মই খুব সহজ উত্তৰ এটা দি থওঁ। বৰ সহজভাৱেই কওঁ, "বহুত সময় নষ্ট হৈছিল মোৰ চুলিকোচাৰ লগত।" আন কেতিয়াবা কওঁ, "সদায় সদায় পাৰ্লাৰত গৈ যত্ন লোৱাটোও জানো কম যাতনা।"

অৱশ্যে কেতিয়াবা মই মোৰ চুটি চুলিৰ ৰহস্যটো কাৰোবাক কৈ পেলাওঁ। কিন্তু বহুতৰ কাৰণে সেয়া এতিয়াও এটা সাঁথৰ।

"তুমি তোমাৰ ইমান ধুনীয়া দীঘল চুলিকোচা কিয়নো কাটি পেলালা?"

ময়ো মোৰ দীঘল চুলিকোচা ভাল পাইছিলোঁ। কিন্তু সেই ভালপোৱা এটা অদম্য খং হৈ পৰিছিল। মই বহু সময় ধৰি কাইলৈ হ'ব লগা গোচৰৰ শুনানিৰ কথা পাগুলিয়াই সাৰে থাকিলোঁ।

আকৌ এবাৰ মোৰ দীঘল চুলিকোচাৰ কাহিনীটো মোৰ অতীত হৈ পৰিল।

আৰু লাহে লাহে টোপনিও নামি আহিল। ❑

# কবিতা


















## মা এবাৰ হাঁহি দিয়া

### বৰ্ণালী কোঁৱৰ, ধেমাজি

কিয় মনত লৈ ফুৰিছা ইমানবোৰ সপোন বান্ধি
কিয় মনত লৈ ফুৰিছা ইমানবোৰ দুখ বান্ধি
মুকলি আকাশৰ তলত আজি কৈ দিয়া কৈ দিয়া
তোমাৰ সপোনবোৰৰ কথা
তোমাৰ দুখবোৰৰ কথা

বতাহে উৰুৱাই লৈ যাব ক'ৰবালৈ তোমাৰ সাঁচতীয়া শোক
বতাহে আঁতৰাই লৈ যাব ক'ৰবালৈ তোমাৰ কান্দোন

আমাৰ মৰম আৰু সপোনবোৰ ফুলিবলৈ
খুলি থৈ যতমানে বেদনা

মা এবাৰ মাথোঁ হাঁহি দিয়া ❑



ছবি - নৰ্মদা দেৱী

## ধৰ্ষিতা মই

### পূৰ্ণিমা দেৱী, ধেমাজি



পুঁৱতি নিশাৰ নিয়ৰে সেমেকাই ৰখা শৰীৰটো দুৰু দুৰু কঁপি উঠিছিল
আইৰ হৃদয়ভঙা কান্দোনৰ চকুপানীয়ে শুকান ওঁঠযুৰি তিয়াই পেলাইছিল

ধৰ্ষিতা কিশোৰীৰ আৰ্তনাদ মাথোঁ বাহত থকা চৰাইবিলাকেহে শুনিছিল
সিহঁতবোৰেও চিঞৰ-বাখৰ লগাই গছৰ পাত সৰুৱাইছিল

পাষণ্ডহঁতে বুজিকে নাপালে যে, সিহঁতবিলাক একো একোটা দানৱ
কোনেও নোযোৱা বাটটোৰেদি চোঁচৰাই নিয়া মই গম পাইছিলোঁ
শুকান গছপাত বিলাকেও খঙতে খচমচাই প্ৰতিবাদ কৰিছিল
অসহ্য যন্ত্ৰণাত ক্লান্ত শৰীৰটোৱে জীয়াই থকাৰ হেঁপাহত আপ্ৰাণ চেষ্টাৰে যুঁজিছিল

উশাহ বহু কষ্টৰে লৈছিলোঁ
চটফটাই চটফটাই এটা সময়ত ক'ব নোৱাৰা হৈ গ'লোঁ

সিহঁতে ধাননি পথাৰত মোক পেলাই থৈ গ'ল
জীয়াই থকাৰ সপোনবোৰ থানবান হ'ল ❑

# এটা কবিতা আৰু গীত

ঊষাৰাণী দেৱী, দৰং

## নাৰী এটা শব্দই নহয়

তুমি ভবাৰ দৰেই
মই এগৰাকী নাৰী
কিন্তু তুমি দেখা সেই
সপোনৰ নাৰীগৰাকী মই নহওঁ

মই তেজ মঙহৰ এটি শৰীৰৰ গৰাকী
সেউজী প্ৰকৃতিখন চাবলৈ
আছে মোৰ দুটি চকু
ভাল বেয়া শুনিবলৈ আছে মোৰ দুখনি কাণ
এই বিশ্বত এখোজ আগবাঢ়ি যাবলৈ আছে দুখনকৈ ভৰি
তাতোকৈ কি জানা,
বৰ্তমান যে তোমালোকে কেঁচা মঙহৰ
সোৱাদ ল'বলৈ বিচাৰি ফুৰা
ধৰ্ষণ, লুণ্ঠন আদি শব্দৰে জৰ্জৰিত
এই বিশ্বত তোমালোকৰ সতে
যুঁজ দিব পৰাকৈ আছে মোৰ এটি বিবেক
যাৰ দ্বাৰা পৰিচালিত হৈ
লৈছোঁ হাতত তুলি এপাত অস্ত্ৰ

যি অস্ত্ৰৰে যুঁজ দিলে, ৰঙা তেজ নোলায়
ওলায় মাথোঁ শাণিত 'শব্দ'
সাজুনে যুঁজ দিবলৈ তুমি ?❑

## গীত

আমি এই মাটিৰে জীয়ৰী
আছে আমাৰো হেঁপাহ বুকুত
আছে জগত জিনাৰ সপোন
আছে সাহস দুৰ্নিবাৰ
আছে আশা অপাৰ
হাঁহি-কান্দোনৰ স'তে আছে
ভালপোৱা পাৰাপাৰ

চিঙি যাম হাজাৰ শিকলি
ভাঙি যাম নিয়ম পুৰণি
আমি নাৰী নহওঁ বন্দিনী

আমি এই মাটিৰে জীয়াৰী
আমাৰ বাহুত আছে কনক মুলাৰ বল
আছে মনত জয়াৰ সাহস
আহিলে আহক বান দুকুল ওপচা
আহিলে আহক বতাহ ঘৰ ভাঙি নিয়া

আমি আকৌ ৰচিম সপোন
আমি আকৌ উঠিম জীয়াই
দুবাহুত লগাই ৰঙীণ ডেউকা
উৰিম আকৌ আকাশ ধিয়াই ❑



ছবি - জশীলা হ'ৰ'

## মানৱতা

ভানু চহৰীয়া, ওদালগুৰি

কি যে নিষ্ঠুৰ
মানৱ জাতিটো
নুবুজে কিয় ?
নাৰীৰ হৃদয়ত মৰম-ভালপোৱা
আৰু দুখ-বেদনা আছে বুলি ?

নুশুনে কিয়
নাৰীৰ হৃদয়ৰ কান্দোন
মানৱতা হেৰাই গ'ল
পৃথিৱীৰ পৰা
মানৱৰ সলনি দানৱ আহিল
হৃদয়ৰ সকলো আশা কাঢ়ি নিয়া
দানৱে ধৰ্ষণ কৰিলে
মানৱতা।

খং উঠে যেতিয়া
মানৱতাৰ নামত লিপ্ত হয় কু-কৰ্মত
এবাৰো নাভাবে সিহঁতৰ জীৱনৰ কথা।
নাভাবে নাৰীৰ অবিহনে পুৰুষো যে হ'ব ব্যৰ্থ❑

## শেৱালি

গীতাঞ্জলী বৰা, ওদালগুৰি

শেৱালি তুমি শৰতৰ স্নিগ্ধ জোনাকত
সৰি সৰি পৰা মুকুতাৰ মণি
মই থওঁ কৰণিত ভৰাই
আলফুলে
সযতনে
বুটলি বুটলি।

তুমি শাৰদী ৰাণী
হৃদয়ক পোৱা
মন জুৰোৱা
তোমাৰ সুবাসেৰে
আজি মই হওঁ আপোনপাহৰা।

তোমাৰ সুবাসত
অনুভূতিবোৰক মই
প্ৰশ্ন কৰোঁ
শব্দবোৰ হেৰাই যাব খোজে
তোমাৰ সান্নিধ্য পালে।

নাজানো
কিয় আবেগিক হৈ পৰোঁ মই
নিৰিবিলি সন্ধিয়াবোৰত।

সেয়েহে প্ৰেমত পৰোঁ মই
বাৰে বাৰে তোমাৰেই সুবাসত❑



ছবি - ভানু চহৰীয়া

# মোৰ সপোনৰ জুইকুৰা

পৰীস্মিতা বৰুৱা, গোলাঘাট

মোৰ সপোনৰ জুইকুৰা দপদপকৈ জ্বলিব ধৰিছে
মোৰ জন্ম হোৱাৰ দিনৰেপৰা ক'ৰবাত হেৰাই গৈছে
আশা-অনুভূতিবোৰ
ফাগুনৰ বতাহে শিমলুৰ তুলাৰ দৰে ক'লৈ উৰুৱাই নিয়ে মন

ক'তো বিশ্বাস নাই
ক'তো নাই ভালপোৱা
এই ক্লান্ত পৃথিৱীত নাই নাৰীৰ বাবে এধানি আশ্ৰয়

ক্লান্ত হৈ হৈ ভাগৰি পৰিছোঁ
মোৰ সপোনৰ জ্বলা জুইকুৰাই কিমান দহিব
কিমান দিনলৈ আমি এনেদৰেই জ্বলি ৰ'ম ❑

# নাৰী

লিলিমণি বৰা, গোলাঘাট

মানুহে কয় তুমি হেনো পাৰিজাত ফুল
কিন্তু পাহৰি যায় তুমিও যে তেজ-মঙহৰ মানুহ
তোমাৰো আছে দুখ-যাতনা সপোন আৰু
হেঁপাহ আকাশ চোৱাৰ

আনক সুবাস বিলাই বিলাই নিজে হৈ পৰা ক্লান্ত
আৰু কিমান কৰিবা ত্যাগ
কিমান নিজকে উচৰ্গা কৰিবা আনৰ কাৰণে
ফাগুনৰ পছোৱা বতাহত শিমলু তুলাৰ দৰে থানবান তুমি আশ্ৰয়হীনা
এই নিৰ্দয় পৃথিৱীত
তথাপি সকলো নিমাত

মানুহে তোমাক কয় তুমি হেনো পাৰিজাত ফুল
কিন্তু পাহৰি যায় তুমিও যে তেজ-মঙহৰেই মানুহ ❑

ছবি - কল্পনা চহৰীয়া



## ফাগুন

নৰ্মদা দেৱী, দৰং

এজাক ফিৰফিৰিয়া বতাহ
মাজে মাজে এবাৰ বৰ জোৰে বব খোজা
একেবাৰে উৰুৱাই নিব খোজা
ঠেৰেঙা লগা গছবোৰ যেন
একেবাৰে মূৰত ভাগি পৰিব
পাতবিহীন গছবোৰত ৰিণি ৰিণি সেউজীয়া
তলত সৰাপাতৰ মেলা
ফাগুন আহিল, সঁচাই ফাগুন আহিল
নীলা আকাশখনো একেবাৰে ধূসৰ হৈ পৰিল
যেন চাৰিওদিশ ধোঁৱা বৰণীয়া
ধূলিবোৰে বলিয়াৰ দৰে নাচিছে
শীতে গছকি যোৱা গছৰ ডালবোৰেও
ৰিঙিয়াই মাতিছে -- সেউজী আহা
পিন্ধাই দিয়া তোমাৰ ৰঙৰ বসন
ন'হলে উৰুৱাই নিব হেনো
সৰা পাতৰ গোন্ধ

বতাহতে মিলি যাব সৰা পাতৰ ৰং
কিয়নো ফাগুন মানেই যে বতাহ
শুকান জাৰণিত পখীৰ কিৰিলি
উইচিৰিঙাৰ মাতৰ জিনজিননি
ঘন চিৰিকায়ো এবাৰ তল এবাৰ ওপৰকৈ
আনন্দতে নচা নাচোন
বোধহয় সিহঁতেও বুজি পাইছে
সঁচাই ফাগুন আহিছে
কিন্তু নীৰৱ সেই ৰাঙলী পলাশ
কাঁইটীয়া শিমলুৰ ডালে ডালে
অপেক্ষাৰত ফাগুন❑

## কবিতা

সৌ সিদিনা নিৰিবিলি সন্ধিয়া
হ'ল তোমাৰে মোৰে চিনাকি
লগে লগে জোনটিয়ে গ'ল পোহৰ সিঁচি
ৰ'ল তৰাবোৰো জিলিকি
পৰেনে মনত তোমাৰ আজি ?

সৌ সিদিনা পদূলি মূৰত
দিছিলা যে তুমি প্ৰতিশ্ৰুতি
এন্ধাৰৰ আঁৰে আঁৰে জোনাকী পৰুৱাবোৰে
আজিও দি আহিছে যে তাৰেই সাক্ষী

শেৱালি জোপা আজি আৰু নাই
মনত আহিছে আজি হেজাৰ প্ৰশ্ন
তুমি আকস্মিকভাৱেই আঁতৰি গ'লা
এয়া বিচ্ছেদ নে প্ৰতাৰণা,

তুমিয়েই কৈছিলা, 'তোমাৰ সান্নিধ্যত
বহু কথাই শিকিলোঁ মই'
নিষ্ঠুৰ নহওঁ মই যে আবেগিক
তাতেই তুমি নহ'বা ধৈৰ্যহীনা
কোনোদিনেই নকৰিবা খং❑


# তোমাৰ বাবে

দিপালী বড়া, ওদালগুৰি

শুনিছো তোমাক হেনো এদিন সন্ধিয়া ধৰ্ষণ কৰিছিল ?
কি যে হ'ল আমাৰ দেশখন
মানৱতা, প্ৰেম, ভালপোৱা এই শব্দবোৰ চোন নোহোৱা হৈ গ'ল

মই জানো তুমি সাহসী আছিলা
তোমাৰ বাৰু আজিও খং উঠে নেকি ?
সেই বৰ্বৰ, নিষ্ঠুৰ তোমাৰ সত্ত্বাক লুণ্ঠন কৰা
নৰপিশাচ কেইটালৈ ?

তোমাক প্ৰতাৰণা কৰা সেই প্ৰেমিকজনক
আকস্মিকভাৱে মই এদিন লগ পাইছিলোঁ জানা
পিছে সি এখন বেলেগ ৰাজ্যত
বিচৰণ কৰি আছে
তোমাৰ সান্নিধ্য পাবলৈ সি ব্যাকুল নহয়
তুমি ধৈৰ্যহীন নহ'বা
সমাজে অবৈধ বুলি কোৱা তোমাৰ সন্তানটিক বৈধ বুলি
চিনাকি দিয়া
কাৰণ তাই তোমাৰ সন্তান
তাইৰ মাক তাইৰ লগত আছে
আৰু এয়াই যথেষ্ট
বৈধ হ'বলৈ ❑



চিত্ৰ - মঞ্জু দেৱী

# হিংসা

ভনিতা কুমাৰ, ওদালগুৰি

অন্যায়, দুৰ্নীতি, হিংসা
এই পাশৱিক শক্তিৰেই বলি হ'ব লগা হয়
আমাৰ দৰে সৰু সৰু মানুহবোৰ
আজিৰ মানুহবোৰ বয়সৰে নহয়
জোখা হয় ধন-টকা লাস বিলাসিতাৰেহে
কিয় বাৰু মানৱতাৰ পৰা আঁতৰি আহে
জীৱশ্ৰেষ্ঠ এই মানুহবোৰ
ভদ্ৰতাৰ মুখা পিন্ধা সমাজৰ বিয়াগোম মুখিয়ালবোৰে
নাৰকীয় যত ঘৃণনীয় কামবোৰ কৰিবলৈ
অলপো কুণ্ঠাবোধ নকৰে।
কেৱল টকা-পইচাৰে জীৱনটোৰ জোখ লয়
সেই অত্যাচাৰী অধৰ্মী পাপীবোৰে

দুৰ্নীতি সুনীতিৰ নাই কোনো তুলাচনী
অন্যায়ৰ প্ৰতিবাদ কৰোঁ যদি সেয়াও অন্যায়
ডাঙৰবোৰে দোষ কৰিলে টকাৰ বলত সাৰি যায়
সৰুবোৰক এঘৰীয়া কৰি মৰণৰ ফান্দ পাতি
বৰ ৰং পায়

এয়াই নেকি সমাজপ্ৰিয় মানুহৰ পৰিচয়
য'ত ক্ষমা নাই আছে কেৱল কটকটীয়া বান্ধোনৰ দণ্ড
বৰ মানুহে দোষ কৰিলে দোষ নহয়
সৰু মানুহে দোষ কৰিলে সিহঁত এঘৰীয়া
সিহঁতৰ ঘৰলৈ খেলৰ কোনোবা গ'লে জৰিমনা ❑




ছবি - দৰ্শিতা দত্ত

## অনুৰীতা পাঠকৰ তিনিটা কবিতা

### ঋতুবোৰ

শীত আহি পালে
ৰাতিবোৰ মুকলি হ'ল
মোৰ এই অৰ্থহীন ভয়বোৰক
গুৰুত্ব নিদি কৈ দিয়া
প্ৰাচীনতম সত্যবোৰ

পৰিণাম কি হ'ব
সেয়া ভাবিও জানো কিবা লাভ আছে
এই গোটেই ঋতুবোৰে হিচাপ ৰাখিছে
মোৰ সমস্ত জীৱন কথাৰ
গৰ্ভধাৰণ, সততা, ৰন্ধা-বঢ়া
ঘৰ গঢ়া আৰু উপাৰ্জন কৰা

এইবোৰৰ মাজতেইতো মই হেৰুৱাই পেলালোঁ
মোৰ নিজৰ মনৰ ঋতুবোৰৰ কথা
ক্ষত-বিক্ষত শৰীৰ মোৰ
খহি পৰিছে পুৰুষতন্ত্ৰৰ এই মন্দিৰত

শীত আহি পালে
ৰাতিবোৰ মুকলি হ'ল
মোৰ দিনবোৰ দীঘল হৈ গৈছে ভাবনাত
নাই, নাই কোনো তাত মিঠা স্মৃতি
যুগৰ পিছত যুগ ধৰি
নিৰ্যাতিত মোৰ অনুভূতি
মোৰ হেঁপাহ, মোৰ বিশ্বাস

থান-বান হৈ পৰি ৰৈছে
অৰ্থহীন এই জীৱনৰ মাজমজিয়াত

শীত আহি পালে
ৰাতিবোৰ মুকলি হ'ল
অকণমান সময় ধৰি ৰাখিছোঁ হাতৰ মুঠিত
চকুপানী মচিবৰ হ'ল
খোজবোৰ কঠিন কৰিবৰ হ'ল

শুনিছনে অই ঋতুবোৰ
বসন্ত যে আহি দুৱাৰদলিত ❑



# অগ্নিশিখা

এটা অগ্নিশিখা
বহি থাকে মোৰ হাতৰ তলুৱাত
এটা অগ্নিশিখাই
অহৰহ জ্বলাই থাকে
মোৰ এই জিভা
অসমতাৰ প্ৰতিবাদত

এটা অগ্নিশিখাই
জোকায় মোৰ গোটেই শৰীৰটো
এই পুৰুষসত্বাৰ ওপৰত হাঁহিবলৈ

এটা অগ্নিশিখাই
গঢ়ি দিয়ে মোৰ মাংসপেশী
মষিমূৰ কৰিবলৈ এই পুৰুষতন্ত্ৰ

এটা অগ্নিশিখাই
মোক শিকায়
হিয়া উজাৰি ভাল পাবলৈ
যৌনতাৰ হেজাৰটা ৰং

এটা অগ্নিশিখাই
মোৰ মগজুলে বিয়পায়
অমানৱতাৰ প্ৰতি আপোচবিহীন প্ৰতিৰোধ

এটা অগ্নিশিখাই
উজ্বলাই তোলে মোৰ শক্তি
মুক্তিৰ কথাবোৰ ক'বলৈ

এটা অগ্নিশিখাই
মোক পুনৰ জীৱন দিয়ে
চিৰকাললৈ মোৰ অস্তিত্ব ৰাখি যাবলৈ

এটা অগ্নিশিখা
বহি থাকে মোৰ হাতৰ তলুৱাত ❑



## পাত

পাতখিলাই কাণে কাণে কি জানো কৈ যায়
প্ৰেম, বিষাদ নে মোৰ ভাগ্য কথা

পাতখিলাই বুজি নাপায় মোৰ এই অস্থিৰতা
কোমল চুমা এটাই মোক দি যোৱা
তীব্ৰ আঘাত এটা
কেনেকৈ পাহৰোঁ মই

পাতখিলাই লুকা-ভাকু খেলে
যেতিয়া মই লিখি দিওঁ
পাতৰ ছিদ্ৰই ছিদ্ৰই একোটা কবিতা

চিঞৰি চিঞৰি কৈ দিয়া
মোৰ জীৱনৰ গল্পবোৰ
ভয়াতুৰ মই মুঠেই নহয়
দুৰ্বল মইতো কেতিয়াও নাছিলোঁ

পাতখিলা
কৈ দিয়া কৈ দিয়া কথাবোৰ
শুনিবলৈ মই যে কেতিয়াবাৰপৰাই ব্যাকুল
প্ৰেম, বিষাদ নে মোৰ ভাগ্য কথা ❑

**মূল ইংৰাজীৰপৰা অনুবাদ - ময়ূৰী ডেকা**

## নীলাঞ্জু দত্তৰ কবিতা

### জীৱন মৃত্যুৰ সন্ধিক্ষণ

জীৱন মৃত্যুৰ নিঃসংগ দোমোজাত থিয় হৈ
মই পাহৰি পেলাইছোঁ দিগন্তৰ সীমনা পাৰ হৈ চাবলৈ

জীৱনৰপৰা অৱসৰ লোৱাৰ কথাও ভাবোঁ
যেতিয়া মৃত্যুৰ ওঁঠত মোৰ নাম শুনো

প্ৰশান্তি আৰু কিবা এক বুজাব নোৱাৰা অনুভূতিৰে
ৰৈ থাকোঁ সেই অন্তিম মুহূৰ্তলৈ
য'ত লিখা আছে মোৰ নাম

হঠাতে আকাশখন চমকি উঠিল
এটা শীতল কজলা ঢেৰেকণিৰে
অধৈৰ্য আন্ধাৰেৰে আগুৱা কি যে এক কোলাহল

মোৰ চিন্তাৰ লয় ঠেকেচা খাই পৰিলগৈ কোনোবা শিলত
মৃত্যুৰ কেঁচা আৰু তীব্ৰ নিশ্বাস মযিমূৰ কৰি উঠি বহিলোঁ মই
এইবাৰ বসন্তই যুঁজিব শীতক পৰাজয় কৰি

পুৰাতন নিষ্ঠুৰ সময় এটা লৈ এতিয়া
আঁকিছোঁ এক পুৰণি হিংসাৰ সুৰ
প্ৰশান্তি হেৰুৱাই পেলালোঁ
নিবিড়তা হেৰাই গ'ল

মাত্ৰ ওলমি ৰ'ল জীৱন নামৰ এই সুদীৰ্ঘ অধ্যায় ❑

## ৰশ্মিৰেখা বৰাৰ কবিতা

### কুলছুমাৰ তেজ

(হোজাইৰ উচ্ছেদত পুলিচৰ নিৰ্যাতনত নিহত হোৱা কুলছুমাৰ নামত)

১

কুলছুমাক চোঁচৰাই নিয়াৰ দিন ধৰি মই শিল এছটা হৈ
বহি আছোঁ
কুলছুমাক লঠিয়াই মৰাৰ দিন ধৰি মই শিল এছটা হৈ বহি
আছোঁ

তাইৰ যোনিৰপৰা ওলোৱা তেজৰ সুঁতিটো মোৰ গাৰে বৈ
আছে
মই উশাহ-নিশাহ ল'ব নোৱৰাকে মোৰ নাকে মুখে তেজৰ
সুঁতিটো পিয়াপি দি ফুৰিছে

কুলছুমাৰ ঘৰ নাছিল মাটি নাছিল বেংকত পইচা নাছিল
জীৱনবীমা নাছিল
কুলছুমাৰ তেজত হিম'গ্লবিন নাছিল
কুলছুমাই আইৰণৰ বড়ি খোৱা নাছিল

কুলছুমাৰ ঢেলা তেজ
মৰা মাছৰ চকুৰ দৰে কুলছুমাৰ ঢেলা চকু

এই পৰত মোৰ একো ক'বৰ মন যোৱা নাই
একো কৰিবৰ মন যোৱা নাই
মোৰ বৰ ভাগৰ লাগিছে
গাঁৱত মোৰ মাটি এডোখৰ আছে সাঁচতীয়া পইচা দুটামান
আছে
নিশ্চিন্তে শুবলৈ টোপনি অকমান আছে
এই দুপৰ নিশা এনেকৈ অগা-ডেৱা কৰিবলৈ তই কেলেই
আহিছ মৰতী

আমাৰ মুখত ছাঁই এসোপা সানি কুলছুমা মৰিল
আমাৰ চকুৰ আগত গা খহি কুলছুমা মৰিল

কুলছুমাৰ ঢেলা তেজ
মৰা মাছৰ চকুৰ দৰে কুলছুমাৰ ঢেলা চকু

ছবি - বিনীতা তালুকদাৰ



২

কুলছুমাৰ  তেজ পানী
কুলছুমাৰ  তেজ বেআইনী
কুলছুমাৰ  তেজ আথাউনি
তেজ পানী হৈ পানী তেজ হৈ বৈ আছে বৰনৈ
ভৰি গৈ আছে বৈ আছে
তেজৰ পানীগছা বৈ বৈ

বৰ উদং উদং লাগিছে
মিছা মিছা লাগিছে
কেনি উৰি গৈছে খং ৰাগ প্ৰতিবাদ জুই ধোঁৱা

সেই দিন ধৰি দৰক লাগি আছে কেচেমাকেচেম
গোন্ধটো সেই উছন ভেঁটিত

কুলছুমাৰ তেজ পানী
আমাৰ তেজ পানী মঙহ পানী জীৱন পানী

মই এছটা শিল
তেতিয়াৰেপৰা মই থৰ লাগি কুলছুমাৰ
কেঁচুৰাটোলৈ চাই আছোঁ
তেতিয়াৰেপৰা ৰঙা ৰ'দ এজাকৰ হেঁপাহত মই
কুলছুমাহঁতৰ কেঁচুৰাবোৰলৈ চাই আছোঁ

৩

প্ৰথমে তাই আগবাৰীত ৰঙা জবা এজোপা হৈ ফুলিল
হাতো নেমেলিবি...

চাউদাঙে তাইক উভালি চুৰা পাতনিত পেলালে
এবেলি তাতে তাই লাও এজোপা হ'ল
অ বোলোঁ ফুলো নিছিঙিবি...

চাউদাঙে তাইক ঢাপত পুতিলে
এইবাৰ তাই পিছবাৰীত জৰা টেঙা এজোপা হ'ল
ক'ৰে গৰখীয়া তই...

চকুচৰহা চাউদাঙে পুলিয়ে পোখাই তাইক নি নদীত পেলালেগৈ
তেতিয়াৰপৰাই এনদী তেজ
তেতিয়াৰপৰাই এনদী বিহমেটেকা
তেতিয়াৰপৰাই গাঁৱৰ তিৰোতাবোৰৰ খোঁপাত বিহমেটেকাৰ ফুল

তেতিয়াৰপৰাই ৰাতি ৰাতি ৰজাৰ টোপনি ভাঙি
কুলছুমাহে মই... ❑

# ময়ুৰী ডেকাৰ কবিতা

## খং

মোৰ বহুত খং
খঙৰ ওপৰত খং
তহঁতৰ প্ৰশ্নবোৰৰ ওপৰত খং
তহঁতৰ অলাগতিয়াল কৌতুহলবোৰৰ ওপৰত খং
মানৱতা যে দিনে দিনে খহি গৈ আছে
তাৰ ওপৰত খং
অবৈধ আৰু বৈধৰ মাজত তহঁতে যে সময় নষ্ট কৰ
তাৰ ওপৰতো খং
সাহসবোৰক যে পদুম ফুল দি নুমাই পেলাব চেষ্টা কৰিছ
তাৰ ওপৰত খং
প্ৰেমৰ নামত যে নিৰ্যাতন কৰি আছ তাৰ ওপৰত খং
আৰু প্ৰেমৰ নামত যে নিৰ্যাতন সহ্য কৰি আছ তাৰ ওপৰত খং
চিন্তাবোৰক প্ৰতাৰণা কৰাৰ তহঁতৰ যি অহৰহ চেষ্টা
তাৰ ওপৰত খং
মুঠতে খঙৰ ওপৰত খং
নাৰীৰ প্ৰতি নাৰীৰ প্ৰেমক লৈ তহঁতৰ যি হিংসা তাৰ ওপৰত খং
শেৱালিৰ গোন্ধ মোহাৰি পেলাই যৌতুকৰ কথা কোৱা মানুহ
তহঁতৰ ওপৰত খং
কাৰোবাৰ সান্নিধ্য কোনোবাই ভাল পালে তহঁতে যে বিয়াৰ কথা কৰ
তহঁতৰ ওপৰত খং

মুঠতে খঙৰ ওপৰত খং
মোৰ সন্ধিয়াবোৰ, মোৰ আবেগবোৰ, মোৰ অনুভূতিবোৰ
তহঁতে নিষ্ঠুৰতাৰে মাৰিব খোজ, সেই শব্দবোৰৰ ওপৰত খং
মোক যে দিনে দিনে ধৈৰ্যহীন কৰি পেলাইছ
তাৰ ওপৰত খং
মুঠতে খঙৰ ওপৰত খং




মিছাৰ ওপৰত মিছা কথা কৈ
দেশখনক যে লুণ্ঠন কৰি গৈ আছ
তাৰ ওপৰত খং
তহঁতৰ প্ৰতাৰণা কোনো আকস্মিক ঘটনা নহয়

এয়া গোটেই দেশত ধৰ্ষণৰ যি দপদপনি
তাৰ ওপৰত মোৰ সাংঘাতিক খং

এই অপৰাহ্নৰ সময়ত তোমাক লগ নধৰি
মই যে মোৰ কোঠালিত বহি খং কৰি আছোঁ
তাৰ ওপৰতো মোৰ ভীষণ খং
মুঠতে খঙৰ ওপৰত খং

আৰু মোৰ এই খং
বহুত বেয়া খং ❑

ছবি - মেঘনা গগৈ



## ৰুবী গগৈৰ কবিতা

### ভাল নালাগে

তোমাৰ যদি কেতিয়াবা নেলাগে ভাল
অসুবিধাটো তোমাৰেই
ভাল নলগাৰ সৈতে মুখামুখি হ'লেও
অসুবিধাটো তোমাৰেই

লুকা-ভাকু কিমান খেলিবা এই
ভাল নলগাবোৰৰ সতে?
বিধ্বস্ত হৈ নপৰিবানে এদিন?
ভাল নলগাৰ সতেতো
পলাই সাৰিব নোৱাৰি

এদিন
ভাৰাক্ৰান্ত মনে বিচাৰিব জিৰণি
তেতিয়া ক্ষোভেৰে মন ভৰি পৰিব
ক্ষোভৰে অন্তিম প্ৰকাশ খং
ৰঙৰ বিপৰীত খং
যিদৰে দিনৰ বিপৰীত ৰাতি
পোহৰৰ বিপৰীত আন্ধাৰ
আৰু জোনাকৰ বিপৰীত অমানিশা

তুমি এতিয়া কি ভাবিছা?
মনৰ দুৱাৰ মুকলি কৰি দিয়া
মান, অভিমান, ক্ষোভ আৰু খং
নিদিবা কাকোকেই প্ৰশ্ৰয়
নিৰ্মল তোমাৰ হৃদয়ৰ য'ত
কথা পাতা নীৰৱে নিৰলে

মনৰ আকাশত দেখিবা
সুৰুজৰ পোহৰে আন্ধাৰ আঁতৰোৱাৰ দৰেই
ভাল নলগাৰ সতে লুকা-ভাকু খেলা
মান-অভিমান, খং, ক্ষোভ আঁতৰি গৈছে আপোনা-
আপুনি
তাৰপাছত
এদিন নিজকে সুধিবা
ভাল নলগা মানে কি?
অসুবিধাবোৰ ক'লৈ গ'ল?

নুমাই যোৱা মমৰ পোহৰৰ দৰেই
হেৰাই গ'ল সময়ৰ মাজত
কি যে এক অনাবিল আমেজ
মনৰ মাজত
কি যে সন্ধিক্ষণৰ শীতল উম ভাল নলগাৰ সতে

নোৱাৰো সঁচায়ে বুজাব এতিয়া
ফৰকাল আঘোণৰ আকাশৰ দৰে মন মোৰ
পকাধানৰ পথাৰৰ দৰে বিশাল হৃদয়
হালধীয়া সপোনবোৰে
কিয়যে বাৰে বাৰে আমনি কৰে ❑

## ঊষা লকৰাৰ কবিতা

### এতিয়াও মই ঘৰৰ পৰা দূৰত

ঘৰৰ পৰা বহু দূৰত মই ডাঙৰ দীঘল হৈছিলোঁ
সেই সময়ত, মাজে মাজে গভীৰ বেদনাই মোক পংগু কৰি পেলাইছিল
প্ৰায়েই ভাবিছিলোঁ, কোনোবাই জানো মোৰ খবৰ ৰাখে
কিয় বাৰু কোনো যে এবাৰো অহা নাই আজিলৈকে মোক দেখা কৰিবলৈ
সেই সৰু বয়সত ঘৰৰ পৰা কোনোবাই এবাৰ মোক দেখা কৰিবলৈ
অহাটোৱে মোৰ কাৰণে পৰম সন্তুষ্টিৰ কাৰণ আছিল

নিসংগতাৰ মাজৰেই মই মোৰ শৈশৱ পাৰ কৰিলোঁ
যদিওবা মোৰ বন্ধু-বান্ধৱীৰ অভাৱ নাছিল,
আৰু সেই বন্ধুসকলে মোৰ জীৱন দৰ্শনত যি অৱদান আগবঢ়ালে, তাৰকাৰণে মই চিৰকৃতজ্ঞ

যদিও মই ঘৰৰ পৰা বহু দূৰত আছিলোঁ
মোটামুটি ভাৱে মই সুখীয়েই আছিলোঁ
ভয়ে ভয়ে হলেও মই শিকিছিলোঁ নতুন নতুন ঠাই ভ্ৰমণ কৰিবলৈ

প্ৰায়েই মোৰ মনটো অজস্ৰ প্ৰশ্নৰে দোলা দি থাকিছিল
নিজক সুধিছিলোঁ, সকলো মহিলায়েই ভয় কৰে নে বাৰু মোৰ দৰে অকলে ভ্ৰমণ কৰিবলৈ
সকলো মহিলায়েই অসুৰক্ষিত অনুভৱ কৰে নে মোৰ দৰেই, ঘৰৰ ভিতৰতো, ঘৰৰ বাহিৰতো
সকলো মহিলায়েই বাৰু ৰাজহুৱা স্থানতো যৌন নিৰ্যাতনৰ ভুক্তভোগী হয়নে মোৰ দৰে

আজিও মই কাকো ক'ব পৰা নাই
কি হৈছিল মোৰ লগত সিদিনাখন সেই নৈশ বাছখনৰ ভিতৰত
আৰু পিছদিনাখন দিনৰ পোহৰতো
বাৰে বাৰে এক অদম্য ইচ্ছা হৈছিল
চলি থকা বাছখনৰ পৰা জঁপিয়াই পৰিবলৈ

কিন্তু পৰা নাছিলোঁ
যেনেকৈ আজিও পৰা নাই কাৰো আগত
সেই ঘটনাটোৰ কথা খুলি ক'বলৈ
সংকোচ হয় এইবোৰ কথা পাতিবলৈ
কি ঠিক মোক যদি বিশ্বাসেই নকৰে
কি ঠিক মোক যদি দোষাৰোপ কৰে

এতিয়াও মই ঘৰৰপৰা দূৰত
অকলেই চলাই আছোঁ এই জীৱন যুদ্ধ
শিকিছোঁ মই বহু কথা
দেখিছোঁ মই বহু কথা
শুনিছো মই বহু কথা

পুৰুষতান্ত্ৰিক এই সমাজত
এগৰাকী নাৰী হোৱাটো কি যাতনা

শিকিছোঁ মই
দেখিছোঁ মই
শুনিছোঁ মই




ছবি- প্ৰিয়ংকা শইকীয়া

## মই নাৰী

মই নাৰী
দৃঢ় হৈ থাকি ভালপাওঁ
আশা আৰু সপোনবোৰ
মোৰ কেতিয়াবা ফলিয়াবনে ?

মই নাৰী
শক্তিশালী হৈ থাকি ভালপাওঁ
আশা আৰু সপোনবোৰ মোৰ জ্বলন্ত শিখাৰ দৰে
এদিন দিঠক হ'বনে

মই নাৰী
শান্তিৰে থাকিব বিচাৰোঁ
প্ৰতিদিনৰ সংগ্ৰামত মই এদিন জয়ী হ'ম
কাৰণ মোৰ জন্ম আন এগৰাকী দৃঢ় নাৰীৰ গৰ্ভত

## ঐনিতম

পানৈ-জংকিক অল্লুঙদৌম কংকনৌকং দোংকাব
লাবিনৌমান ঙৌলাঙদৌম লেকঅ গৌবিলৌকঅ দোংকাব
আঙৌনৈ অবৌ গেদাম আঙৌনৈ বাবৌ গেদাং
লিকচুয়েম ঙৌমী কাপৌ ইয়েন ঙ
আঙৌনৈ মিটপানামা আঙৌনৈ মৈয়ক লামা
আঙৌনৈ আতৌল আতৌল কাপৌ তুলয়েন ঙ
...
পানৈ জংকিৰ নাওখন পাৰ কৰিবলৈ মন থাকিল
নিব নিদিয়া ঘৰখনলৈ এবাৰ যাবৰ মন আছিল
দেহাজান অ', মায়ে গালি পাৰে দেউতাই গালি পাৰে
লগ ধৰোঁতে মোক, কি যে হ'ব মোৰ
দেহাজান অ', পাহৰিব নোৱাৰোঁ, দেহাজান এৰিব নোৱাৰোঁ
দেহাজান অকলে অকলে কেনেকৈ জীয়াই থাকিম মই

অনুবাদ - উপানী পগাগ

# তুমি বলাৎকাৰী

('তুমি বলাৎকাৰী' বা The Rapist is you এটা প্ৰতিবাদী গান, যাৰ জন্ম হৈছিল চিলিত। ২০১৯ চনৰ ২৫ নৱেম্বৰত আন্তৰ্জাতিক নাৰীৰ বিৰুদ্ধে হোৱা হিংসাৰ মুক্তি দিৱসৰ দিনা চিলিত ফেমিনিষ্ট সকলে এই গানটো পৰিৱেশন কৰে। ২৯ নৱেম্বৰত মেহিক'ত হাজাৰ হাজাৰ মহিলাই একেটা গানেই পৰিৱেশন কৰে। তেতিয়াৰেপৰা এই গানটো আমাৰ দেশতেই নহয়, আমেৰিকা, ফ্ৰান্স, স্পেইন, তুৰ্কী, ইউনাইটেড কিংদম আদি বিশ্বৰ বিভিন্ন প্ৰান্তত নাৰীসকলে পৰিৱেশন কৰিছে। মূলতঃ স্পেনিছ ভাষাত লিখা এই গানটো বিশ্বৰ আন বহুতো ভাষালৈ অনুবাদ হৈছে। চিলিৰ বিখ্যাত নাৰীবাদী ৰীতা ছেগাটৰ দ্বাৰা অনুপ্ৰাণিত এই গানটোৱে বিশ্বৰ নাৰীবাদী মহিলা আৰু পুৰুষসকলৰ মাজত যথেষ্ট জনপ্ৰিয়তা লাভ কৰিছে। পৃথিৱীৰ কোণে কোণে বাজি উঠা এই গানটো অসমীয়ালৈ অনুবাদ কৰিছে ময়ুৰী ডেকাই।)

এই পুৰুষতন্ত্ৰ হয় ন্যায়াধীশ
জন্ম হোৱাৰ কাৰণে আমাক
দোষী সাব্যস্ত কৰে
আৰু আমাৰ শাস্তি হ'ল
অহৰহ সেই হিংসা
যাক
তোমালোকে দেখা নোপোৱা
তোমালোকে দেখা নোপোৱা

তোমালোকে যাক এতিয়াও
চাই আছা হাত সাৱটি
ছোৱালী হৈ জন্মাৰ কাৰণে
কৰে আমাক হত্যা
কৰে আমাক হত্যা

আৰু আমাৰ হত্যাকাৰী
ঘূৰি ফুৰে হৈ মুকলি
তোমালোকে দেখা নোপোৱা
তোমালোকে দেখা নোপোৱা

বৰ্ণৰ নামত ধৰ্মৰ নামত
ভাষাৰ নামত জাতিৰ নামত
পোচাকৰ নামত মৰ্যাদাৰ নামত
সীমাৰ নামত নাগৰিকত্বৰ নামত
আমি হওঁ শোষিত
আমি হওঁ নিৰুদ্দেশ
গোটেই শৰীৰত আমি লৈ ফুৰোঁ
বলাৎকাৰ হিংসাৰ ক্ষতচিহ্ন
তথাপিও তোমালোকে দেখা নোপোৱা
তথাপিও তোমালোকে দেখা নোপোৱা

ঘৰৰ ভিতৰত আৰু বাহিৰত
স্কুল কৰ্মক্ষেত্ৰত আৰু জেলৰ ভিতৰত
এয়াই বলাৎকাৰ এয়াই বলাৎকাৰ
এয়াই বলাৎকাৰ

তোমালোকে দেখা নোপোৱা
তোমালোকে দেখা নোপোৱা
তথাপিও তোমালোকে দেখা নোপোৱা

মই কি কৰিছিলোঁ মই কি পিন্ধিছিলোঁ
ক'ত কেনেকৈ আৰু কেতিয়া
সেয়া মোৰ ভুল নাছিল

তুমিয়েই আছিলা তুমিয়েই হয়
সেই বলাৎকাৰী
সেই বলাৎকাৰী
সেই বলাৎকাৰী

আৰু সিহঁত হয় পুলিচ ন্যায়াধীশ
বহি থাকে ওখ ওখ চকীত
দমনকাৰী ৰাষ্ট্ৰ ব্ৰাহ্মণবাদী পুৰুষতন্ত্ৰ
ট্ৰেন্সফ'বিয়া আৰু হম'ফবিয়া
ফেচীবাদী হিন্দু ৰাষ্ট্ৰ
তুমি বলাৎকাৰী
তুমি ফেচীবাদী
তুমি জাতিবাদী

তথাপিও তোমালোকে দেখা নোপোৱা
তথাপিও তোমালোকে দেখা নোপোৱা
তথাপিও তোমালোকে দেখা নোপোৱা❑

# মৃত্যুদণ্ড আচলতে কাৰ হ'ব লাগে?

## কমলা ভাসীন

আমি চিঞৰি চিঞৰি দাবী কৰি থাকোঁ মৃত্যুদণ্ড হ'ব লাগে বলাৎকাৰীৰ
কিন্তু গৰ্ভতে চাৰি পাঁচ কোটি ছোৱালীৰ ভ্ৰূণ হত্যাত
আমি নিমাত

আমি চিঞৰি চিঞৰি দাবী কৰি থাকোঁ মৃত্যুদণ্ড হ'ব লাগে বলাৎকাৰীৰ
কিন্তু ল'ৰা সন্তানবোৰক মূৰত তুলি লওঁ
কেতিয়াও মানা নকৰোঁ কোনো বাধা নিদিওঁ
মাফ কৰি দিওঁ সিহঁতৰ সকলো অন্যায় অতপালি
নাবালক থাকোঁতেই মটৰ চাইকেল গাড়ী কিনি দিওঁ
আনক মাৰিবলৈ বা নিজে মৰিবলৈ
কেতিয়াও নিশিকাওঁ ছোৱালীক সমজ্ঞান কৰিবলৈ
মৰ্যাদা দিবলৈ
ছোৱালীবোৰতকৈ ভাল ভৰণ-পোষণ ভাল শিক্ষা
ভাল সমল বেছি স্বাধীনতা দি
আমিয়েই সিহঁতক শিকাওঁ অসমতাৰ পাঠ
সিহঁতক বনাওঁ নষ্ট আলাসৰ লাডু
ল'ৰাই কান্দিব নাপায় আবেগিক হ'ব নাপায় বুলি
গঢ়ি তোলোঁ পুৰুষ হোৱাৰ দম্ভ
নিজেই নিজৰ বিধাতা হোৱাৰ স্পৰ্ধা

আমি চিঞৰি চিঞৰি দাবী কৰি থাকোঁ মৃত্যুদণ্ড হ'ব লাগে বলাৎকাৰীৰ
কিন্তু ছোৱালীহঁতক 'পৰৰ ধন' বুলি কওঁ
'কন্যাদান' কৰি পুণ্য লাভ কৰোঁ
আমি সিহঁতক শিকাওঁ
মনে মনে থাকিবলৈ সহন কৰিবলৈ বুজাপৰা কৰিবলৈ

আমি চিঞৰি চিঞৰি দাবী কৰি থাকোঁ মৃত্যুদণ্ড হ'ব লাগে বলাৎকাৰীৰ
কিন্তু পুৰুষক পতি পৰমেশ্বৰ, স্বামী, প্ৰভু ক'বলৈ দ্বিধাবোধ
নকৰোঁ
পুৰুষৰ সেৱাত পালি থাকোঁ সতীদাহ ব্ৰত লঘোণ
'ল'ৰা মানুহ ল'ৰা মানুহৰ দৰে হ'ব লাগে' বুলি কৈ
সিহঁতক জোৰ জবৰদস্তি কৰিবলৈ উৎসাহ দিওঁ

আমি চিঞৰি চিঞৰি দাবী কৰি থাকোঁ মৃত্যুদণ্ড হ'ব লাগে
বলাৎকাৰীৰ
কিন্তু স্মাৰ্ট ফোনত পৰ্ণগ্ৰাফী চাওঁ

ফটুৰা আইটেম নাম্বাৰ চাই জিভাৰ পানী সৰাওঁ
মতা মানুহৰ শৌৰ্য বীৰ্য বীৰত্ব দেখুওৱা আৰু
মহিলাক 'মাল' কিম্বা 'বস্তু' বনোৱা
চিনেমা টিভি চিৰিয়েলৰ আগত আমি নতশিৰ হওঁ

এই দুয়োটা কথা একেখন মুখেৰে
আমি কেনেকৈ ক'ব পাৰোঁ
আমি সঁচাকৈয়ে নাজানোনে
যে বলাৎকাৰৰ জঘন্য হিংসা জন্মগত নহয় বৰং
বছৰ বছৰ ধৰি শিকাই শিকাই জন্ম দিয়া হয়
তাৰ জন্ম দিয়ে
আমাৰ পিতৃতান্ত্ৰিক পৰিয়াল স্কুল কলেজ সমাজে
আমাৰ ধৰ্মই আমাৰ পৰম্পৰাই
তেনেকৈয়ে জন্ম হয় আমাৰ আদৰৰ বলাৎকাৰীবোৰ
আৰু সেইবোৰ দেউতা খুৰা মামা পতি দেওৰ শহুৰ
যি আপোন ঘৰৰ নিৰাপত্তাৰ মাজতো চলাই যায়
যৌনহিংসা বলাৎকাৰ
আৰু সম্পাদক অভিনেতা পৰিচালক
শিক্ষক তথাকথিত সমাজকৰ্মী
যালৈ আঙুলি টোঁৱাই নাৰীসকলে কয় 'এই জনো এজন'

তেনেহ'লে বন্ধুসকল,
মৃত্যুদণ্ড যদি হ'ব লাগে আমাৰ সকলোৰে হ'ব লাগে
যি এই পিতৃতন্ত্ৰৰ ভাগীদাৰ আৰু বাহক
যি মতা মানুহৰ পৌৰুষত্ব আৰু
নাৰীৰ অসহায়তাৰ প্ৰতিপালন কৰি আহিছে যুগে যুগে

বলাৎকাৰীৰ মৃত্যুদণ্ড দিলেই শেষ নহয় বলাৎকাৰ
তাৰবাবে মৃত্যুদণ্ড দিব লাগিব পিতৃতন্ত্ৰক

আৰু জাতিবাদক বৰ্ণবাদক শ্ৰেণীবাদক পুঁজিবাদক

যদি সঁচাকৈয়ে ৰোধ কৰিব বিচাৰা বলাৎকাৰ
আহাঁ জপিয়াই পৰোঁ এই ৰণাংগনত আৰু সমস্বৰে গাওঁ
পিতৃতন্ত্ৰ নিপাত যাওক
সাম্যবাদৰ জয় হওক ❑

**মূল হিন্দীৰপৰা অনুবাদ নিখিলেশ্বৰ বৰুৱা**

# কৰ্মস্থলীৰ মৰ্যাদা নাৰী আৰু পুৰুষৰ বাবে পৃথক কিয় ?

অনুৰীতা পাঠক



'আপুনি বিবাহিত নে অবিবাহিত ?'
এগৰাকী কম বয়সীয়া মহিলাই কামত নতুনকৈ যোগদান কৰাৰ পাছত তেওঁ সাধাৰণতে সহকৰ্মীসকলৰ এই প্ৰশ্নৰ সন্মুখীন হ'ব লগাত পৰে। সহকৰ্মীসকলৰ বাবে ই হৈছে মহিলাগৰাকীক আদৰণি জনোৱাৰ বা তেওঁৰ বিষয়ে জনাৰ এক পদ্ধতি। কিন্তু এই প্ৰশ্নৰ মুখামুখি হ'ব লগা নৱাগতাগৰাকীৰ দৃষ্টিৰে চাবলৈ গ'লে এয়া এক সম্পূৰ্ণ অবাঞ্ছিত আৰু অপ্ৰাসংগিক প্ৰশ্ন। আৰু স্বাভাৱিকতেই এনে অবাঞ্ছিত প্ৰশ্নৰ তেওঁ বিৰোধিতা কৰে। তেতিয়া মহিলাগৰাকীৰ এনে বিৰোধিতাক 'বেছি দেখুওৱা' বুলি বা তেওঁক 'অতি দাম্ভিক' বুলি অভিহিত কৰা হয়। অৱশ্যে পুৰুষ কৰ্মচাৰী এজন খুব কমেইহে সহকৰ্মীসকলৰ এনে কৌতূহলৰ মুখামুখি হয়। এনে ধৰণৰ প্ৰশ্নৰ ফলত কৰ্মস্থলীত মতানৈক্যৰ সূচনা হয় আৰু পৰিৱেশো বিনষ্ট হয়। কাম কৰাৰ বাবে প্ৰতিকূল পৰিৱেশ সৃষ্টি কৰাটো এক প্ৰকাৰৰ নিৰ্যাতনস্বৰূপ হৈ পৰে আৰু কৰ্মস্থান হৈ পৰে কাম কৰাৰ অনুপযোগী।

কিছুমান কাৰ্য, আচৰণ আৰু পৰিস্থিতি কেৱল নিৰ্যাতনেই নহয়, বিয়া, সংগী, গৰ্ভধাৰণ তথা ব্যক্তি এজনৰ যৌন জীৱনৰ সৈতে সম্পৰ্ক থাকিব পৰা এনে ভালেমান ব্যক্তিগত বিষয়ৰ প্ৰশ্ন সহকৰ্মী এগৰাকীক কৰাটো কৰ্মক্ষেত্ৰৰ আচৰণৰ পৰিপ্ৰেক্ষিতত অবাঞ্ছিত, অনভিপ্ৰেত আৰু অবৈধ হ'ব পাৰে বুলি সাধাৰণতে অনুভৱেই কৰা নহয়। এনে আচৰণেই হৈছে যৌনগন্ধী আচৰণ আৰু এনেধৰণৰ আচৰণকেই কৰ্মৰতা মহিলাৰ বিৰুদ্ধে সংঘটিত যৌন নিৰ্যাতন বুলি ধৰা হয়। অসমত কিমান সংখ্যক মহিলা এনে পৰিস্থিতিৰ মুখামুখি হৈছে সেই সম্পৰ্কে কোনো নিৰ্দিষ্ট তথ্য নাই যদিও কৰ্মৰতা মহিলাসকলে দৈনন্দিন সন্মুখীন হোৱা ঘটনাসমূহে ব্যক্তিগত আৰু ৰাজহুৱা, আনুষ্ঠানিক আৰু অনানুষ্ঠানিক তথা চৰকাৰী আৰু বেচৰকাৰী খণ্ডৰ কৰ্মস্থানসমূহত এনে নিৰ্যাতনৰ ক্ৰমবৰ্ধমান ৰূপৰ পিনেই আঙুলিয়ায়।

ভাৰতবৰ্ষত এফালে নাৰীক দেৱীৰূপে পূজা কৰা হয় আৰু আনফালে তেওঁলোকে ঘৰে-বাহিৰে বা কৰ্মস্থানত তীব্ৰ নিৰ্যাতনৰ সন্মুখীন হ'ব লগা হয়। ই এক বুজিব নোৱাৰা সাঁথৰ। কৰ্মস্থানত মহিলাসকলে সন্মুখীন হোৱা যৌন নিৰ্যাতন হৈছে মহিলাসকলে নিজৰ ঘৰত প্ৰতিদিনে সন্মুখীন হোৱা বৈষম্যৰেই পৰিবৰ্ধিত ৰূপ। সমাজে মহিলাৰ বাবে নিৰ্ধাৰিত কৰি দিয়া ভূমিকা আৰু সমাজত তেওঁৰ গৌণ স্থান ই বাহাল ৰাখে আৰু কৰ্মক্ষেত্ৰত পুৰুষ আৰু মহিলাৰ মাজত থকা লিংগ বৈষম্যৰ ফলত ই উদ্ভৱ হয়। এনে আচৰণৰ ক্ষেত্ৰত সাধাৰণতে এক পুৰুষ প্ৰধান মনোবৃত্তিয়ে ক্ৰিয়া কৰে আৰু পুৰুষক আক্ৰমণাত্মক আৰু নাৰীক আজ্ঞাবহ কৰি তোলা এনে মনোবৃত্তি ল'ৰা-ছোৱালীৰ মনত যাতে শৈশৱতে গঢ় লৈ নুঠে তাৰ প্ৰতি চকু ৰাখিব লাগে।

কৰ্মস্থানত মহিলাসকলে সন্মুখীন হোৱা যৌন নিৰ্যাতনৰ সৈতে যৌন আকৰ্ষণৰ কোনো সম্পৰ্ক নাই। ই হৈছে লিংগ বৈষম্যৰ ফলত মহিলা এগৰাকীয়ে মুখামুখি হোৱা হাৰাশাস্তি। ইয়াৰ বিৰুদ্ধে মাত মাতিলে মহিলাগৰাকীয়ে ভুল কৰা বুলি কোৱা হয় বা তেওঁক 'অত্যুৎসাহী' বুলি অভিহিত কৰা হয়। 'নিজৰ বিপদ নিজে মাতি আনিছে', 'কোনো ডিগ্ৰী লাভৰ উদ্দেশ্যে বা পদোন্নতি লাভৰ বাবে এনে কথা কৈছে' আদিৰ দৰে মন্তব্য বা নিৰ্যাতনকাৰীজন তেওঁৰ 'পিতৃ বা ভাতৃৰ দৰে' বুলি কৈ অপৰাধীক প্ৰশ্ৰয় দিয়া আদি কাৰ্যৰ ফলত বিষয়টোৰ সিমানতে অন্ত পৰে। কৰ্মস্থানৰ মৰ্যাদা অটুট ৰখাৰ স্বাৰ্থতেই এনে ঘটনাসমূহ গাপ দি ৰখাৰ বাবে সম্ভৱপৰ সকলো প্ৰচেষ্টা চলোৱা হয় আৰু ভুক্তভোগী মহিলাগৰাকীয়ে ন্যায় বিচাৰি প্ৰবঞ্চনাৰ বলি হয়। কৰ্মৰত মহিলাগৰাকীৰ বাবে এয়া অতি বেদনাদায়ক

আৰু অপমানজনক। তেওঁলোকৰ অভিযোগ গুৰুত্বহীন কৰি পেলোৱাৰ পাছত তেওঁলোকক অবিশ্বাসৰ দৃষ্টিৰে চোৱা হয় আৰু তেওঁলোক ঠাট্টা-মস্কৰাৰ সন্মুখীন হ'ব লগাত পৰে। এনে অভিযোগ এটাৰ মীমাংসাৰ ক্ষেত্ৰত নিৰ্যাতনকাৰীজনে দিয়া শাৰীৰিক আঘাততকৈ নিৰ্যাতিতা মহিলাগৰাকীয়ে সন্মুখীন হোৱা অভিজ্ঞতাৰ ফলত লাভ কৰা তীব্ৰ মানসিক যন্ত্ৰণাৰ অন্ত পেলোৱাৰ দিশতহে অধিক গুৰুত্ব প্ৰদান কৰিব লাগে।

২০১৩ চনত গৃহীত *'কৰ্মস্থানত মহিলাসকলে সন্মুখীন হোৱা যৌন আতিশয্য (প্ৰতিৰোধ, নিবাৰণ আৰু প্ৰতিকাৰ)* আইনত এই বিষয়টোৰ বিভিন্ন দিশ সম্পৰ্কে বিস্তৃতভাৱে উল্লেখ কৰা হৈছে। এই আইন অনুসৰি, কৰ্মক্ষেত্ৰত পোনপটীয়াকৈ নিযুক্ত নহ'লেও ইয়াৰ লগত প্ৰত্যক্ষ বা পৰোক্ষভাৱে জড়িত প্ৰতিগৰাকী মহিলাৰ বাবে কৰ্মক্ষেত্ৰখন সুৰক্ষিত আৰু মৰ্যাদাপূৰ্ণ হ'বই লাগিব। কৰ্মক্ষেত্ৰৰ সৈতে কাৰ্যকৰী সম্পৰ্ক থকা পোহাৰী, ছাত্ৰী, প্ৰশিক্ষণৰ বাবে অহা ছাত্ৰ-ছাত্ৰী (interns), ঘৰুৱা কৰ্মী, নিৰ্মাণ কৰ্মী, চিকিৎসালয়লৈ অহা মহিলা আদি বাহ্যিকভাৱে জড়িত কৰ্মী আদিকো এই আইনে সামৰি লৈছে। এই আইন অনুসৰি, প্ৰতিখন কৰ্মক্ষেত্ৰতে এখন আভ্যন্তৰীণ সমিতি (Internal Committee) থাকিব লাগে আৰু এই সমিতিয়ে কৰ্মক্ষেত্ৰত মহিলাসকলে সন্মুখীন হোৱা যৌন আতিশয্য সম্পৰ্কীয় অভিযোগৰ প্ৰতিকাৰ কৰিব, সদস্যসকলৰ মাজত সজাগতাৰ সৃষ্টি কৰিব। এই কৰ্তব্য পালনত ব্যৰ্থ হ'লে ৰাজ্যিক ন'ডেল এজেন্সীক জৰিমনা দিবলৈ বাধ্য কৰা হ'ব। দহগৰাকী বা ততোধিক কৰ্মচাৰী থকা কৰ্মস্থানসমূহে উপায়ুক্তৰ দ্বাৰা গঠিত জিলা সমিতিৰ সেৱা লাভ কৰিব পাৰিব। অসমত অৱশ্যে তেনে কোনো ন'ডেল এজেন্সী বা জিলা পৰ্যায়ৰ সমিতি নাই। সুৰুঙাটো ৰৈ গৈছে এইখিনিতে। কাৰ্যকৰীকৰণৰ সমুচিত ব্যৱস্থাৰ অভাৱৰ বাবেই মহিলাসকলক ন্যায় প্ৰদানৰ অৰ্থে গৃহীত এই আইন ব্যৰ্থ হৈছে। এই আইনখন কাৰ্যকৰীকৰণৰ ক্ষেত্ৰত এক ৰাজনৈতিক সদিচ্ছাৰ প্ৰয়োজন। সাধাৰণতে কৰ্মক্ষেত্ৰত যৌন উৎপীড়নৰ বলি হোৱা মহিলাই অভিযোগ দাখিল কৰিলে ঘটনাটোৰ ফলত উদ্ভৱ হোৱা পৰিস্থিতি নিয়ন্ত্ৰণ কৰাৰ উদ্দেশ্যে নিশাটোৰ ভিতৰতে খৰতকীয়াকৈ এখন আভ্যন্তৰীণ সমিতি গঠন কৰা দেখা যায়। কিন্তু প্ৰকৃততে, আভ্যন্তৰীণ সমিতি এখন গঠন কৰি এই সমিতি সম্পৰ্কে সবিশেষ তথ্য সকলোৰে দেখা পোৱাকৈ আঁৰি থোৱাটো হৈছে কৰ্মস্থানত মহিলাসকলে সন্মুখীন হোৱা যৌন আতিশয্য ৰোধ কৰাৰ ক্ষেত্ৰত ল'বলগীয়া প্ৰথম পদক্ষেপ। এই পদক্ষেপ হাতত লোৱাৰ লগে লগে তেওঁৰ অধীনৰ কৰ্মস্থান মহিলাসকলৰ বাবে সুৰক্ষিত আৰু মৰ্যাদাসম্পন্ন কৰি তোলাৰ ক্ষেত্ৰত নিয়োগকৰ্তাজন দায়বদ্ধ বুলি প্ৰতিপন্ন হয়। কিন্তু, বুজন সংখ্যক কৰ্মক্ষেত্ৰতে এতিয়াও এনে সমিতি সম্পৰ্কে অজ্ঞতাহে দেখা যায়। কোনো ঘটনা সংঘটিত হোৱালৈ বাট চাই নাথাকি তাৰ পূৰ্বেই আভ্যন্তৰীণ সমিতি গঠন কৰাটো বাঞ্চনীয়।

তৰুণ তেজপাল, পাচৌৰী, কে পি এছ গিল, ন্যায়াধীশ গাংগুলী, ৰঞ্জন গগৈ, মেঘালয়ৰ প্ৰাক্তন ৰাজ্যপাল আদি ব্যক্তিসকল জড়িত হৈ থকা ঘটনাসমূহ পোহৰলৈ আহিছে যদিও সেয়া এপাচি শাকত এটা জালুকৰ দৰেহে। প্ৰকৃততে এই সমস্যাটো অতি গভীৰ, জটিল আৰু গুৰুতৰ। এনে সমস্যাৰ মুখামুখি হোৱা বহু মহিলাই কাম বাদ দিয়ে, আত্মহত্যা কৰে, এচিড আক্ৰমণৰ সন্মুখীন হয়, উৎপীড়ন বা ধৰ্ষণৰ বলি হয়, কিছুমানে মৃত্যু যন্ত্ৰণাত কাতৰ হৈ হতাশাৰে ভৰা বা বিকলাংগৰ জীৱন যাপন কৰে। বহুতকে আকৌ নিৰ্যাতনৰ ঘটনাটো পোহৰলৈ আনিলে ভয়ংকৰ প্ৰতিফল পাব বুলি ভয় খুওৱা হয়।

কৰ্মস্থানত সন্মুখীন হোৱা যৌন উৎপীড়নৰ সন্মুখীন হোৱা মহিলাসকলক ন্যায় প্ৰদান আৰু তেনে উৎপীড়ন বন্ধ কৰাৰ বাবে প্ৰকৃতাৰ্থত দায়বদ্ধ হ'বলৈ হ'লে লিংগ-ভিত্তিক দিশসমূহ সম্পৰ্কে আভ্যন্তৰীণ সমিতিৰ সদস্যসকল অতি সজাগ হোৱাৰ প্ৰয়োজন। কিন্তু বিষয়টো সম্পৰ্কে সজাগতাৰ অভাৱ আৰু অজ্ঞতাৰ বাবে দাখিল কৰা অভিযোগটো সঠিকভাৱে উপলব্ধি আৰু বিশ্লেষণ কৰাত তেওঁলোক প্ৰায়েই অসমৰ্থ হোৱা দেখা যায়। এই আইন অনুসৰি দোষীসকলৰ জৰিমনা আৰু গোচৰীয়াৰ বাবে থকা দেৱানী ব্যৱস্থা সম্পৰ্কে তেওঁলোক অজ্ঞ। গোচৰীয়া মহিলাগৰাকীৰ প্ৰতি থকা বৈষম্যমূলক দৃষ্টিভংগী হৈছে এই ক্ষেত্ৰত থকা হেঙাৰ আৰু ইয়াৰ ফলতেই অভিযুক্তজন বেপৰোৱা হৈ পৰে। এনেধৰণৰ অভিযোগ এটা উত্থাপিত হ'লে সেয়া যৌন নিৰ্যাতনৰ ঘটনা বুলি প্ৰতিপন্ন কৰাৰ বাবে অভিযোগটোৰ সৈতে সম্পৰ্ক থকা বিভিন্ন দিশৰ পৰিৱৰ্তে তেওঁলোকৰ মনত ভুৱা অভিযোগ, নৈতিকতা

ৰক্ষা (moral policing), মহিলাগৰাকীৰ সাজ-পাৰ বা আচৰণ, কৰ্মস্থানৰ নিৰ্মল পৰিৱেশ আদি দিশসমূহৰ সম্পৰ্কেহে বিভিন্ন প্ৰশ্নৰ উদয় হয়। এনে অভিযোগৰ ক্ষেত্ৰত উভয় পক্ষৰ ভাষ্য শুনাৰ সুবিধা থাকে বাবে অভিযোগটোৰ ক্ষেত্ৰত গাফিলতি কৰিলে বিষয়টো উৰ্ধতম আদালত বা মহিলা আয়োগৰ দৃষ্টিগোচৰ কৰিব পৰা যায়।

আভ্যন্তৰীণ সমিতি সজাগ হোৱা-নোহোৱাটো দূৰৈৰ কথা, অসমৰ ভালেমান কৰ্মক্ষেত্ৰত এতিয়াও এই আইনী ব্যৱস্থাৰ প্ৰচলন হোৱা নাই। তেনেস্থলত ভুক্তভোগী মহিলা এগৰাকীয়ে ন্যায় বিচাৰি কাৰ ওচৰ চাপিব? কৰ্মক্ষেত্ৰত থকা কল্যাণ কোষ, মহিলা কোষ, মানৱ সম্পদ বিভাগ আদিয়ে এনে অভিযোগ চোৱা-চিতা কৰে যদিও সেয়া প্ৰকৃততে কোনোধৰণৰ কাৰ্যকৰী ব্যৱস্থা নহয়। এনে অভিযোগসমূহ আভ্যন্তৰীণ সমিতিৰ পঞ্জীভুক্ত কৰি সেই সমিতিৰ দ্বাৰাহে বিচাৰ প্ৰক্ৰিয়া আগবঢ়াই নিব লাগে। কৰ্মস্থানত পুৰুষ-নাৰী নিৰ্বিশেষে সকলোৰে বাবে লিংগ বৈষম্যবিহীন নীতি গ্ৰহণ কৰিব লাগে আৰু আভ্যন্তৰীণ সমিতিৰ ব্যৱস্থাও এনে নীতিৰেই অংশবিশেষ।

আনহাতে, নিয়োগকৰ্তাসকলেও তেওঁলোকৰ অধীনস্থ কৰ্মস্থলীসমূহ নিৰাপদ আৰু আঁসোৱাহমুক্ত বুলি মনতে লৈ থকা ভ্ৰান্ত ধাৰণা আঁতৰোৱা উচিত। এনে নিৰাপত্তাৰ মাপকাঠি নিৰ্ধাৰণ কৰাটো সহজ নহয়। নিৰ্যাতনৰ পাছৰ তীব্ৰ মানসিক সংঘাত তথা অজ্ঞতাৰ বাবে আৰু বিশেষকৈ জীৱিকাৰ পথ নাইকীয়া হোৱাৰ ভয়ত নাইবা তেওঁক কোনেও বিশ্বাস নকৰিব বুলি ভাবি মহিলা এগৰাকীয়ে অভিযোগ দাখিল কৰাৰ পৰা বিৰত থাকে। অভিযোগ দাখিল নোহোৱাটোৱে কৰ্মস্থানসমূহত নিৰ্যাতনৰ ঘটনা ঘটা নাই বুলি প্ৰমাণিত নকৰে। মহিলাসকল পোনপটীয়াকৈ যৌন নিৰ্যাতনৰ বলি নহ'লেও প্ৰায়েই আওপকীয়াকৈ যৌনতা সম্পৰ্কীয় সৰু-সুৰা ঘটনাৰ মুখামুখি হয় আৰু ইয়ে তেওঁৰ কাম কৰাৰ ক্ষেত্ৰত প্ৰতিকূল পৰিস্থিতিৰ সৃষ্টি কৰে। যি কৰ্মক্ষেত্ৰ মহিলাৰ বাবে সুৰক্ষিত নহয় সি প্ৰকৃততে সকলোৰে বাবেই অসুৰক্ষিত আৰু এনে কৰ্মক্ষেত্ৰৰ উৎপাদনশীলতা স্বাভাৱিকতেই হ্ৰাস পায়।

কৰ্মস্থানত মহিলাসকলে সন্মুখীন হোৱা যৌন আতিশয্য (প্ৰতিৰোধ, নিবাৰণ আৰু প্ৰতিকাৰ)- ২০১৩ আইন অনুসৰি, কৰ্মস্থানত মহিলাসকলে সন্মুখীন হোৱা যৌন উৎপীড়ন তিনি ভাগত বিভক্ত। সেইবোৰ হৈছে কাম কৰাৰ প্ৰতিকূল পৰিৱেশ, কোনো সুযোগ দিয়াৰ বিনিময়ত যৌনসুবিধা ল'ব খোজা, আৰু যৌনগন্ধী আচৰণ। দ্বিতীয়টোৰ ক্ষেত্ৰত কৰ্তৃত্বশীল ব্যক্তিয়ে মহিলা এগৰাকীৰ পদোন্নতি, দৰমহা বৃদ্ধি বা পাবলগীয়া ধন মোকলাই দিয়াৰ বিনিময়ত যৌন সম্ভোগৰ সুবিধা বিচাৰে। তেনে প্ৰস্তাৱত মহিলাগৰাকী সন্মত নহ'লে ভয়াবহ পৰিস্থিতিৰ মুখামুখি হ'ব লগা হ'ব বুলি তেওঁক ভাবুকি দিয়া হয়। আনহাতে, যৌনগন্ধী আচৰণৰ বিভিন্ন প্ৰকাৰসমূহো এই আইনত স্পষ্টকৈ উল্লেখ কৰা হৈছে। তেনে আচৰণসমূহ হৈছে— প্ৰত্যক্ষ, পৰোক্ষ, শাৰীৰিক, লিখিত, চিত্ৰিত, বৈদ্যুতিক মাধ্যমৰ সহায়ত ব্যক্ত কৰা বাকহীন আচৰণ। এনে যৌনগন্ধী কাৰ্য আৰু আচৰণসমূহ হৈছে ওঁঠ চেলেকা, চকু টিপিওৱা, অশালীন গান বা দেহভংগীমা, অবাঞ্চিত স্পৰ্শ, অশালীন মাতেৰে মতা, অশালীন ছবি বা কিতাপ আদি দেখুওৱা, মহিলা এগৰাকীক বলপূৰ্বকভাৱে আৱদ্ধ কৰা, বলাৎকাৰৰ চেষ্টা চলোৱা, অবাঞ্চিত প্ৰস্তাৱ আদি।

মহিলাৰ সপক্ষে থকা আইন বা নীতিসমূহক ভ্ৰূকুটি কৰা অনুচিত। মহিলাৰ সপক্ষে মাত মতাৰ অৰ্থ পুৰুষৰ বিপক্ষে কৰা যুদ্ধ নহয়। মহিলাসকলে যুগ যুগ ধৰি সন্মুখীন হৈ অহা অন্যায় প্ৰতিৰোধ আৰু প্ৰতিকাৰৰ বাবে ভালেমান সহজ উপায় আছে। দুই-তিনি দশকৰ পূৰ্বে ভাৰতবৰ্ষত স্ত্ৰীশিক্ষা সম্পৰ্কে পৰিয়ালসমূহৰ মাজত সজাগতা অনাৰ অৰ্থে ঘৰে ঘৰে গৈ জনমত গঠন কৰা হৈছিল। বৰ্তমানে এই দিশত ভালেখিনি পৰিৱৰ্তন আহিছে। অচিৰেই কৰ্মক্ষেত্ৰসমূহত সকলোৰে বাবে সমান মৰ্যাদা আৰু নিৰাপত্তা থাকিব বুলি মনত দৃঢ় বিশ্বাস লৈ কৰ্মক্ষেত্ৰসমূহক সংগঠিত কৰাৰ কামত আগবাঢ়িব লাগিব। প্ৰকৃততে ই হৈছে কৰ্মস্থলীৰ নিৰাপত্তা, মৰ্যাদা আৰু সমতা বিচাৰি মহিলাসকলে বিগত এশ বছৰ জুৰি চলোৱা ৰাজনৈতিক কুচ-কাৱাজৰেই অংশ বিশেষ।

# অৰুন্ধতী স্বৰ্ণ আঁচনিঃ আশীৰ্বাদ নে অভিশাপ

অনুৰীতা পাঠক

অৰুন্ধতী স্বৰ্ণ আঁচনি হৈছে কইনাক সোণ প্ৰদানৰ বাবে ২০২০ চনৰ জানুৱাৰী মাহৰপৰা অসম চৰকাৰে গ্ৰহণ কৰা এক আঁচনি। এই আঁচনিখন চালিজাৰি চোৱাৰ পাছত মোৰ মনত এটা প্ৰশ্ন উদয় হৈছে - এই আঁচনিখন প্ৰকৃততে আশীৰ্বাদ নে অভিশাপ?

এজনী ছোৱালীৰ ১৮ বছৰ হোৱাৰ লগে লগে এতোলা সোণ বা সোণ কিনিবৰ বাবে ৩০ হেজাৰ টকা লাভ কৰাৰ অৰ্থে খৰখেদাকৈ বিয়া দিয়াৰ বাবে মানসিক বা আবেগিকভাৱে ছোৱালীজনীক হেঁচা প্ৰয়োগ কৰা হ'ব। বিবাহিত মহিলাৰ ক্ষেত্ৰত থকা বিভিন্ন সামাজিক ৰীতি-নীতি তথা অৱস্থাৰ বাবে বিয়াৰ পাছত পঢ়া-শুনা কৰি থাকিব পাৰিব বুলি কোনো নিশ্চয়তা নাথাকে আৰু সেয়ে এতিয়া স্ত্ৰীশিক্ষা বাধাপ্ৰাপ্ত হ'ব। গাঁও অঞ্চলৰ ছোৱালীবোৰৰ মাজৰ পৰা স্নাতক, স্নাতকোত্তৰ ডিগ্ৰীধাৰী আৰু হিমা দাস, ৰীমা দাস আদিৰ দৰে বিভিন্ন বৃত্তিধাৰী তথা পাকৈত খেলুৱৈ আদি ওলোৱাৰ পৰিৱৰ্তে এতিয়া কইনাহে ওলাব। কেৱল শিক্ষাৰ ক্ষেত্ৰতেই নহয়, সুকুমাৰ কলা, ক্ৰীড়া আদিৰ ক্ষেত্ৰতো মহিলাৰ উৎকৰ্ষ সাধন, সবলীকৰণ আৰু উত্থানৰ বাবে অহোপুৰুষাৰ্থ কৰি থকাৰ সময়তে এই আঁচনিয়ে ৰাজ্যত উচ্চতৰ মাধ্যমিক বা স্নাতক পৰীক্ষাত উত্তীৰ্ণ ছোৱালীৰ সংখ্যা হ্ৰাস কৰিব আৰু সেয়ে ই ৰাজ্যখনত কম বয়সতে হোৱা বিবাহৰ সংখ্যা বৃদ্ধি কৰিব। বিবাহেই এজনী ছোৱালীৰ জীৱনৰ একমাত্ৰ উদ্দেশ্য বুলি এই আঁচনিয়ে প্ৰতিপন্ন কৰা যেন লাগে। সকলো ছোৱালীয়েই বিয়াত বহিবলৈ ইচ্ছা নকৰিবও পাৰে। কিছুমানে ইচ্ছাকৃতভাৱেই অবিবাহিতা হৈ থাকিবলৈ বিচাৰে। সুকীয়া সুকীয়া লৈংগিক আৰু যৌন পৰিচয় থকা প্ৰতিজনী ছোৱালীৰে বিবাহৰ ক্ষেত্ৰত থকা পচন্দ তথাকথিত স্বাভাৱিক বিবাহৰ পৰিসৰৰ ভিতৰত নহ'বও পাৰে। সেয়ে এই আঁচনিখন সৰ্বাত্মক বুলি ক'ব নোৱাৰি। ই সকলো ছোৱালী আৰু মহিলাক সামৰি নলয়, সকলোৱে চৰকাৰী সাহায্য পোৱাটো নিশ্চিত নকৰে।


ৰাজ্যখনৰ ক্ৰমবৰ্দ্ধমান নাৰী নিৰ্যাতনৰ বিষয়টোও আন এক চিন্তনীয় বিষয়। নাৰীজনিত অপৰাধৰ ক্ষেত্ৰত অসমৰ স্থান শীৰ্ষত। নেচনেল ক্ৰাইম ৰেকৰ্ডছ ব্যুৰ'ৰ তথ্য অনুসৰি ২০১৮ চনত নাৰীজনিত অপৰাধৰ ক্ষেত্ৰত শীৰ্ষস্থান লাভ কৰা ৰাজ্য কেইখনৰ ভিতৰত অসমো অন্যতম। এই গোচৰসমূহৰ অধিকাংশই হৈছে স্বামীৰ নিষ্ঠুৰতা সম্পৰ্কীয় । আনহাতে, বিবাহৰ বাবে কৰা অপহৰণ সম্পৰ্কীয় গোচৰৰ সংখ্যাও যথেষ্ট। এনে অৱস্থাত এই আঁচনিৰ অধীনত লাভ কৰা সোণখিনি নাৰী নিৰ্যাতনৰ কাৰণ হৈ উঠিব পাৰে। কেইমাহমানৰ ভিতৰতে অসমত 'অৰুন্ধতী স্বৰ্ণ আঁচনি'খন পাৰিবাৰিক নিৰ্যাতন, বিশেষকৈ যৌতুকজনিত আৰু জীৱনসংগীৰ দ্বাৰা নিৰ্যাতনৰ কাৰণ হৈ পৰাটো একো আচৰিত কথা নহয়। তদুপৰি, এখন পুৰুষপ্ৰধান সমাজত 'সোণ' বা সম মূল্যৰ ধনৰ নিয়ন্ত্ৰণ বা ব্যৱহাৰৰ ক্ষেত্ৰত সিদ্ধান্ত লোৱাৰ ক্ষমতা মহিলাগৰাকীৰ নাথাকিব। সোণক এই ক্ষেত্ৰত বিবাহৰ প্ৰতীক হিচাপে ধৰি লোৱা হৈছে। সোণেই জানো বিয়া এখনত প্ৰয়োজনীয় প্ৰধান সামগ্ৰী? এই ক্ষেত্ৰত অন্ততঃ অসম ব্যতিক্ৰম। জীৱনৰ এক নতুন অধ্যায়ৰ পাতনি মেলাৰ সময়ত গামোচা, তামোল-পাণ, মেখেলা-চাদৰ, কাঁহী-বাটি আদিকে ধৰি বিভিন্ন প্ৰয়োজনীয় সামগ্ৰী কইনাজনীক দিয়া হয়। সোণৰ তুলনাত এতিয়া এই সামগ্ৰীসমূহ গুৰুত্বহীন হৈ পৰিব। বিবাহৰ বজাৰত মহিলাক পণ্য হিচাপে গণ্য কৰা হ'ব।

'এতোলা সোণ' বা 'তাৰ সমান মূল্য'ৰ ব্যৱহাৰ, সুলভতা বা নিয়ন্ত্ৰণকে ধৰি সেই সম্পৰ্কীয় সকলো সিদ্ধান্ত গ্ৰহণৰ ক্ষমতা যুৱতীসকলৰ হাতত থাকিবই লাগিব। কিন্তু বাস্তৱত এয়া সম্ভৱপৰ নহয়, কিয়নো মহিলা এগৰাকী তেওঁৰ মাক বা শহুৰেক উভয় পৰিয়ালৰেই নিয়ন্ত্ৰণাধীন হৈ থাকে আৰু তেওঁলোকেই বিয়াৰ সময়ত বা বিয়াৰ

পাছত 'এতোলা সোণ' কিদৰে ব্যৱহাৰ কৰা হ'ব তাৰ সিদ্ধান্ত ল'ব। এই ক্ষেত্ৰত বয়স, বিয়া, শিক্ষা, আনকি সোণ কিনাৰ ৰছিদ আদি প্ৰমাণপত্ৰৰ হেৰফেৰ কৰাৰ সম্পূৰ্ণ সম্ভাৱনা থাকে। মহিলাসকলক নিজে নিজৰ সাৰথি বুলি স্বীকৃতি দিয়া নহয়। এই সমগ্ৰ প্ৰক্ৰিয়াত মহিলাগৰাকীৰ মতামতৰ কোনো মূল্য নাথাকিব, তেওঁ এটা চাবি দিয়া পুতলাৰ দৰে হৈ পৰিব। সেয়ে চৰকাৰে সদিচ্ছামূলক বুলি অভিহিত কৰা এই আঁচনি সময়ৰ সোঁতত ব্যৰ্থ হোৱাৰ লগতে মহিলা সবলীকৰণৰ অন্তৰায়-স্বৰূপ হৈ পৰাৰ সম্ভাৱনা আছে।

ইয়াৰ পৰিৱৰ্তে এই আঁচনিৰ অধীনত বছৰি ধাৰ্য্য কৰা ৮০০ কোটি টকা ছোৱালী আৰু মহিলাসকলৰ বাবে, বিশেষকৈ সকলোতকৈ বেছিকৈ নিপীড়িতসকলৰ বাবে সকলো ৰাজহুৱা তথা ব্যক্তিগত স্থান সুগম, সুচল আৰু কাৰ্য্যক্ষম কৰি তোলাৰ উদ্দেশ্যে ব্যয় কৰা উচিত। এই ধন হেল্পলাইন, আইনী সাহায্য, বিভিন্ন আনুষ্ঠানিক যতনমূলক সেৱা, বাট-পথ, পৰিবহন আৰু কৰ্মস্থলীৰ সুৰক্ষা, সম-মজুৰি, ঘাইপথসমূহত শৌচাগাৰ নিৰ্মাণ আদি আৰু শিক্ষা তথা সাক্ষৰতা, সাহিত্য সংঘ, খেলা-ধুলা, সুকুমাৰ কলা, কাৰিকৰী দক্ষতা, অপৰম্পৰাগত জীৱিকাৰ উদগণি, সংবেদনশীল স্বাস্থ্য সেৱা, ৰাজহুৱা আৰু ৰাজনৈতিক ক্ষেত্ৰত অংশগ্ৰহণ কৰিব পৰাকৈ মহিলাসকলক সমৰ্থ কৰি তোলাকে ধৰি মহিলা আৰু ছোৱালীৰ লিংগভিত্তিক প্ৰয়োজন পূৰণৰ বাবে আবন্টন কৰা উচিত।

'অৰুন্ধতী' আঁচনিয়ে মহিলাসকলক সোণৰ দৰে জিলিকাই তুলিব পাৰিবনে ? তেওঁলোকে এনে এক পশ্চাদমুখী আৰু কোনো কাৰ্যকাৰিতা নথকা কেৱল আলংকাৰিক আঁচনি গ্ৰহণ কৰিবনে ? এই আঁচনিয়ে মহিলাসকলক আগবঢ়াই নিব নে পিছ পেলাব ? এই প্ৰশ্নসমূহ উত্তৰবিহীন। এই ক্ষেত্ৰত জনসাধাৰণৰ সজাগতা বাঞ্ছনীয়। চৰকাৰী সংস্থাসমূহকে ধৰি সকলোৰে মহিলাসকলৰ ওপৰত এই আঁচনিয়ে পেলাব পৰা সুদূৰপ্ৰসাৰী প্ৰভাৱ সম্পৰ্কে সূক্ষ্মভাৱে বিবেচনা কৰিবই লাগিব।



## অসমত মহিলাৰ বিৰুদ্ধে হোৱা
## অপৰাধৰ ক্ষেত্ৰত ৰাষ্ট্ৰীয় অপৰাধ খতিয়ান বিভাগৰ ২০১৮ চনৰ ৰিপৰ্ট
## ২০১৮ চনত অসমত মহিলাৰ বিৰুদ্ধে হোৱা সৰ্বমুঠ অপৰাধৰ হাৰ ১৬৬.০

| ক্ৰ. নং | অপৰাধৰ ধৰণ | ঘটনাৰ সংখ্যা | ১ লাখত হোৱা অপৰাধৰ হাৰ |
|---|---|---|---|
| ১. | ধৰ্ষণ /গণধৰ্ষণ কৰি হত্যা | ৬৬ | ০.৪ |
| ২. | যৌতুকৰ বাবে হোৱা মৃত্যু (আই পি চি ধাৰা ৩০৪ বি) | ১৭৩ | ১.০ |
| ৩. | মহিলাক আত্মহত্যাৰ বাবে প্ৰৰোচনা (আই পি চি ধাৰা ৩০৫, ৩০৬) | ৭৬ | ০.৫ |
| ৪. | এচিড আক্ৰমণ (আই পি চি ধাৰা ৩২৬ এ) | ৩ | ০.০ |
| ৫. | এচিড আক্ৰমণৰ চেষ্টা (আই পি চি ধাৰা ৩২৬ বি) | ১ | ০.০ |
| ৬. | গিৰিয়েক বা তেওঁৰ সম্পৰ্কীয় লোকৰ দ্বাৰা হোৱা নিষ্ঠুৰতা (আই পি চি ধাৰা ৪৯৮ এ) | ১১১৩৬২ | ৬৬.৭ |
| ৭. | মহিলাৰ অপহৰণ (মুঠ) | ৬৪০১ | ৩৮.৩ |
| | ক) অপহৰণ (আই পি চি ধাৰা ৩৩৬) | ৯০৪ | ৫.৪ |
| | খ) হত্যাৰ উদ্দেশ্যে কৰা অপহৰণ (আই পি চি ধাৰা ৩৬৪) | ২৩ | ০.১ |
| | গ) মুক্তিপণৰ কাৰণে অপহৰণ (আই পি চি ধাৰা ৩৬৪ এ) | ৯ | ০.১ |
| ৮. | বিয়াৰ বাবে বাধ্য কৰিবলৈ কৰা অপহৰণ (আই পি চি, ধাৰা ৩৬৬) মুঠ | ৩৪১১ | ২০.৪ |
| | ক) মহিলা (১৮বছৰৰ ওপৰৰ) | ২৯০১ | ১৭.৪ |
| | খ) ছোৱালী (১৮ বছৰৰ তলৰ) | ৫১০ | ৩.১ |
| | গ) নাবালিকাৰ ক্ৰয় (আই পি চি ধাৰা ৩৬৬ এ) | ১১০৯ | ৬.৬ |
| | ঘ) অন্যান্য কাৰণত কৰা মহিলাৰ অপহৰণ (আই পি চি ধাৰা ৩৬৩, ৩৬৫, ৩৬৭, ৩৬৮, ৩৬৯) | ৯৪৫ | ৫.৭ |
| ৯. | মানৱ সৰবৰাহ ( আই পি চি ধাৰা ৩৭০ আৰু ৩৭০ এ) | ১১৩ | ০.৭ |
| ১০. | নাবালিকাৰ বিক্ৰী (আই পি চি ধাৰা ৩৭২) | ৮ | ০.০ |
| ১১. | ধৰ্ষণ (আই পি চি ধাৰা ৩৭৬) মুঠ | ১৬৪৮ | ৯.৯ |
| | ক) ধৰ্ষণ (১৮ বছৰ আৰু তাতকৈ ওপৰৰ) | ১৫৫৯ | ৯.৩ |
| | খ) ধৰ্ষণ (১৮ বছৰৰ তলৰ ছোৱালী) | ৮৯ | ০.৫ |

| ক্র. নং | অপৰাধৰ ধৰণ | ঘটনাৰ সংখ্যা | ১ লাখত হোৱা অপৰাধৰ হাৰ |
|---|---|---|---|
| ১২. | ধৰ্ষণৰ চেষ্টা (আই পি চি, ধাৰা ৩৭৬ ৫১১) মুঠ | ৫২৭ | ৩.২ |
| | ক) ১৮ বছৰ আৰু তাতকৈ ওপৰৰ মহিলা | ৫২৫ | ৩.১ |
| | খ) ১৮ বছৰৰ তলৰ ছোৱালী | ২ | ০.০ |
| ১৩. | মৰ্যাদা হানিৰ উদ্দেশ্যে মহিলাৰ ওপৰত হোৱা আক্ৰমণ | | |
| | (আই পি চি, ধাৰা ৩৫৪) (মুঠ) | ৪১৮০ | ২৫.০ |
| | ক) মহিলা (১৮ বছৰ আৰু তাৰ ওপৰৰ) | ৪১৫১ | ২৪.৯ |
| | খ) ছোৱালী (১৮ বছৰৰ তলৰ) | ২৯ | ০.২ |
| ১৪. | মহিলাৰ মৰ্যাদাৰ প্ৰতি অপমান (আই পি চি, ধাৰা ৫০১) (মুঠ) | ১৭১ | ১.০ |
| | ক) মহিলা (১৮ বছৰ আৰু তাৰ ওপৰৰ) | ১৭১ | ১.০ |
| | খ) ছোৱালী (১৮ বছৰৰ তলৰ) | ০ | ০.০ |
| ১৫. | চাইবাৰ অপৰাধ তথ্য প্ৰযুক্তি আইন | | |
| | (কেৱল মহিলাৰ বিৰুদ্ধে হোৱা অপৰাধ) | ২৯৫ | ১.৮ |
| | ক) স্পষ্টৰূপত থকা যৌন সামগ্ৰীৰ প্ৰকাশ বা প্ৰসাৰ কৰা | | |
| | (আই টি আইন, ধাৰা ৬৭ এ/৬৭ বি) | ১৭২ | ১.০ |
| | খ) মহিলা কেন্দ্ৰিক অন্যান্য চাইবাৰ অপৰাধ (ভয় দেখুৱাই কিবা | ১২৩ | ০.৭ |
| | আদায় কৰা/ মানহানি /ফটো বিকৃত কৰা/ভুৱা প্ৰফাইল) | | |
| ১৬. | POCSO আইন (কেৱল কন্যা শিশু ভুক্তভোগী) (মুঠ) | ১৭১৭ | ১০.৩ |
| | ক) শিশু ধৰ্ষণ (POCSO আইনৰ ধাৰা ৪ আৰু ৬/ | ১২২২ | ৭.৩ |
| | আই পি চি, ধাৰা ৩৭৬) | | |
| | খ) শিশুৰ ওপৰত যৌন আক্ৰমণ | | |
| | (POCSO আইনৰ ধাৰা ৮ আৰু ১০/আই পি চি, ধাৰা ৩৫৪) | ৩৭২ | ২.২ |
| | গ) যৌন নিৰ্যাতন | | |
| | (POCSO আইনৰ ধাৰা ১২ /আই পি চি, ধাৰা ৫০৯) | ১০৬ | ০.৬ |
| | ঘ) পৰ্ণগ্ৰাফী/ শিশু পৰ্ণগ্ৰাফী সামগ্ৰী ৰাখিবলৈ শিশুক ব্যৱহাৰ কৰা | ৫ | ০.০ |
| | (POCSO আইনৰ ধাৰা ১৪ আৰু ১৫) | | |
| | ঙ) POCSO আইন (ধাৰা ১৭ ৰপৰা ২২ /এই আইনৰ অন্যান্য অপৰাধ) | ১০ | ০.১ |
| | চ) POCSO আইন r/w আই পি চি, ধাৰা ৩৭৭ /অস্বাভাৱিক অপৰাধ | ২ | ০.০ |

# সৃজনশীল লেখাৰ কৰ্মশালা














# সৃজনশীল লেখাৰ কৰ্মশালা













# সৃজনশীল লেখাৰ কৰ্মশালা













# নেনৰ পঁচিশ বছৰীয়া যাত্ৰা
















# নেনৰ পঁচিশ বছৰীয়া যাত্ৰা

















# নেনৰ পঁচিশ বছৰীয়া যাত্ৰা

















Content Editing : Rashmi Rekha Borah, Mayuri Deka
Cover page illustration : Rashmi Rekha Borah
Photographs : Anurita, Binita, Bhanu, Darshita, Joshila, Kalpana, Karabi,
Drawings : Meghna, Manju, Mayuri, Narmada, Priyanka, Parismita,
Priyanka Deka, Rashmi, Usha, Usha

Published by : North East Network, House No. 7B, J N Borooah Lane, Jorpukhuri,
Guwahati -781001
Mob.: 9435017824
email : assam@northeastnetwork.org
www.northeastnetwork.org

Year of Publication : 2020
Copyright : © North East Network